

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩৫৯ ■ গুৱাহাটী ■ দেওবাৰ, ৭ আগষ্ট, ২০২২, ২১ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 359 Dainandin Barta ■ Guwahati, Sunday ■ 7 August, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only








## বিফলতাও শিক্ষা সফলতাৰে

■ ০.০১ ছেকেণ্ডৰ বাবে ফাইনেল বঞ্চিত হিমা

■ ০.০৫ ছেকেণ্ডৰ বাবে স্বৰ্ণ বঞ্চিত অবিনাশ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ আগষ্ট ঃ** ২০০ মিটাৰৰ ইভেণ্টত অলপৰ বাবে ফাইনেললৈ যোগ্যতা অৰ্জনত ব্যৰ্থ হোৱা অসম কন্যা হিমা দাস আজি পিছে উজলি উঠে। কমনৱেলথ গেম্‌ছৰ ৪x৪০০ মিটাৰ ৰীলেৰ দলীয় শাখাত উজলিল হিমা দাস। হিমাৰ লগতে ভাৰতীয় দলটোৱে দ্বিতীয় স্থান লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে। প্ৰথম স্থানত থাকে জামাইকা। আজিৰ দিনটোত ভাৰতে বিভিন্ন শাখাত ৭টা পদক ■ ৮ পৃষ্ঠাত

**বাৰ্মিংহাম ২০২২**
**কমনৱেলথ গেমছ**
**ভাৰত ঃ সোণ ৯, ৰূপ ১১, ব্ৰঞ্জ ১১ ঃ মুঠ ৩১**

### কমনৱেলথ গেমছৰ ৪×৪০০ মিটাৰ ৰীলেৰ দলীয় শাখাত উজলিল হিমা দাস ঃ দিনটোত ভাৰতৰ সাতটা পদক

## মল্লযুঁজৰ প্ৰথম দিনাই ভাৰতৰ স্বৰ্ণ জয়ৰ হেট্ৰিক

### ফাইনেলত ৰবি-নবীন-ভিনেছ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ আগষ্ট ঃ** প্ৰত্যাশিতভাৱে চলিত ২২সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত অভিযান আৰম্ভ কৰিছে ভাৰতৰ মল্লযোদ্ধাই। উল্লেখ্য যে মল্লযুঁজৰ প্ৰথমদিনা ভাৰতৰ ছগৰাকী খেলুৱৈয়ে অংশ লৈছিল আৰু আটাইকেইগৰাকীয়ে দেশক পদক দিবলৈ সক্ষম হয়। ইয়াৰে অলিম্পিক পদক লাভ কৰা সাক্ষী মলিক আৰু বজৰং পুনিয়া তথা দীপক পুনিয়াই সোণ লাভ কৰাৰ লগতে ৰূপ লাভ কৰে অংশু মালিকে। আনহাতে, ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ ■ ৮ পৃষ্ঠাত

## অসম আৰু ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস

দৈনন্দিন বাৰ্তা ■ সৰ্বেশ্বৰ দাস



আজি ৭ আগষ্ট, ২০২২ চন। ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস। প্ৰথমবাৰৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০১৫ চনৰ ৭ আগষ্ট তাৰিখে তামিলনাডুৰ মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত উদ্বোধন কৰা ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ আজি অষ্টমসংখ্যক বৰ্ষৰ অনুষ্ঠান সমগ্ৰ দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত উলহ-মালহেৰে পালন কৰা হৈছে। মন কৰিবলগীয়া যে ১৯০৫ চনৰ ৭ আগষ্টৰ দিনটোতে পৰাধীন ভাৰতবৰ্ষত স্বদেশী আন্দোলনৰ (বিদেশী বস্ত্ৰ বৰ্জন) কলিকতাৰ পৰা আৰম্ভ হৈছিল। কাজেই আজিৰ বিশেষ দিনটোৰ মহত্ত্ব এনেও অধিক।

ভাৰতবৰ্ষত বৰ্তমান সময়ত কেন্দ্ৰীয় বস্ত্ৰ বিভাগৰ চৰকাৰী তথ্য মতে প্ৰায় ৩৫.৫ লাখ ■ ৮ পৃষ্ঠাত



# নতুন উপ-ৰাষ্ট্ৰপতি জগদীপ ধানখাড়




**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ আগষ্ট ঃ** দেশে লাভ কৰিলে এগৰাকী নতুন উপ-ৰাষ্ট্ৰপতি। আজি অনুষ্ঠিত উপ-ৰাষ্ট্ৰপতিৰ ভোটত বিজেপি নেতৃত্বাধীন এনডিএ মিত্ৰজোঁটৰ সমন্বিত প্ৰাৰ্থী জগদীপ ধানখাড়ে বিৰোধী দলৰ মনোনীত দেশৰ দ্বিতীয় সৰ্বোচ্চ সাংবিধানিক পদবী উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে আজি দিনৰ ১০ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হৈছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ বাবে দুগৰাকী শাসকীয় এন ডি এৰ পশ্চিমবংগৰ প্ৰাক্তন ৰাজ্যপাল জগদীপ ধানখাড় আৰু উমৈহতীয়া প্ৰাৰ্থী হিচাপে জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী মাৰ্গাৰেট আলভাই প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। এই উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত লোকসভাৰ ৫৪৩ গৰাকী নিৰ্বাচিত আৰু দুগৰাকী মনোনীত ■ ৮ পৃষ্ঠাত






## নগাঁৱৰ গোমোঠা গাঁৱত ৯ বস্তা চোৰাং শামুক জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৬ আগষ্ট ঃ** নগাঁৱৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত গোমোঠা গাঁৱত ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত শনিবাৰে উদ্ধাৰ হয় ৯ বস্তাকৈ চোৰাং শামুক। ইটাচালী টাউন আৰক্ষী চকীৰ অন্তৰ্গত গোমোঠা গাঁৱত আজি পুৱা ৯ মান বজাত উদ্ধাৰ হয় এই শামুক ভৰ্তি বস্তাসমূহ। এই ঘটনাই অঞ্চলটোত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। জানিব পৰা ■ ৮ পৃষ্ঠাত

## মৰিগাঁৱত গৰু ব্যৱসায়ত জড়িত বাংলাদেশী নাগৰিকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৬ আগষ্ট ঃ** মৰিগাঁৱত জেহাদীৰে জড়িত মাদ্ৰাছাৰ প্ৰধান মুফতি মহম্মদ মোস্তাফা আৰু আফছাৰুদ্দিন ভূএগক গ্ৰেপ্তাৰ কৰাৰ পিছতেই আজি জিলাখন লাহৰীঘাটৰ গৰৈমাৰীত মৰিগাঁও আৰক্ষীয়ে কালি নিশা আটক কৰে এজন বাংলাদেশী। মৰিগাঁও আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত আটক কৰা বাংলাদেশী নাগৰিকজনৰ ■ ৮ পৃষ্ঠাত

**ৰাজস্থানত ৫০০০ৰো অধিক গৰুৰ মৃত্যু**

## ভয়াৱহ ৰূপত লাম্পি ৰোগ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ আগষ্ট ঃ** ৰাজস্থানত ছালৰ লাম্পি ৰোগে উদ্বেগৰ সৃষ্টি কৰিছে। এতিয়ালৈকে ৰোগ বিধত আক্ৰান্ত হৈ ৫,০০০তকৈও অধিক গৰুৰ মৃত্যু ঘটিছে। জয়পুৰ পৌৰ নিগমে চহৰখনৰ হিংগোনিয়া গোশালাত ৰাজ্যখনৰ প্ৰথমটো কেন্দ্ৰ মুকলি কৰিছে। এই কেন্দ্ৰত আক্ৰান্ত গৰুৰ পৰিচৰ্যা কৰি থকা হৈছে। লাম্পি হৈছে এক ছালৰ ৰোগ। ই এক ভাইৰেল সংক্ৰমণ, যি গৰুক ধৰাশায়ী কৰে। বৰ্তমান ভাৰতত বিশেষকৈ ৰাজস্থান আৰু পঞ্জাবত গৰু আৰু ভেড়াক এই ছালৰ ■ ৮ পৃষ্ঠাত

## ঠিকাদাৰৰ পৰা উৎকোচ লৈ হাতেলোটে ধৰা পৰিল ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক



**গুৰুপ্ৰসাদ খাটনিয়াৰৰ কাণ্ডত লজ্জিত শৈক্ষিকমহল**

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৬ আগষ্ট ঃ** উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত পঞ্জীয়কৰ দায়িত্বত থকা এজন ব্যক্তিয়ে ঠিকাদাৰৰ পৰা কমিচন বিচাৰি আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱা কাৰ্যই ৰাজ্যত ■ ৮ পৃষ্ঠাত

## ৰোগীয়ে দহ টকা দিব খুজি উপহাৰ পালে পাঁচশ টকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৬ আগষ্ট ঃ** চিকিৎসা সেৱাৰ নামত একাংশ চিকিৎসকে ধন লোৱা কিম্বা ৰোগীৰ পৰা ধন বিচৰা আদি সময়ে সময়ে সংবাদ মাধ্যমত অভিযোগ - প্ৰতিভিযোগ উত্থাপন হৈ অহাৰ সময়ত দৰঙৰ পাথৰিঘাট মহকুমা স্বাস্থ্য কেন্দ্ৰত ডাঃ আজিমুদ্দিন আহমেদে দেখুৱাইছে এক অনন্য চানেকি। পূৰ্বৰে পৰা উল্লিখিত চিকিৎসালয়খনৰ চিকিৎসক আজিমুদ্দিন আহমেদে চিকিৎসা সেৱাৰ নামত কৰি অহা দুখীয়া-দৰিদ্ৰৰ সেৱাই ৰাইজৰ মাজত এগৰাকী মানৱ দৰদী চিকিৎসক হিচাপে সু-পৰিচিত হৈ অহাৰ মাজতে আজি ■ ৮ পৃষ্ঠাত

## আমেৰিকা আৰু চীনৰ মাজত কেৱল এবাৰেই হৈছিল পোনপটীয়া যুদ্ধ!

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ আগষ্ট ঃ** টাইৱানক লৈ চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ আকৌ এবাৰ সংঘাতত লিপ্ত হৈছে। কিন্তু ইয়াৰ আগতে এই দুয়োটা ছুপাৰ পাৱাৰৰ মাজত কেৱল এবাৰহে যুদ্ধ হৈছে, অৱশ্যে আমেৰিকাৰ মূল ভূখণ্ডত নহয়। দৰাচলতে কোৰিয়ান যুদ্ধত ■ ৮ পৃষ্ঠাত




*বিভিন্ন দাবীৰ সমৰ্থনত গুৱাহাটীত ডি ৱাই এফ আইৰ প্ৰতিবাদ*

## অ'এনজিচিৰ অসমবিৰোধী স্থিতিৰ বিৰুদ্ধে ১০ আগষ্টত নাজিৰাস্থিত মুখ্য কাৰ্যালয়ত শিৱসাগৰ আছুৰ ধৰ্ণা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৬ আগষ্ট ঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেড অসম সম্পদৰ ভিতৰচ'ৰাত গা কৰি উঠা অনা-অসমীয়া লবীৰ মইমতালিৰ ফলত প্ৰতিষ্ঠানটি অসম বিৰোধী স্থিতিত অৱতীৰ্ণ হোৱাৰ বিস্ফোৰক অভিযোগ ■ ৮ পৃষ্ঠাত



## হৰ ঘৰ ত্ৰিৰংগা শ্ল'গানেৰে মুখৰ আকাশ-বতাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৬ আগষ্ট ঃ** তামুলপুৰৰ জিলা সদৰত আজি দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি হৰ ঘৰ ত্ৰিৰংগাৰ সজাগতা সৃষ্টিৰ ■ ৮ পৃষ্ঠাত

**দেশত ভয়াৱহ ৰূপত বৃদ্ধি ক'ভিড**

## বুষ্টাৰ ড'জ বৃদ্ধিৰ পোষকতা দিল্লীৰ চিকিৎসকৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ আগষ্ট ঃ** দেশত ভয়াৱহভাৱে বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। এনে সময়তে ক'ভিডৰ বুষ্টাৰ ড'জৰ পোষকতা কৰিছে দিল্লীৰ বিশেষজ্ঞ চিকিৎসকে। লোক নায়ক জয় প্ৰকাশ নাৰায়ণ (এলএনজেপি) চিকিৎসালয়ৰ এম ডি ডাঃ সুৰেশ কুমাৰে শনিবাৰে ক'ভিডৰ বৃদ্ধিত উদ্বেগ প্ৰকাশ কৰি ৰাইজক বুষ্টাৰ পালি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ সকলোকে ক'ভিড প্ৰট'কল অনুসৰণ কৰিবলৈও আহ্বান জনায়। ড° কুমাৰে কয়— 'দিল্লীত ক'ভিডৰ ঘটনা বৃদ্ধি পাইছে, চিকিৎসালয়ত ভৰ্তি হোৱাৰ লগতে পজিটিভিৰ হাৰ বৃদ্ধি পাইছে। ৫১জন ক'ভিড ৰোগীক এলএনজেপিত ভৰ্তি কৰোৱা হৈছে আৰু প্ৰতিদিনে ১৪-১৫গৰাকী লোক আক্ৰান্ত হৈছে। এয়া চিন্তাৰ বিষয়।' তেওঁৰ মতে, চিকিৎসালয়ত ভৰ্তি হোৱা মুঠ ■ ৮ পৃষ্ঠাত




*বিজেপিৰ মহিলা মৰ্চাৰ প্ৰশিক্ষণ শিবিৰত বিজেপি নেত্ৰী আঙুৰলতা ডেকা*

## বিপৰীতমুখী প্ৰক্ৰিয়াত বিধ্বস্ত হ'ব পাৰে সু-সমন্বয়

### তাই আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰৰ বিৰুদ্ধে কলিতা আলপাইন জনগোষ্ঠীয় সন্মিলনৰ এজাহাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামতা, ৬ আগষ্ট ঃ** তাই আহোম ছাত্ৰ সন্থাই সংবাদ মাধ্যমৰ জৰিয়তে বিজেপি নেত্ৰী আঙুৰলতা ডেকাক সমালোচনা কৰিবলৈ গৈ অসমৰ ভূমিপুত্ৰ প্ৰাচীনতম কলিতা জনগোষ্ঠীক নানা তীৰ্যক মন্তব্য কৰা কাৰ্যৰ বিৰুদ্ধে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনে গৰিহণা দিয়াই নহয় জাঙুৰ খাই উঠিছে। লগতে শুকুৰবাৰে নিশাই সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ সাধাৰণ সম্পাদক প্ৰতুল কলিতাসহ এটি সঁজাতী দলে তাই ■ ৮ পৃষ্ঠাত

## টুপামাৰীত পথ মেৰামতিৰ দাবীত ছাত্ৰ-ছাত্ৰীৰ উত্তাল প্ৰতিবাদ

**দৈনন্দিন বাৰ্তা সেৱা, নগৰবেৰা, ৬ আগষ্ট ঃ** বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ নগৰবেৰাৰ ৪৫নং টুপামাৰী গাঁও পঞ্চায়তৰ বিধ্বস্ত পথে জলা-কলা খুৱাইছে সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীক। লোক নিৰ্মাণ বিভাগৰ সদা ব্যস্ত পথটোৱে দীৰ্ঘদিনৰে পৰা যাতায়াতৰ নামত যমৰ-যাতনাত ভোগাইছে অঞ্চলবাসীক। কিয়নো লোক নিৰ্মাণ বিভাগৰ পথছোৱাৰে যাবলগীয়া হয় দুখনকৈ বিদ্যালয়ৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে টুপামাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোলৈ যাবলগীয়া হয় ৰোগী অথবা এম্বুলেঞ্চ। ■ ৮ পৃষ্ঠাত

## 'মছজিদ-মাদ্ৰাছাক আমি কেতিয়াও কলুষিত হ'বলৈ নিদিওঁ

**মঙলদৈত গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ প্ৰতিবাদ— 'মৌলবাদী, জেহাদী সন্ত্ৰাসবাদ সাম্প্ৰতিক পৰিস্থিতিত অসমৰ আটাইতকৈ চৰ্চিত চিন্তনীয় বিষয় হৈ পৰিছে**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৬ আগষ্ট ঃ** আমি সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে কেতিয়াও কোনোকালে যিকোনো পৰিস্থিতিতে দেশবিৰোধী, জাতিদ্ৰোহী কাৰ্যকলাপ সহ্য কৰিব নোৱাৰো। এইক্ষেত্ৰত আমি কেতিয়াও হাত সাবটি বহি নাথাকো। শ শ বছৰ ধৰি এইখন অসমত আমি শান্তি-সম্প্ৰীতিৰে বসবাস কৰি ■ ৮ পৃষ্ঠাত



## জটিল ৰোগত আক্ৰান্ত এসময়ৰ মেধাৱী ছাত্ৰ ৰূপজ্যোতিলৈ উন্নত চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য

**'দৈনন্দিন বাৰ্তা'ৰ বাতৰিৰ প্ৰভাৱ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ ৰহা সমষ্টিৰ অন্তৰ্গত মাহৰিআটী গাঁৱৰ এসময়ৰ মেধাৱী ছাত্ৰ ৰূপজ্যোতি বেজবৰা spondylopathies নামৰ এক জটিল ৰোগত আক্ৰান্ত হৈ থকাৰ দুখৰ কাহিনী সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিছত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তাৎক্ষণিকভাৱে নগাঁও সদৰ সমষ্টিৰ



বিধায়ক ৰূপক শৰ্মাৰ জৰিয়তে ৰূপজ্যোতিলৈ এক লাখ টকাৰ আৰ্থিক অনুদান আগবঢ়ায়। উল্লেখ্য যে ১৯৯৬ চনত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত নগাঁও মহাবিদ্যালয়ৰ পৰা অৱতীৰ্ণ হৈ ৰূপজ্যোতি বেজবৰাই অসমৰ ভিতৰতে ষষ্ঠ স্থান লাভ কৰি নগাঁও জিলালৈ সুনাম কঢ়িয়াই আনিছিল। পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। কিন্তু উচ্চ শিক্ষাৰে শিক্ষিত হৈও চৰকাৰী মেৰপেঁচৰ বাবে সেই সময়ত এইগৰাকী মেধাসম্পন্ন যুৱকে এটা চৰকাৰী চাকৰি যোগাৰ কৰিব নোৱাৰিলে। অৰ্হতা ■ ৮ পৃষ্ঠাত

### মুক্তি যুঁজাৰু সন্মিলনৰ সংবাদ মেল

# শিৱসাগৰত ৰাজ্যিক পৰ্যায়ত ৯ আগষ্টত অনুষ্ঠিত হ'ব ভাৰত ত্যাগ আন্দোলনৰ স্মৃতি ৰোমন্থন সমাৰোহ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৬ আগষ্ট ঃ** ভাৰত ত্যাগ আন্দোলনৰ আশী সংখ্যক দিৱসটি এইবাৰ অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলন আৰু শিৱসাগৰ জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত তথা অসম চৰকাৰৰ সহযোগিতাত অহা ৯ আগষ্টত শিৱসাগৰ নগৰৰ যুৱদ'লত ভাৰত ত্যাগ আন্দোলনৰ স্মৃতি ৰোমন্থন সমাৰোহ উদ্‌যাপন কৰা হ'ব। এই সন্দৰ্ভত শিৱসাগৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যালয়ত এক সংবাদ মেল সম্বোধন কৰি বিশদ কাৰ্যসূচী সদৰী কৰে। পুৱা ৫ বজাৰ পৰা বিভিন্ন অনুষ্ঠানৰ লগতে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা আৰু দিনৰ ১১ বজাত ভাৰত ত্যাগ আন্দোলনৰ স্মৃতি ৰোমন্থনৰ মুকলি সভা মুক্তিযুঁজাৰু কৃষ্ণকান্ত লহকৰৰ সভাপতিত্বত অনুষ্ঠিত হ'ব। সাংসদ তপন গগৈ, মন্ত্ৰী যোগেন মহন, ৰণোজ পেগু, অখিল গগৈ আদি উপস্থিত থাকিবলগীয়া এই স্মৃতি সমাৰোহত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক সচিব দেৱপ্ৰসাদ মিশ্ৰ, যুটীয়া গৃহ আৰু ৰাজনৈতিক সচিৱ অনিমেষ তালুকদাৰ আৰু অখিল ভাৰতীয় মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰধান সম্পাদক নিত্যানন্দ শৰ্মাই নিৰ্দিষ্ট বক্তৃৰূপে উপস্থিত থাকিব বুলি আজিৰ সংবাদ মেলত সদৰী কৰে। মুক্তিযুঁজাৰু সন্মিলনৰ হৈ সহকাৰী সাধাৰণ সম্পাদক যোগেন বৰগোহাঁই, কাৰ্যবাহী সদস্য গৌতম বৰগোহাঁই, কাৰ্যবাহী সদস্য ভুবন চন্দ্ৰ গগৈ আৰু যুটীয়া সম্পাদক সুশীল বৰুৱাই আজিৰ সংবাদমেল সম্বোধন কৰে। উল্লেখ্য যে অসমৰ সৰহসংখ্যক মুক্তিযুঁজাৰুৰ ইতিমধ্যে মৃত্যু ঘটিছে আৰু অৱশিষ্টসকলৰ আগন্তুক কিছুবছৰৰ পাছত মৃত্যু হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ইত্যাদি মুক্তিযুঁজাৰু পৰিয়ালবৰ্গই সৰ্বসন্মত সিদ্ধান্তমৰ্মে 'অসম ৰাজ্যিক মুক্তিযুঁজাৰু উত্তৰাধিকাৰী সন্মিলন' নামৰ এক অনুষ্ঠান গঠন কৰি মুক্তি যুঁজাৰুসকলৰ স্বাৰ্থ-অধিকাৰ জীয়াই ৰখাৰ চেষ্টা কৰিব বুলিও আজিৰ সংবাদ মেলত সদৰী কৰে।



# বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দিৱস বৰদলৈৰ উদ্যোগত ৭৬সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৬ আগষ্ট ঃ** দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱস সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ কামৰূপ জিলাৰ বকোতো উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰা হয় স্বাধীনতা দিৱসৰ কাৰ্যসূচী। বিগত বছৰবোৰৰ দৰে এই বৰ্ষতো আনুষ্ঠানিকভাৱে উদ্‌যাপনৰ প্ৰস্তুতি চলিছে স্বাধীনতা দিৱস। ইফালে সমাগত স্বাধীনতা দিৱস কেন্দ্ৰীয়ভাৱে উদ্‌যাপন কৰিবলৈ আজি বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত আয়োজন কৰে এখন সাধাৰণ সভা। এই সভাতেই বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দিৱস বৰদলৈক সভাপতি; কাৰ্যকৰী সভাপতি হিচাপে বিডিঅ' অৰ্ণৱ কুমাৰ বৰুৱা আৰু মনোৰঞ্জন কলিতাক সম্পাদক হিচাপে আৰু বহুকেইজন বিশিষ্ট ব্যক্তিক কাৰ্যকৰী সদস্য মনোনীত কৰি গঠন কৰে স্বাধীনতা দিৱস উদ্‌যাপন সমিতিখন। সভাতেই আগন্তুক স্বাধীনতা দিৱসৰ কাৰ্যসূচী ৰূপায়ণৰ ওপৰত আলোকপাত কৰে। দেশত চলি থকা আজাদী কা অমৃত মহোৎসৱৰ আধাৰত কুইজ প্ৰতিযোগিতা, প্ৰীতি ক্ৰিকেট খেল, চিত্ৰাংকন প্ৰতিযোগিতা, অসম বীৰ লাচিত বৰফুকনৰ ওপৰত ৰচনা লিখা প্ৰতিযোগিতা, হৰ ঘৰ ত্ৰিৰংগা ব্যৱহাৰ আদিকে ধৰি বহু কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাতেই কুইজ প্ৰতিযোগিতাৰ সঞ্চালক হিচাপে বকো উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অৰ্ণৱ কুমাৰ বৰুৱাক মনোনীত কৰা হয় আৰু বকো ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক জ্ঞানেন্দ্ৰ কলিতাক সম্পাদক আৰু সহযোগী হিচাপে ৰঞ্জিত দলৈ আৰু ছাত্ৰ সন্থাৰ সম্পাদক অজিত আলীক দায়িত্ব দিয়ে। প্ৰীতি ক্ৰিকেট খেলৰ বাবে বকোৰ সামাজিক আৰু সাংস্কৃতিক সংস্থা বগাই আৰু বিদ্যুৎ বিকাশ বৰুৱাক দায়িত্ব দিয়া হয়। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি চক্ৰ বিষয়াৰ এলেকাৰ অধিনৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব। সভাত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন দত্ত, বিডিঅ' অৰ্ণৱ কুমাৰ বৰুৱা, বকো আৰক্ষী থানাৰ সহকাৰী বিষয়া, অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়া, বকো প্ৰেছক্লাবৰ একাধিক সাংবাদিক, বৃহত্তৰ অঞ্চলটোৰ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ বিষয়া, সহকাৰী বিষয়াসকলৰ উপৰিও অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জাতীয় সংগঠনৰ নেতৃবৃন্দই অংশগ্ৰহণ কৰে।

# পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন, কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৬ আগষ্ট ঃ** তীৰ্থনগৰী হাজোৰ বামুন্দীত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বামুন্দী শাখা ছাত্ৰ সন্থাৰ সহযোগিতাত বামুন্দী উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত কালি এখন বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। সেই অনুসৰি পুৱা দহ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাসে। শ্বহীদ তৰ্পণ মুকলি কৰে পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰুবুল কলিতাই। গছপুলি ৰোপণ কৰে বামুন্দী হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি মনোৰঞ্জন শৰ্মাই। দিনৰ বাৰ বজাত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ধ্ৰুৱজ্যোতি দাসৰ সভাপতিত্বত অভিনন্দন অনুষ্ঠানৰ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভা খন উদ্বোধন কৰে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতাই কয় যে কৃতী ছাত্ৰ-ছাত্ৰীসকলে কেৱল অভিনন্দন গ্ৰহণ কৰিয়েই নিজৰ দায়িত্ব সামৰিলে নহ'ব, অভিনন্দন গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ উত্তৰণৰ ক্ষেত্ৰত সবল ভূমিকা লৈ এখন নিকা সমাজ গঢ়ি তোলাৰ বাবেই নেতৃত্ব দিব লাগিব। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে কয় যে দিল্লীৰ নিৰ্দেশত অসমীয়া ভাষাৰ ধ্বংসৰ ষড়যন্ত্ৰ কৰিছে ৰাজ্য চৰকাৰে। দিল্লীৰ প্ৰত্যক্ষ নিৰ্দেশত ৰাজ্যখনৰ চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানত গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমৰ জৰিয়তে পাঠদান কৰি অসমীয়া ভাষা ধ্বংসৰ ষড়যন্ত্ৰ কৰিছে ৰাজ্য চৰকাৰে। সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি সূৰ্যকান্ত কলিতাই কয় যে জীৱনৰ গতিপথ একেবাৰে খলাবমা। গতিকে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ ক্ষেত্ৰত সঠিক পথেৰে আগবাঢ়ি যাব লাগিব। এনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সমাজ, ঘৰখনৰ উপৰিও জাতীয় জীৱনৰ প্ৰতিও সদায়েই সজাগ হৈ দায়িত্ব পালন কৰিব লাগিব বুলিও উল্লেখ কৰে। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাস, কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাস, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি ভৱজ্যোতি ডেকা, প্ৰাক্তন সভাপতি দিবাকৰ কলিতা, কৃষি বিপণন পৰিষদৰ প্ৰাক্তন বাণিজ্য বিষয়া তীৰ্থ নাথ শৰ্মা, কামৰূপ জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক সুৰজিৎ কলিতা, বামুন্দী হাইস্কুলৰ প্ৰধান শিক্ষক বিপুল কুমাৰ বৰা, বিশিষ্ট সমাজকৰ্মী গুৰুপ্ৰসাদ শৰ্মা, পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা জয়ন্ত শালৈ, অনুপ দাস, মানৱ ঠাকুৰীয়া, ধনজিৎ কুমাৰ নাথ, দেৱাশিস শৰ্মা, শিক্ষা সম্পাদক অভিজিৎ দাস, বামুন্দী শাখা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল কলিতা, সাধাৰণ সম্পাদক চন্দন মহন্তকে ধৰি ভালেমান গণ্য-মান্য বিশিষ্ট লোক তথা ছাত্ৰ-ছাত্ৰী অভিভাৱক অভিভাৱিকাসকল উপস্থিত থাকে। এই সভাতেই অঞ্চলটোৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন ছাত্ৰ-ছাত্ৰীসকলক গামোচা, জাপি আৰু প্ৰশস্তি-পত্ৰৰে অভিনন্দন জ্ঞাপন কৰাৰ লগতে শিক্ষাগুৰু আৰু অঞ্চলটোলৈ ক্ৰীড়াৰ ক্ষেত্ৰত সুনাম কঢ়িয়াই অনা ছাত্ৰী ডৰিয়নী কলিতা আৰু পৰীণিতা ভূঞাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী দীপলীনা ডেকাই গীত পৰিৱেশন কৰি উপস্থিত লোকসকলক আপ্লুত কৰে। বন্তি প্ৰজ্বলনৰে অনুষ্ঠানৰ সামৰণি হয়।

# কলকাতাত উন্মোচন হ'ল চন্দ্ৰমা শৰ্মাৰ উপন্যাসিকা অনুৰাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দিপীলা, ৬ আগষ্ট ঃ** কলকাতাৰ ৰাষ্ট্ৰীয় কবি সন্মিলনত উন্মোচন হ'ল কবি, নাট্যকাৰ চন্দ্ৰমা শৰ্মাৰ উপন্যাসিকা অনুৰাগ। প্ৰজ্ঞা মেইল আৰু আজিৰ কবিতাৰ সহযোগত কলকাতাৰ ৰবীন্দ্ৰ তীৰ্থত আয়োজিত ৰাষ্ট্ৰীয় কবি সন্মিলনত চন্দ্ৰমা শৰ্মাৰ উপন্যাসিকাখনি উন্মোচন হৈ যায়। গ্ৰন্থখনি উন্মোচন কৰে হিন্দী প্ৰজ্ঞা মেইলৰ সম্পাদক অৰুণ কুমাৰ বৰ্মনে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে সাংবাদিক ড° ভবেন দাস, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্যিক দীলস্ লক্ষ্মীন্দ সিংহ, আজিৰ কবিতাৰ সম্পাদক বিনয় চলিহা, বিশ্ব বাংলা সাহিত্য সভাৰ সুব্ৰতা দাস, বিশিষ্ট সাংবাদিক ড° মানস বেনাৰ্জী, কবি, অসম পুলিচৰ পৰিদৰ্শক গিৰীশ চন্দ্ৰ ডেকা। উক্ত কবি সন্মিলনত চন্দ্ৰমা শৰ্মাই এখন অৰণ্যৰ দুৱাৰ নামৰ কবিতা এটিও পাঠ কৰে। আনহাতে চন্দ্ৰমা শৰ্মাৰ পুত্ৰ শিশু কবি নীৰৱ কাশ্যপে পখিলা কবিতাৰ হিন্দী অনুবাদ টিটলি পাঠ কৰি সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হয়। নীৰৱ কাশ্যপ দৰং জিলাৰ নৰ্থ-ইষ্ট একাডেমীৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ। উল্লেখ্য, দৰং জিলাৰ বাঘৰবাৰীত জন্ম গ্ৰহণ কৰা চন্দ্ৰমা শৰ্মা ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত অৱস্থাত লিখা ফুলনি নামৰ কবিতাৰে কাব্যজগতত সোমাই পৰিছিল। পৰৱৰ্তী সময়ত দশম শ্ৰেণীৰ পৰা একাগ্ৰতাৰে কবিতাৰ উপৰিও একাঙ্কিকা নাট, গল্প, প্ৰবন্ধ, গীত আদি ধাৰাবাহিকভাৱে লিখি শ্ৰোতা ৰাইজক উপহাৰ দিয়ে। চন্দ্ৰমা শৰ্মাৰ কেইখনমান উল্লেখ্য গ্ৰন্থ-উপহাৰ (কবিতা) প্ৰকাশক দৰং জিলা সাহিত্য সভা (২০০৭) মহা প্ৰস্থানৰ হাঁহি (একাঙ্কিকা নাট সংকলন-তিনিখন নাটৰ সমষ্টি)প্ৰকাশক ডিফু লেখিকা সমাৰোহ সমিতি,কাৰ্বি আংলং (২০১১) ঠিকনা (কবিতা সংকলন)প্ৰকাশক -দৰং জিলা সাহিত্য সভা (২০২০) এটি শব্দৰ গান প্ৰকাশক- মেজাংকৰি প্ৰকাশন (২০২২) অনুৰাগ (উপন্যাসিকা) মেজাংকৰি প্ৰকাশন ৰবীন্দ্ৰতীৰ্থ, কলকাতা (২০২২)। এতিয়ালৈ প্ৰায় ৫ সহস্ৰাধিক কবিতা শ্ৰোতাক উপহাৰ দিবলৈ সক্ষম হৈছে।

# 'হাতীক অসুৰক্ষিত কৰা হ'ল'

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৬ আগষ্ট ঃ** অলপতে লোকসভাত গৃহীত হোৱা বন্যপ্ৰাণী (সুৰক্ষা)বিধেয়কত হাতীৰ সৰবৰাহ আৰু হস্তান্তৰত থকা আইনী বাধা উঠাই দিয়াৰ ফলত হস্তীকুল অসুৰক্ষিত হৈ পৰিল। ই হাতীৰ ওপৰত মানুহৰ অত্যাচাৰো বৃদ্ধি কৰিব। প্ৰকৃতি সংগঠন অৰণ্য সুৰক্ষা সমিতি, অসমে লোকসভাত অলপতে গৃহীত বন্যপ্ৰাণী সুৰক্ষা বিধেয়কৰ সন্দৰ্ভত এনেদৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰকাশ কৰা এক বিজ্ঞপ্তিত অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান ড° হৰিচৰণ দাসে কয় যে অসমৰ দৰে হাতী বৈচিত্ৰ্য সমৃদ্ধ ৰাজ্যবোৰৰ বাবে ই অশুভজনক । উত্তৰ-পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্য সুৰক্ষাত এই আইনে বিপৰীত প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি হাতীৰ সুৰক্ষাৰ স্বাৰ্থত আগৰ আইনী ব্যৱস্থা বলৱৎ ৰখাৰ বাবে অৰণ্য সুৰক্ষা সমিতিয়ে দাবী জনায়।

### ন-দিহিং কাব্যালোচনীৰ বঁটা ঘোষণা

# বিশিষ্ট কবি হৰেন গগৈ আৰু কৌস্তুভমণি শইকীয়া দত্তলৈ ন-দিহিং কাব্য বঁটা-২০২২

### ড° নিৰোদ গোহাঁইলৈ 'কাব্যজ্যোতি বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৬ আগষ্ট ঃ** সাহিত্য আৰু সংস্কৃতিৰ পথাৰখনত সময়ে সময়ে ভিন্ন কাৰ্যসুচী ৰূপায়ন কৰি অহা ন-দিহিঙে ২১ আগষ্টত তিনিচুকীয়া জিলাৰ পৰা প্ৰকাশিত একমাত্ৰ মাহেকীয়া কাব্যালোচনী দিহিঙৰ ন-দিহিং কাব্য বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰিছে। জিলাখনৰ ডাঙৰীস্থিত হালালী যুৱ মঞ্চৰ আমন্ত্ৰণ আৰু অনুপ্ৰেৰণাত হালালী ভৱনত দিনজোৰা কাৰ্যসূচীৰে এই কাৰ্যসুচী আয়োজনৰ প্ৰস্তুতি কৰিছে। অনুষ্ঠানত এই বছৰৰ ন-দিহিং কাব্য বঁটা- ২০২২ আগবঢ়াব শিৱসাগৰ জিলা মেটেকাৰ বিশিষ্ট কবি হৰেন গগৈ আৰু তিনিচুকীয়াৰ বিশিষ্ট কবি কৌস্তুভমণি শইকীয়া দত্তক। অনুষ্ঠানত তিনিচুকীয়া জিলাৰ লগতে ডাঙৰী, তালাপ অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত সু-সংগঠক, সমাজসেৱক জ্যোতিপ্ৰসাদ সোণোৱালৰ সোঁৱৰণত ন-দিহিঙে ''কাব্যজ্যোতি বঁটা' প্ৰদান কৰিব অসমীয়া সাহিত্য, সমাজ-সংস্কৃতিলৈ অৱদান আগবঢ়োৱা বিশিষ্ট লেখক, প্ৰতিষ্ঠিত কবি তথা মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰবক্তা ড° নিৰোদ গোহাঁইক। অনুষ্ঠানত বিশিষ্ট কবি শ্বৰীফা খাতুন চৌধুৰী, বিশিষ্ট লেখক শৰৎ চন্দ্ৰ চিৰিং ফুকন, বিশিষ্ট লেখক লভিত শইকীয়া, বিশিষ্ট সমাজসেৱক কৰুণা সোণোৱাল, বিশিষ্ট অনুবাদক ড° ৰঞ্জিত দত্ত, জ্যেষ্ঠ সাংবাদিক শান্তনু গোস্বামী, বিশিষ্ট সমাজসেৱক লক্ষ্মীনাৰায়ণ বাৰ্মা, লেখিকা ময়ূৰী শৰ্মা বৰুৱা, লেখিকা ড° ৰুণজুন শইকীয়া, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক টিকাৰাম চেত্ৰী, কবি বন্দনা দাস দত্ত, চিকিৎসক ডাঃ দিলীপ কুমাৰ ফুকন, সমাজসেৱক বিৰাজ সোণোৱাল, সমাজসেৱক সন্তোষ কুমাৰ ভক্তিয়াৰীক ন-দিহিঙে বিশেষ সম্বৰ্ধনা জনাব। ইয়াৰ উপৰিও বিভিন্ন দিশৰ আঠ গৰাকী যুৱক ক্ৰমে— পৰিৱেশ কৰ্মী ঋতুৰাজ বৰুৱা, কবি মাধুৰিমা বড়া, সংগঠক উত্তম সোণোৱাল, চিত্ৰশিল্পী প্ৰবীণ সোণোৱাল, উদীয়মান যুৱকৰ্মী বিতুল হাজৰিকা, যুৱ ব্যৱসায়ী চুচেন সোণোৱাল, ক্ৰীড়া সংগঠক হৰপ্ৰসাদ সোণোৱালকে ধৰি আন কে'বাজনো ব্যক্তিক যুৱ সম্বৰ্ধনা জনোৱা হ'ব। অনুষ্ঠানত অসমৰ কে'বাগৰাকীও বিশিষ্ট লেখক, সাহিত্যিক উপস্থিত থকাৰ উপৰিও কে'বাখনো জিলাৰ আমন্ত্ৰিত কবিয়ে অংশগ্ৰহণ কৰাৰ লগতে কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব বুলি আলোচনীখনৰ মুখ্য সম্পাদক ৰতন শদিয়ালে জানিবলৈ দিছে।

# নগৰবেৰাৰ ভখুৱাদিয়া পাৰঘাটৰ জৰাজীৰ্ণ কাঠৰ দলং মেৰামতিৰ লগতে পকী দলং নিৰ্মাণৰ দাবীৰে ৰাইজৰ প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৬ আগষ্ট ঃ** নগৰবেৰাৰ দোকুচি ভখুৱাদিয়া ৰঙ্গেশ্বৰী পাহাৰপাৰা পাৰঘাটত থকা কাঠৰ দলং মেৰামতিৰ কৰাৰ লগতে এখন স্থায়ী পকী দলং নিৰ্মাণৰ বাবে ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। জানিব পৰা মতে নগৰবেৰাৰ জলজলী নৈৰ ওপৰত দুবছৰ পূৰ্বে ৰাইজৰ গাঁঠিৰ ধন ব্যয় কৰি ৰাইজৰ সুবিধাৰ্থে অসমৰ সৰ্ববৃহৎ কাঠৰ দলং নিৰ্মাণ কৰিছিল। পিছে ৰহস্যজনকভাৱে কেইমাহমান পূৰ্বে চৰকাৰ তথা লোকনিৰ্মাণ বিভাগে দলং নিৰ্মাণ দাবী সমিতিৰ পৰা দলংখন নিজৰ কব্জাত নিয়ে আৰু তেতিয়াৰ পৰাই দলংখন কোনোধৰণৰ মেৰামতি বা পুনৰ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই। যাৰ ফলত দলংখনৰ মাজত কে'বাটাও অংশ জহি-খহি গৈছে। প্ৰায়ে দলংখনত সংঘটিত হয় সৰু-বৰ দুৰ্ঘটনা। সদাব্যস্ত দলংখন জহি-খহি যোৱাত পুনৰ মেৰামতি দূৰৰে কথা, দলংখনৰ ওপৰেদি ই-ৰিক্সা বা গধুৰ যান-বাহন চলাচল বন্ধৰ ফলক আঁৰি দায়িত্ব সামৰে বুলি ৰাইজে অভিযোগ উত্থাপন কৰে বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে। ইপিনে, সৰু-সুৰা যান-বাহন দলংখনৰ ওপৰেদি চলাচল কৰিব নোৱাৰাৰ ফলত কেইমাহ ধৰি যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে অঞ্চলটোৰ হাজাৰ হাজাৰ কৃষক ৰাইজ। ফলত আজি পুৱাৰ ভাগতে অঞ্চলটোৰ শ শ ৰাইজে একগোট হৈ বিভাগীয় কৰ্তৃপক্ষ আৰু চৰকাৰৰৰ বিৰুদ্ধে পথ অৱৰোধ কৰি বিভিন্ন শ্ল'-গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শীঘ্ৰে মৰণফান্দস্বৰূপ জৰাজীৰ্ণ কাঠৰ দলংখন মেৰামতি কৰাৰ লগতে জলজলী নৈৰ ওপৰত এখন স্থায়ী পকী দলং নিৰ্মাণ কৰিবলৈ চৰকাৰ তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবাদৰ যোগেদি দাবী জনাইছে অঞ্চলবাসী ৰাইজে।

# ১৩ আগষ্টত ধুবুৰীত ৰাষ্ট্ৰীয় লোকআদালত

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৬ আগষ্ট ঃ** ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশনাত অহা ১৩ আগষ্টত দেশৰ বিভিন্ন জিলাৰ লগতে ধুবুৰী জিলাতো ৰাষ্ট্ৰীয় লোকআদালত অনুষ্ঠিত হ'ব। মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ গোচৰ, চেক বাউন্সজনিত গোচৰ, আপোচযোগ্য ফৌজদাৰী গোচৰ, গাৰ্হস্থ্য হিংসা তথা খোৰাকীজনিত গোচৰ, যান-বাহন আইন সংক্ৰান্তীয় গোচৰ আদিৰ আপোচ মীমাংসাৰ জৰিয়তে লোক আদালতত নিষ্পত্তি কৰা হ'ব। বিচাৰাধীন গোচৰৰ বাহিৰেও ভৱিষ্যতে গোচৰ দাখিল হোৱাৰ সম্ভাৱনা থকা বেংকৰ ঋণ আদায়জনিত গোচৰ, বিদ্যুৎ বিভাগৰ বকেয়া মাচুল আদায়জনিত গোচৰ আদিৰ বাবেও লোকআদালত অনুষ্ঠিত হ'ব। উক্ত গোচৰসমূহৰ ক্ষেত্ৰত 'প্ৰাক লোকআদালত সমঝোতা বৈঠক'ৰ ব্যৱস্থা কৰা হৈছে। বৈঠকত মধ্যস্থতাকাৰীসকলৰ হস্তক্ষেপত আলোচনাৰ মাধ্যমেৰে বিবাদ নিষ্পত্তি কৰা হ'ব, যাতে ভৱিষ্যতে আদায়জনিত গোচৰ আদালতত দাখিল কৰিবলগীয়া নহয়। যদি কোনোবাই ইতিমধ্যে তেনেধৰণৰ গোচৰৰ জাননী পাইছে বা ভৱিষ্যতে পোৱাৰ সম্ভাৱনা আছে তেওঁলোকে প্ৰাক্ লোকআদালতৰ বৈঠকত যোগদান কৰি নিজৰ বিবাদ বা গোচৰ নিষ্পত্তিৰ সুবিধা পাব বুলি ধুবুৰী আইন সেৱা প্ৰাধিকাৰীৰ তৰফৰ পৰা জনোৱা হৈছে।

# ৰাভা হাছং পৰিষদৰ শৈক্ষিক পুঁজিৰে স্কুল বেগ-বহী আৰু উচ্চ মাধ্যমিকত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক জলপানিৰ সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৬ আগষ্ট ঃ** ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ শৈক্ষিক উন্নয়ন পুঁজিৰে আজি কামৰূপ জিলাৰ ২৭নং বকো পৰিষদীয় সমষ্টিৰ পাৰিষদ সুমিত ৰাভাই বিতৰণ কৰে স্কুলবেগ আৰু বহী। উল্লেখ্য যে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ সুমিত ৰাভাৰ তৎপৰতাত আজি বকোৰ জাৰাপাৰা পূৰ্ণ চন্দ্ৰ দাস প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰে স্কুলবেগ আৰু বহী বিতৰণ কাৰ্যসূচী। আজি পুৱা ১০ বজাত আনুষ্ঠানিকভাৱে বেগ আৰু বহী বিতৰণ কৰা কাৰ্যসূচীত উপস্থিত থাকে নিখিল ৰাভা মহিলা পৰিষদৰ কেন্দ্ৰীয় সভানেত্ৰী ললিতা ৰাভা, আঞ্চলিক পঞ্চায়তৰ সদস্য তনু ৰাভা, ৰাভা হাছং পৰিষদৰ বকো সমষ্টিৰ সম্পাদক অমৰেন্দ্ৰ অধিকাৰী, গাঁও উন্নয়ন সমিতিৰ সভাপতি গিৰীশ ৰাভাস, প্ৰাক্তন সভাপতি বিমল ৰাভা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সুকমল ৰাভাকে ধৰি বহুকেইজন বিশিষ্ট অতিথি। বিদ্যালয়খনৰ প্ৰধান শিক্ষক হৰি চন্দ্ৰ কলিতাই আঁত ধৰা অনুষ্ঠানত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ শৈক্ষিক উন্নতিৰ বাবে আগবঢ়োৱা অনুদানেৰে স্কুল বেগ আৰু বহী বিতৰণ কৰা কাৰ্যসূচীত সহযোগ আগবঢ়াই জাৰাপাৰা অপৰূপা সংঘৰ সভাপতি উৎপল ৰাভাসহ সংঘৰ সদস্যসকলে। ইফালে, সুমিত ৰাভাই জনোৱা মতে বকোৰ দুগৰাকী কৰ্কট আৰু নাৰ্ভৰ ৰোগৰ ৰোগীক পঞ্চাশ হাজাৰ টকাকৈ আৰ্থিক সহায় কৰে। ইফালে, আজিয়েই পৰিষদৰ হেল্‌থ এণ্ড ফেমেলি ৱেলফেয়াৰ পুঁজিৰে জনজাতীয় সমাজৰ ছাত্ৰ-ছাত্ৰীক এককালীন জলপানিৰ সাহায্য প্ৰদান কৰে বকোৰ পৰ্যটন বিভাগৰ পৰিদৰ্শন বংলাত। সাহায্য প্ৰদান কৰা অনুষ্ঠানত উপস্থিত থাকে বকো আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক দিব্য ৰাভাকে ধৰি বহুকেইজন বিশিষ্ট অতিথি।



# ভিডিপিয়ে নিশা পহৰা দিয়া ষ্টেট বেংকৰ এটিএম বিকল

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ৬ আগষ্ট ঃ** দৰঙৰ বুঢ়া আৰক্ষী চকীৰ সমীপৰ বড়বৰী চাৰিআলিত বিগত দুই সপ্তাহে বিকল হৈ আছে এটিএম। ষ্টেট বেংক অব ইণ্ডিয়াৰ এটিএম টো বিকল হৈ থকাত দুৰ্ভোগৰ সীমা নোহোৱা হৈ পৰিছে। নিজৰ সাচতীয়া ধন উলিয়াব নোৱাৰি বিপাঙত পৰিছে ৰাইজ। ইফালে পশ্চিম দৰং অঞ্চলত থকা এই এ টি এম সমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা নিশা ভি ডি পিৰ কৰ্মীসকলক নিয়োজিত কৰা পৰিলক্ষিত হৈছে। ইয়াৰ পিছতো উক্ত এ টি এম সমূহ মাহটোত প্ৰায় দুইযতিনি বাৰ বিকল হৈ থকাৰ উপৰিও নাথাকে পৰ্যাপ্ত ধন। মুঠতে পশ্চিম দৰঙত ষ্টেট বেংকৰ এটিএম সেৱাই জলা-ক'লা খুৱাইছে ৰাইজক। অন্য হাতে বড়বৰীত থকা ষ্টেট বেংকৰ গ্ৰাহক সেৱা কেন্দ্ৰটো নেটৱৰ্কৰ সমস্যাৰ বাবে দুৰ্ভোগ ভোগে ৰাইজে।

**LOST**

I have lost my HSLC final exam original marksheet Roll- B18 647 No. 0001 for the year of 2018.

And also lost my HS final exam original marksheet Roll 0817 No. 20056 for the year of 2020.

Masud Azahar
S/O.- Rafiqul Islam
Mother :- Momtaz Begum
Ph :- 7002871519

**LOST**

I have lost my B. Pharm 5th Semester (Repeater) marksheet having Roll Number : 180510011051 and Registration Number : 195105118.

Name : Kapil Medhi
Howly
Barpeta
Ph.- 8134096518

**LOST**

I have lost my H. S. Passed Marksheet and Certificate bearing Roll- 0813, No- 10049 of 2020.

Salim Aktar
S/O- Ronjan Ali
Vill- No1 Langia
Dist- Nagaon (Assam)
Ph.-8099648649

## ৰাশিফলত আজিৰ দিনটো

**২১ শাওণ, দেওবাৰ, ৭ আগষ্ট, ১৪২৯ ভাস্কৰাব্দ**

**তিথি ঃ শুক্লা দশমী, নক্ষত্ৰ ঃ অনুৰাধা**

**সূৰ্যোদয়- ৪-৫৪-১০ সূৰ্যাস্ত- ৬-২-৮**



■ **মেষ** ঃ সামাজিক দুশ্চিন্তা ■ **বৃষ** ঃ বিবাদত জয়লাভ ■ **মিথুন** ঃ নতুন প্ৰেম ■ **কৰ্কট** ঃ কৌশল আয়ত্ত ■ **সিংহ** ঃ গৃহত শুভ কৰ্মানুষ্ঠান ■ **কন্যা** ঃ শুভ সংবাদ ■ **তুলা** ঃ ঘৰুৱা সম্পদ বৃদ্ধি ■ **বৃশ্চিক** ঃ বন্ধুৰ দ্বাৰা প্ৰতাৰিত ■ **ধনু** ঃ সুন্দৰ পৰিৱেশ ■ **মকৰ** ঃ আপোনজন ওচৰতে ■ **কুম্ভ** ঃ অপ্ৰত্যাশিত মৰম ■ **মীন** ঃ ছাত্ৰীৰ সুনাম।

### মুক্তি যুঁজাৰু সন্মিলনৰ সংবাদ মেল

# শিৱসাগৰত ৰাজ্যিক পৰ্যায়ত ৯ আগষ্টত অনুষ্ঠিত হ'ব ভাৰত ত্যাগ আন্দোলনৰ স্মৃতি ৰোমন্থন সমাৰোহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ৬ আগষ্ট ঃ** ভাৰত ত্যাগ আন্দোলনৰ আশী সংখ্যক দিৱসটি এইবাৰ অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলন আৰু শিৱসাগৰ জিলা মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত তথা অসম চৰকাৰৰ সহযোগিতাত অহা ৯ আগষ্ট তাৰিখে শিৱসাগৰ নগৰৰ যুৱ দ'লত ভাৰত ত্যাগ আন্দোলনৰ স্মৃতি ৰোমন্থন সমাৰোহ উদযাপন কৰা হ'ব।এই সন্দৰ্ভত শিৱসাগৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যালয়ত এক সংবাদ মেল সম্বোধন কৰি বিশদ কাৰ্যসূচী সদৰী কৰে।পুৱা ৫ বজাৰ পৰা বিভিন্ন অনুষ্ঠানৰ লগতে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা আৰু দিনৰ ১১ বজাত ভাৰত ত্যাগ আন্দোলনৰ স্মৃতি ৰোমন্থনৰ মুকলি সভা মুক্তিযুঁজাৰু শ্ৰীকৃষ্ণ কান্ত লহকৰৰ সভাপতিত্বত অনুষ্ঠিত হ'ব।সাংসদ তপন গগৈ,মন্ত্ৰী যোগেন মহন,ৰনোজ পেগু, অখিল গগৈ আদি উপস্থিত থাকিবলগীয়া এই স্মৃতি সমাৰোহত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক সচিৱ দেৱ প্ৰসাদ মিশ্ৰ,যুটিয়া গৃহ আৰু ৰাজনৈতিক সচিৱ অনিমেষ তালুকদাৰ আৰু অখিল ভাৰতীয় মুক্তিযুঁজাৰু সন্মিলনৰ প্ৰধান সম্পাদক নিত্যানন্দ শৰ্মাই নিৰ্দিষ্ট বক্তৃৰূপে উপস্থিত থাকিব বুলি আজিৰ সংবাদ মেলত সদৰী কৰে।মুক্তিযুঁজাৰু সন্মিলনৰ হৈ সহকাৰী সাধাৰণ সম্পাদক যোগেন বৰগোঁহাই,কাৰ্যবাহী সদস্য গৌতম বৰগোঁহাই,কাৰ্যবাহী সদস্য ভুৱন চন্দ্ৰ গগৈ আৰু যুটীয়া সম্পাদক সুশীল বৰুৱাই আজিৰ সংবাদ মেল সম্বোধন কৰে।উল্লেখযোগ্য যে অসমৰ সৰহ সংখ্যক মুক্তিযুঁজাৰুৰ ইতিমধ্যে মৃত্যু ঘটিছে আৰু অৱশিষ্ট সকলৰ আগন্তুক কিছুবছৰৰ পাছত মৃত্যু হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ইত্যাদি মুক্তিযুঁজাৰু পৰিয়াল বৰ্গই সৰ্ব সন্মত সিদ্ধান্ত মৰ্মে "অসম ৰাজ্যিক মুক্তিযুঁজাৰু উত্তৰাধিকাৰী সন্মিলন" নামৰ এক অনুষ্ঠান গঠন কৰি মুক্তি যুঁজাৰু সকলৰ স্বাৰ্থ-অধিকাৰ জীয়াই ৰখাৰ চেষ্টা কৰিব বুলিও আজিৰ সংবাদ মেলত সদৰী কৰে।

# নলবাৰী বালিকৰিয়া বাসুদেৱ দেৱালয় প্ৰাংগণত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান-স্মৃতিচাৰণ সভা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৬ আগষ্ট ঃ** নলবাৰী জিলাৰ বালিকৰিয়া বাসুদেৱ দেৱালয় প্ৰাংগণত আবেলি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। শ্ৰীশ্ৰী বাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ উদ্যোগত আৰু বালিকৰিয়া ৰাইজৰ সহযোগত অনুষ্ঠিত কৰা হয় শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভা। বিগত ২৬ জুলাইত শ্ৰীশ্ৰী বাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী অনন্ত বল্লভ শৰ্মাৰ দেহৰসান ঘটে। সেইমৰ্মে আজি আবেলি বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে শ্ৰীশ্ৰী বালিকৰিয়া বাসুদেৱ দেৱালয়ৰ প্ৰাংগণত বাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী অনন্ত বল্লভ শৰ্মাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ বিয়লি ভাগত প্ৰয়াত অনন্ত বল্লভ শৰ্মাৰ পৰিয়ালবৰ্গৰ দ্বাৰা তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। তদুপৰি এই কাৰ্যসূচীৰ পিছতে গীতা পাঠ আৰু বৰগীত পৰিৱেশন কৰা হয়। আনহাতে, আবেলি স্মৃতিচাৰণ সভাৰ লগতে সন্ধিয়া নাম-প্ৰসংগৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজিৰ এই কাৰ্যসূচীত শ্ৰীশ্ৰী বাসুদেৱ দেৱালয় পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি দীপক চৌধুৰী, সাধাৰণ সম্পাদক হৰিহৰ শৰ্মাসহ ভালেকেইগৰাকী বিশিষ্ট অতিথিৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

# দলিল নাটনিৰ সন্দৰ্ভত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ স্মাৰক-পত্ৰ প্ৰেৰণ

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ আগষ্ট ঃ** বিশ্বনাথ চাৰিআলি সদৰত বিগত কেইবামাহো ধৰি বিভিন্ন মূল্যৰ দলিলৰ অস্বাভাৱিক নাটনিৰ ফলত সাধাৰণ ৰাইজে যথেষ্ট আহুকালৰ সন্মুখীন হ'ব লগীয়া পৰিস্থিতিৰ সৃষ্টি হৈ আহিছে। বিভিন্ন কামত বিশ্বনাথ জিলাৰ বিভিন্ন অঞ্চলৰ ৰাইজ বিশ্বনাথ সদৰৰ ক'ৰ্ট-কাছাৰীলৈ আহে যদিও দলিলৰ অভাৱত বহু কাম কৰিব নোৱাৰি উভতি যাব লগীয়া পৰিস্থিতি পৰিষদৰ দৃষ্টিগোচৰ হৈছে। আনহাতে জিলাখনৰ অন্য কোনো কোনো ঠাইত অধিক মূল্যত দলিল উপলব্ধ হয় বুলি বিভিন্নজনে পৰিষদক ইতিমধ্যে অৱগত কৰিছে। এই দিশৰ ওপৰত দৃষ্টি ৰাখি দলিলৰ ব্যৱসায়ত কোনো অসাধু চক্ৰ জড়িত হৈ আছে যেন পৰিষদৰ অনুভৱ হৈছে। সেয়েহে এই বিষয়টো ওপৰত গুৰুত্ব প্ৰদান কৰি উপযুক্ত তদন্তৰ জৰিয়তে ৰাইজক সকাহ দিবলৈ বিশ্বনাথ জিলাৰ উপায়ুক্তক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ তৰফৰ পৰা এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। আজিৰ এই কাৰ্যসূচীত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য নাচিৰ আহমেদ, বিশ্বনাথ জিলা সমিতিৰ সাধাৰণ সম্পাদক দিগন্ত বৰুৱা, যুটীয়া সম্পাদক নীহাৰ শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে।



# দৃষ্টিহীন পিতৃ-মাতৃক বাট দেখুৱাই সামাজিক মাধ্যমত খলকনি তোলা পাঁচ বছৰীয়া ৰাহুলৰ কাষত উৎপল বণিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ ৰহাৰ পশ্চিম দীঘলদৰিত শহুৰেকৰ ঘৰত আশ্ৰয় লৈ থকা দৃষ্টিহীন দম্পতী ভগেন হীৰা আৰু কেতেকী বণিয়াই তেওঁলোকৰ পাঁচ বছৰীয়া সন্তান ৰাহুল হীৰাৰ হাতত ধৰি খুজি-মাগি জীৱন সংগ্ৰাম চলোৱাৰ কাহিনীয়ে শেহতীয়াকৈ সামাজিক মাধ্যমত ব্যাপক চৰ্চা লাভ কৰাৰ পাছত কণমানি ৰাহুলৰ পিতৃ-মাতৃৰ প্ৰতি থকা অত্যন্ত আনুগত্যতা আৰু কৰ্তব্যনিষ্ঠাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ লগতে মন সেমেকাই তুলিছিল। যোৱা দুদিন ধৰি সামাজিক মাধ্যমত ৰাহুলে পিতৃ-মাতৃৰ হাতত ধৰি বাট বোলাই থকা বিশেষ চৰ্চিত এখন ফটো আৰু পৰিয়ালটোৰ দুৰ্দশাৰ কাহিনী শুনাৰ লগে লগে দৃষ্টিহীন পৰিয়ালটোক সহায়ৰ হাত আগবঢ়াবলৈ ইতিমধ্যে বিভিন্নজন আগবাঢ়ি অহাৰ খবৰ পোৱা গৈছে। তাৰ সমান্তৰালকৈ আজি নগাঁৱৰ ৰণথলী নিবাসী 'ডুগডুগী' প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠিত যুৱ ব্যৱসায়ী তথা যোৱা বিধানসভা নিৰ্বাচনত ৰহা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী উৎপল বণিয়াই পৰিয়ালটোৰ কাষত থিয় হয়। বণিয়াই জনোৱা মতে, আজি সেই দৃষ্টিহীন পৰিয়ালটোৰ বাসগৃহত উপস্থিত হৈ তেওঁলোকৰ জন্ম হোৱা চাৰিদিনীয়া শিশুটিৰ বাবে প্ৰয়োজনীয় কিছু সামগ্ৰীৰ লগতে কিছু আৰ্থিক সাহায্য প্ৰদান কৰে।

# বিহালীৰ বৰগাং ৰে'ল ষ্টেচনৰ সমীপত এগৰাকী অচিনাক্ত মহিলাৰ চলন্ত ৰে'লৰ পৰা জঁপিয়াই আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৬ আগষ্ট ঃ** বৰগাং আৰক্ষী চকীৰ অন্তৰ্গত বৰগাং ৰেল ষ্টেচনৰ সমীপত এগৰাকী মহিলাই ৰে'লৰ পৰা জঁপিয়াই আত্মহত্যা কৰে। তথ্য মতে বৰগাং ৰেল ষ্টেচনৰ পৰা হেলেমৰ দিশে প্ৰায় ২ কিঃমিঃ দূৰৈত এগৰাকী মহিলাই চলন্ত ৰে'লৰ পৰা জঁপিয়াই আত্মহত্যা কৰে বুলি ৰেল'ৱে পুলিচ তথা বিশ্বনাথ ৰে'ল আৰক্ষী বিভাগৰ উপ-পৰিদৰ্শক ঘনকান্ত দাসে জানিবলৈ দিছে। আজি প্ৰায় ১.৩০ মান বজাত লখিমপুৰ অভিমুখী যাত্ৰীবাহী ৰে'লখনৰ পৰা এই মহিলাগৰাগীয়ে জঁপিয়াইছে বুলি অনুমান কৰিছে। লগে লগে বৰগাং আৰক্ষী আৰু ৰে'ল আৰক্ষী সেইস্থানত উপস্থিত হৈ ঘটনাৰ বুজ লয়। ৰে'ল বিভাগৰ ঘনকান্ত দাসে জনোৱা মতে মহিলাগৰাকীৰ পিন্ধনত কমলা ৰঙৰ পাৰীৰ শাড়ী আৰু প্ৰায় ৩৫ বয়সৰ বুলি অনুমান কৰিছে লগতে উল্লেখ কৰে যে মহিলাগৰাকী বেংগলী অথবা বিহাৰী সম্পদায়ৰ হ'ব বুলি ধাৰণা কৰিছে। বৰ্তমান এই অচিনাক্ত মহিলাৰ মৃতদেহটো বিহালীলৈ প্ৰেৰণ কৰিছে। চিনাক্ত নোহোৱা ৭২ ঘণ্টা পৰ্যন্ত বিহালীৰ মৰ্গতে থাকিব বুলিও সাংবাদিকৰ আগত ঘনকান্ত দাসে জনিবলৈ দিছে।

# অসম-বংগ সীমান্তৰ গৰুমৰাচৰত বজ্ৰ পৰি এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ৬ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ অসম-বংগ সীমান্তৰ গৰুমৰাচৰ গাঁৱত আজি বজ্ৰ পৰি এগৰাকী খেতিয়কৰ করুণভাৱে মৃত্যু হয়। গোসাইগাঁও মহকুমা তথা গ্ৰাহামপুৰ আৰক্ষী চকীৰ অন্তৰ্গত গৰুমৰাচৰ গাঁৱৰ বাসিন্দা সৌকত ফকিৰৰ পুত্ৰ আক্তাৰ ফকিৰ (৩৫) নামৰ খেতিয়কগৰাকী আজি ৰাতিপুৱা মৰাপাট কাটিবলৈ খেতি পথাৰলৈ গৈছিল। খেতিপথাৰত মৰাপাট কাটি থকাৰ সময়তে বিজুলী-ঢেৰেকনিৰে হোৱা বৰষুণৰ মাজতে বজ্ৰ পৰি আক্তাৰ ফকিৰৰ থিতাতে মৃত্যু হয়। পিছত পৰিয়ালৰ লোকে খবৰ দিয়াত গ্ৰাহামপুৰ আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিতহৈ অক্তাৰ ফকিৰৰ মৃতদেহ আৰক্ষী চকীলৈ নিয়ে আৰু পিছত মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। মৃত্যুৰ সময়ত আক্তাৰে পত্নীৰ লগতে দুজন পুত্ৰ সন্তান আৰু তিনি জনী কন্যা সন্তানক এৰি যায়।

# কাকপথাৰৰ ন-মাইথং অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাক নিলম্বন

## তিনি দিনৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৬ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যলয়ৰ অন্তৰ্গত ন-মাইথং অংগনৱাড়ী কেন্দ্ৰত খাদ্যত বিষক্ৰিয়া হোৱাৰ ঘটনাৰ তদন্ত তথা বিভাগীয় পক্ৰিয়া সম্পুৰ্ণ নোহোৱালৈকে কাকপথাৰ শিশু বিকাশ প্ৰকল্প বিষয়াক তাৎক্ষণিকভাৱে কেন্দ্ৰটোৰ অংগনৱাড়ী কৰ্মী আৰু সহায়িকাগৰাকীক নিলম্বন কৰিবলৈ জিলা প্ৰশাসনৰ পৰা নিৰ্দেশনা দিয়াত দুয়োগৰাকীক ইতিমধ্যে নিলম্বন কৰিছে। আনহাতে শিশু বিকাশ প্ৰকল্পগৰাকীয়ে দাখিল কৰা প্ৰতিবেদন অনুসৰি জিলা প্ৰশাসনে ঘটনাটো গুৰুত্বসহকাৰে লৈ প্ৰকৃত তথ্য বিচাৰি উলিয়াবৰ বাবে সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ নীলুৰাম শৰ্মাক তদন্তৰ দায়িত্ব অৰ্পন কৰিছে। এই আদেশ পোৱাৰ তিনিদিনৰ ভিতৰত বিষয়াগৰাকীক প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশনা দিছে। উলেখ্য যে কালি স্তনপান সপ্তাহৰ লগত সংগতি ৰাখি আয়োজন কৰা সজাগতা সভাত শিশুসকলৰ বাবে প্ৰস্তুত কৰা চুজিৰ সৈতে গাখীৰ বুলি ফ্লৰ ফেনাইল মিহলি কৰা খাদ্য খাই ১০ টাকৈ কণ কণ শিশু অসুস্থ হৈ পৰিছিল। ইয়াৰে ৮টি শিশুক তিনিচুকীয়ালৈ উন্নত চিকিৎসাৰ বাবে লৈ যোৱা হৈছিল। সেইমতে শিশুসকলক উন্নত চিকিৎসা সেৱা কৰিছিল। বৰ্তমানে শিশু কেইটি সুস্থ হৈ উঠিছে। এই খবৰে সকলোকে আনন্দিত কৰিছে।

# বিশ্বনাথত অসম ৰাইফলছৰ উদ্যোগত হৰ ঘৰ ত্ৰিৰংগা আৰু অগ্নিপথ আঁচনি সন্দৰ্ভত সজাগতা সভা



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ আগষ্ট ঃ** আজি পুৱা ১০ বজাত শোণিতপুৰৰ লখৰা ২১ ছেক্টৰৰ অধীনৰ অসম ৰাইফল্‌ছৰ বেটেলিয়ন আৰু ইন্সপেক্টৰ জেনেৰেল অসম ৰাইফলছ (পূব)ৰ উদ্যোগত আগন্তুক স্বাধীনতা দিৱস উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয় বিশ্বনাথ মহাবিদ্যালয় প্ৰেক্ষাগৃহত। লগতে আজাদী কা অমৃত মহোৎসৱৰ প্ৰচাৰৰ বাবে প্ৰতিৰক্ষা বাহিনীৰ অগ্নিপথ আঁচনিখনৰ লগতে হৰ ঘৰ ত্ৰিৰংগা আৰু সেনাবাহিনীত যোগাদান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীক অৱগত কৰে অসম ৰাইফল্‌ছে। এই সজাগতা সভাত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# সোণতলা-বৰকুছিৰ শ্ৰীশ্ৰী মা বাঘেশ্বৰী পীঠত মাৰৈ পূজা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৬ আগষ্ট ঃ** পলাশবাৰীৰ সোণতলা-বৰকুছিৰ শ্ৰীশ্ৰী মা বাঘেশ্বৰী পীঠৰ উন্নতি আৰু ৰাইজৰ মংগলাৰ্থে বিগত বছৰবোৰৰ দৰে এইবেলিও অহা ১৭, ১৮ আৰু ১৯ আগষ্টত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে 'মাৰৈ পূজা' উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে বুলি পৰিচালনা সমিতিৰ সভাপতি অনন্তৰাম নাথ আৰু সম্পাদকদ্বয় নিৰেন চন্দ্ৰ মালী, ধনজ্যোতি বড়োৱে জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি ১৭ আগষ্টৰ সন্ধিয়া প্ৰতিমা স্থাপন, অধিবাস, দুলনী বৰণ, দেওধা নাচ আৰু প্ৰসাদ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হ'ব। সেইদৰে ১৮ আগষ্টৰ পুৱাৰে পৰা ঘট বুৰণ, পদ্মকুমাৰী আৰু অষ্টনাগ পূজাৰম্ভ, বলি-বিধান উচৰ্গা, পুষ্পাঞ্জলি প্ৰদান, স্তৱ পাঠ আৰু শান্তি, দেওধা নাচ, অভ্যাগতৰ অভ্যৰ্থনা আৰু ৰাইজৰ ভোগ বিতৰণ, নিশা আৰতি আৰু দেওধা নাচৰ সামৰণি, প্ৰসাদ বিতৰণ। একেদৰে ১৯ আগষ্টৰ পুৱা পদ্মকুমাৰী পূজাৰম্ভ, বলি বিধান উচৰ্গা, হোম, পুষ্পাঞ্জলি প্ৰদান, স্তৱ পাঠ আৰু শান্তি, দেওধা নাচ, অভ্যাগতৰ অভ্যাৰ্থনা আৰু ৰাইজৰ ভোগ বিতৰণ, নিশা আৰতি, দেউধা নাচ সামৰণী, প্ৰতিমা বিসৰ্জন আৰু প্ৰসাদ বিতৰণ, বিদায় পৰ্ব অনুষ্ঠান অনুষ্ঠিত হ'ব। পূজাৰ সমূহ কাৰ্যসূচীৰ ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগ আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

# বটদ্ৰৱা উন্নয়ন খণ্ডত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ সজাগতা শোভযাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেছামাৰী, ৬ আগষ্ট ঃ** ৭৫সংখ্যক স্বাধীনতা দিৱস উপলক্ষে আজি বটদ্ৰৱা উন্নয়ন খণ্ডত 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ এক সজাগতা শোভযাত্ৰা উলিওৱা হয়। বটদ্ৰৱা উন্নয়ন খণ্ডৰ পৰা শুভাৰম্ভ কৰা এই ত্ৰিৰংগাৰ শোভাযাত্ৰা টুকটুকী, কটহগুৰি আৰু ধনিয়াভেটি হৈ গুৰুজনাৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱা থানৰ প্ৰৱেশদ্বাৰত অন্ত হয়। বটদ্ৰৱা খণ্ড উন্নয়ন বিষয়া দিলীপ সৰকাৰে শুভাৰম্ভ কৰা এই শোভাযাত্ৰাত বিভাগীয় বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। বটদ্ৰৱা উন্নয়ন খণ্ডৰ বিষয়াগৰাকীয়ে জনোৱা মতে আত্মসহায়ক গোট আৰু জীৱিকা সখীৰ সদস্যসকলে প্ৰস্তুত কৰা ৰাষ্ট্ৰীয় পতাকা ঘৰে ঘৰে দিয়াৰ ব্যৱস্থা কৰা হৈছে।

# হাউলী পৌৰসভাৰ অন্তৰ্গত ৱাৰ্ড মেম্বাৰ লুতফা হানুনৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৬ জুলাই ঃ** শনিবাৰে বৰপেটা জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক সভাত হাউলি পৌৰসভাৰ অন্তৰ্গত ৮নং ৱাৰ্ডৰ নিৰ্দলীয় সদস্যা লুতফা হানুনে বিজেপিত যোগদান কৰে। এই যোগদান কাৰ্যসূচীত উপস্থিত থাকে বৰপেটা জিলা বেজেপিৰ সভাপতি অনিল কুমৰ দাস, বহু জ্যেষ্ঠ বিজেপি নেতা আৰু কৰ্মী বিজেপিত যোগদান কৰি লুতফা হানুনে সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰে। নৰেন্দ্ৰ মোদীৰ চৰকাৰে সৰ্বসাধাৰণ ৰাইজৰ বাবে বিভিন্ন উন্নয়নমূলক কাম কৰি ৰাইজক বিশেষভাৱে সহায় কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাবে তেওঁ বিজেপি দলৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে দলৰ প্ৰতি আকৃষ্ট হৈ আজি স্ব-ইচ্ছাই বিজেপিত যোগদান কৰা বুলি জানিবলৈ দিয়ে। লগতে ইয়াকো ব্যক্ত কৰে যে নিজৰ ৱাৰ্ডৰ সৰ্বাংগীণ উন্নয়নৰ বাবে বিজেপিত যোগদান কৰাৰ বাবে আগবাঢ়ি আহিছে।



# ধুবুৰীৰ ১নং গৰুমাৰাৰ চৰত বজ্ৰপাতত এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৬ আগষ্ট ঃ** অসম-বংগ সীমান্তৰ ১ নং গৰুমাৰাৰ চৰ গাঁৱত অঘটন। মৰাপাট কাটিবলৈ গৈ বজ্ৰ পৰি আক্তাৰ আলী নামৰ এজন যুৱকৰ মৃত্যু। দিনৰ ভাগত পথাৰত মৰাপাট কাটিবলৈ গৈছিল যুৱকজন। মৰাপাট কাটি থকা অৱস্থাত দিনৰ প্ৰায় ১১ মান বজাত বজ্ৰপাত হৈ অকাল মৃত্যু ঘটে যুৱক জনৰ। বজ্ৰপাত হৈ মৃত্যু হোৱা যুৱকজন গৰুমাৰাৰ চৰ গাঁৱৰ শওকত ফকিৰৰ পুত্ৰ আক্তাৰ আলী (৩৪) বুলি জানিব পৰা গৈছে। আক্তাৰ আলীয়ে তিনি কন্যা সন্তান আৰু ২ পুত্ৰক এৰি ইহলীলা সম্বৰণ কৰে। বজ্ৰপাত পৰি গৰুমাৰাৰ চৰৰ যুৱক আক্তাৰ আলীৰ মৃত্যুত গাঁওখনত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।


NEMCARE Group of Institutions
ESTD : 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable


## সংগী এখন হুইল চেয়াৰ

# আকাশ চোৱাৰ হেঁপাহ কলিয়াবৰৰ এটি কণমানিৰ, সহচৰ জ্যেষ্ঠ ভগ্নী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৬ আগষ্ট ঃ** কলিয়াবৰৰ এটি কণমানি, আছে অসীম-অযুত হেঁপাহ। এখন হুইল চেয়াৰত বহিয়েই আকাশ চোৱাৰ হেঁপাহ কণমানিটোৰ। তেনে এক মন লৈয়ে আন সাধাৰণ শিশুৰ দৰে নিতৌ বিদ্যালয়লৈ আহে হুইল চেয়াৰখনতে। কণমানিটোৰ নাম দুল ৰহমান। কলিয়াবৰৰ শান্তিপুৰস্থিত ৭নং বৰভগীয়া প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ দুল ৰহমান। বায়েক ৰুকচানা বেগমৰ সহায়তে হুইল চেয়াৰখনতে সদায় বিদ্যালয়লৈ আহে দুল। প্ৰথম অৱস্থাত পিতৃ দুদুল ৰহমানে কণমানিটোক কোলাত লৈ বিদ্যালয়লৈ আনিছিল। ইয়াৰ পিছতে চৰকাৰীভাৱে লাভ কৰে এখন হুইল চেয়াৰ আৰু তেতিয়াৰে পৰা বায়েক ৰুকচানাই ভাতৃক ঠেলি-ঠেলি লৈ আনে বিদ্যালয়লৈ। উল্লেখ্য যে আন দহজন সমনীয়াৰ দৰেই দুলে বিদ্যালয়লৈ আহিব খোজে, গাব খোজে গান, নাচিব খোজে। কিন্তু জন্মৰে পৰা দুয়োখন ভৰি অস্বাভাৱিক হোৱাৰ বাবে নচাৰ ক্ষেত্ৰত যেন থমকি ৰ'বলগা হয় দুল। তথাপিও হাৰ নামানে দুলে। বুকুত দুৰ্বাৰ মনোবল লৈ দুল আগুৱাই যাব। ভৱিষ্যতে শিক্ষক হোৱাৰ মন দুলৰ। সেইবাবে বায়েকৰ সহায়তে নিতৌ বিদ্যালয়লৈ আহে কণমানিটো। পঞ্চম শ্ৰেণীত অধ্যয়ন কৰা বায়েকৰ বাবে যেন ভায়েকক বিদ্যায়লৈ অনা-নিয়া কৰাটো যেন দৈনিক ৰুটিন। যাৰ বাবে কোনোদিনে ভাগৰ অনুভৱ নকৰে বায়েক ৰুকচানাই। দ্বিতীয় মানত অধ্যয়ন কৰা দুল ৰহমানৰ অধ্যয়নৰ প্ৰতি থকা দুৰ্বাৰ হেঁপাহ আৰু বিশেষভাৱে সক্ষম ভাতৃৰ প্ৰতি এগৰাকী বায়েকৰ ভাতৃপ্ৰেমৰ এক অপূৰ্ব নিৰ্দশনে বহু কথাই শিকাই যাব আপোনাক-মোক।




केनरा बैंक Canara Bank — A Government of India Undertaking — सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**গুৱাহাটী পাঞ্জাবাৰী শাখা**
ঘৰ নং ঃ ৩৫ (এ), পাঞ্জাবাৰী ৰোড,
গাৰ্লচ হাইস্কুলৰ বিপৰীতে, পাঞ্জাবাৰী-৭৮১০৩৭

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইন্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইন্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত ০৭.০৯.২০২২ তাৰিখত কানাড়া বেংকৰ তলত উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব ০৬.০৯.২০২২ তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ০৭.০৯.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/ গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক গুৱাহাটী পাঞ্জাবাৰী শাখা, ঘৰ নংঃ ৩৫ (এ), পাঞ্জাবাৰী ৰোড, গাৰ্লচ হাইস্কুলৰ বিপৰীতে, পাঞ্জাবাৰী-৭৮১০৩৭ (খ) ঋণ লওঁতা ঃ মেচাৰ্ছ এফিনিটি ইন্টাৰনেচনেল স্বত্তাধিকাৰী ঃ শ্ৰীমতী অংগিৰা কাশ্যপ খাটনিয়াৰ গেৰাণ্টৰ শ্ৰীমতী অঞ্জনা খাটনিয়াৰ ক'ৰ্প'ৰেট গেৰাণ্টৰ প্ৰযোজ্য নহয় | এটা আৱাসিক ফ্লেট নং ৪ ই, চতুৰ্থ মহলা, নৱীন এনক্লেভ, চুপাৰ বিল্ড এৰিয়া ৯৭১ বৰ্গফুট (০.৪০ আৰ)। আৱৰী আছে ডাগ নং ৪১৫৭/৪১৫৮ (পুৰণি)/৬৩২ (নতুন), কে পি পট্টা নং ৫৩৯/৩৬ (পুৰণি)/৫৯২ (নতুন)। অৱস্থিত আছে গাঁও- জাপৰিগোগ প্ৰথম অংশ, মৌজা- বেলতলা, অসম, জিলা- কামৰূপ (মেট্ৰ)। নামত আছে অঞ্জনা খাটনিয়াৰ (বিক্ৰী দলিল অনুসৰি)। সম্পদৰ চাৰিসীমা ঃ উত্তৰে- বিষ্ণুজ্যোতি ক্লাৱ, দক্ষিণে- মাডাৰ টেৰেছা ৰোড, পুবে- পথ/ গীতানগৰ স্কুল ফিল্ড, পশ্চিমে- এম. চি. ফুকন। | (ক) মুঠ অনাদায় ঃ ৩০,৭০,২৭৯.৫৫ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৪৫.০০ লাখ টকা (গ) ইএমডি ঃ ৪.৫০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১,০০,০০০/- টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব মেনেজাৰ, পাঞ্জাবাৰী শাখা, যোগাযোগ নং ৯৪৩৫৪ ৮৫৩১৫, কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।
**তাৰিখ ঃ ০৫.০৮.২০২২, স্থান ঃ গুৱাহাটী** — **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**

केनरा बैंक Canara Bank — A Government of India Undertaking — सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**গুৱাহাটী ফাঁচী বজাৰ শাখা**
১৪এ, হেম বৰুৱা ৰোড, ফাঁচী বজাৰ,
গুৱাহাটী, পিন-৭৮১০০১

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, চিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অৱ ফাইনেন্সিয়েল অচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইন্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইন্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত ০৭.০৯.২০২২ তাৰিখত কানাড়া বেংকৰ তলত উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব ০৬.০৯.২০২২ তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ ০৭.০৯.২০২২, দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | (ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণ লওঁতা/ গেৰেণ্টাৰৰ নাম | স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ অনাদায় (টকা) ঃ (খ) সংৰক্ষিত মূল্য (টকা) ঃ (গ) ইএমডি (টকা) ঃ (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) ঃ |
|---|---|---|---|
| ১। | (ক) কানাড়া বেংক, গুৱাহাটী ফাঁচী বজাৰ শাখা ১৪এ, হেম বৰুৱা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী, পিন-৭৮১০০১ (খ) ঋণ লওঁতা ঃ খুছবু এগ্ৰো ইণ্ডাষ্ট্ৰিজ স্বত্তাধিকাৰী ঃ শ্ৰী অশোক কুমাৰ ছোৱাৰিয়া ক'ৰ্প'ৰেট গেৰাণ্টৰ প্ৰযোজ্য নহয় | স্থাৱৰ ঃ ভূমিৰ সকলো অংশ আৰু সম্পদসহ আৰু বিল্ডিং পৰিমাপ হ'ল- ১(এক)বিঘা-১(এক)কঠা, আৱৰি আছে দাগ নং-৮২২(পুৰণা), ১৩১০(নতুন), কে পি পট্টা নং-২৪৬ (পুৰণি), ৪৪৯(নতুন)। অৱস্থিত আছে- গাঁও ঃ যোৰদাংগা প্ৰথম অংশ, চাৰ্কোল ঃ মানকাছৰ, থানাঃ মানকাছৰ, উপ-পঞ্জীয়ক ঃ হাটশিঙিমাৰী, জিলাঃ ধুবুৰী, ৰাজ্য- অসম, জিলা- ধুবুৰী আৰু সম্পদ নামত আছে অশোক কুমাৰ ছোৱাৰিয়া (বিক্ৰী দলিল অনুসৰি)। সম্পদৰ চাৰিসীমা ঃ উত্তৰে- জয়ৰুল হক/১৫ফুট বহল পথ, দক্ষিণে- ছয়বৰ ৰহমান, পুবে- ছয়বৰ ৰহমান, পশ্চিমে- পি ডব্লিউ ডি পথ/পুখুৰী। অস্থাৱৰ ঃ প্লেণ্ট এণ্ড মেচিনেৰী। | (ক) মুঠ অনাদায় ঃ ৫৯,৯৩,৯৪৫.৪০ টকা + অতিৰিক্ত সুত আৰু ব্যয়। (খ) সংৰক্ষিত মূল্য ঃ ৪৪.০০ লাখ টকা (গ) ইএমডি ঃ ৪.৪০ লাখ টকা (ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ঃ ১,০০,০০০/- টকা |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব মুখ্য মেনেজাৰ, গুৱাহাটী ফাঁচী বজাৰ শাখা, যোগাযোগ নং ঃ ৮৫৮০১২০৪০০ বা মেনেজাৰ গুৱাহাটী ফাঁচী বজাৰ শাখা, যোগাযোগ নং ৮২৯২৯ ২৯৮৪৪ কাৰ্যালয় চলি থকা সময়ত যিকোনো কৰ্ম দিনত।
**তাৰিখ ঃ ০৫.০৮.২০২২, স্থান ঃ গুৱাহাটী** — **কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক**



# প্ৰেম সঁচা নে মিছা ?

■ চন্দন কুমাৰ নাথ

প্ৰেম এই বিশেষ শব্দটোৱে সাধাৰণতে প্ৰতিজন ব্যক্তিৰ মন আৰু মগজুত বিশেষভাৱে ক্ৰিয়া কৰে, কিয়নো সৰুৰ পৰা একেবাৰেই বৃদ্ধ বয়সলৈকে সকলোৱে ইজনে সিজনৰ প্ৰতি প্ৰেমৰ আদান-প্ৰদান কৰে। প্ৰেম মানে এক কথাত চাবলৈ গ'লে পৱিত্ৰতা আৰু ইয়াৰ মাজেৰে গঢ়ি উঠা সম্পৰ্কও এক পৱিত্ৰ বান্ধোনৰ সংগিত বহন কৰে। প্ৰকৃত প্ৰেমত নাথাকে কোনো ধৰণৰ বিবাদ, ক্ষোভ, উগ্ৰতা তথা অহংকাৰ। যেতিয়া দুজন ডেকা-গাভৰুৱে প্ৰেমত পৰে বা ইজনে-সিজনক ভাল পাবলৈ লয় তেতিয়া তাৰ মাজত হয়তো অকল পৱিত্ৰ প্ৰেমৰ মধুৰ সম্পৰ্কই বিৰাজ কৰে। প্ৰেমে নামানে বয়সৰ সীমা, প্ৰেমে নামানে সময়ৰ সীমা, প্ৰেম এক এনে ধৰণৰ বান্ধোন যি মনে মনে হৈ যায়। কাৰোবাক ভাল লাগিছে, কাৰোবাক মৰমেৰে চাব বিচাৰিছে, কাৰোবাৰ সৈতে দুষাৰ প্ৰেমৰ বাক্য পাতিবলৈ মন গৈছে, আচলতে এয়াই নেকি প্ৰেমৰ প্ৰকৃত অৰ্থ? আজিকালিৰ নৱ-প্ৰজন্মৰ মাজত আকৌ প্ৰেমৰ পৰিণাম ভয়ংকৰ হ'বলৈ লৈছে। বাতৰি কাকত তথা সংবাদ মাধ্যমযোগে নিতৌ প্ৰেমজনিত কাৰণত হোৱা সংঘৰ্ষ, মাৰপিট, হত্যাকাণ্ডৰ দৰে শুনিলে অসহ্যকৰ ঘটনা সংঘটিত হৈয়েই আছে। আজিৰে পৰা দুদিনমান আগতে সংবাদ মাধ্যমত এটা নিউজ দেখিলো যে প্ৰেমৰ কাৰণে প্ৰেমিকাই, প্ৰেমিকৰ দেহৰ পৰা নিজেই ইচ্ছাকৃতভাৱে HIVৰ তেজ দেহত সুমুৱাই লৈছে। এক অদ্ভুত, আশ্চৰ্যজনক, বিৰক্তিদায়ক ঘটনা এইখন অসমত প্ৰেমৰ নামত প্ৰথমবাৰ শুনিবলৈ আৰু দেখিবলৈ পালোঁ। আচলতে কম বয়সৰ প্ৰেমে কেতিয়াবা প্ৰেমিক যুগলৰ মাজত উদ্বিগ্নতাৰ সৃষ্টি কৰিব পাৰে। পাতলীয়া বয়সৰ কুমলীয়া প্ৰেমৰ পৰিণাম কেনে ভয়ংকৰ হ'ব পাৰে সেয়া ইতিমধ্যে জলজল-পটপটকৈ দেখিবলৈ পোৱা গৈছে।

ইতিহাসৰ পৃষ্ঠাত প্ৰেমৰ বৰ্ণনা দিবলৈ গ'লে হয়তো আপুনি-মই সকলোৱে অমৰ প্ৰেমৰ কাহিনী ছাহজাহান আৰু মমতাজৰ প্ৰেমৰ পৱিত্ৰ বলিদানৰ কাহিনীটোকে মনত কৰিম নহয় নে। ইতিহাস সাক্ষী আছে যে প্ৰকৃত প্ৰেম আৰু ভালপোৱা কেতিয়াও শেষ হৈ নাযায়, ই বৰঞ্চ যুগে যুগে খোজে খোজে চিৰস্মৰণীয় হৈ থাকে। আচলতে উঠি অহা প্ৰজন্মৰ মাজত প্ৰেমৰ প্ৰকৃত সোৱাদ বা প্ৰেমৰ আচল মধুৰ সম্পৰ্কৰ বিষয়ে ক্ষুদ্ৰ জ্ঞানৰ অভাৱে ক'ৰবাত নহয় ক'ৰবাত অনাগত দিনবোৰত প্ৰেমক লৈ ঘৃণাৰ আৱিৰ্ভাৱ হোৱাত বৰঙণি যোগোৱা যেন হ'বলৈ গৈ আছে। এইটো হয় যে প্ৰকৃত প্ৰেম আৰু সঁচা অৰ্থত প্ৰেম কৰা মানুহৰ অভাৱ নাই। লক্ষণীয় তথা চিন্তনীয় বিষয় এইটোৱেই যে বৰ্তমান বহুতে আকৌ প্ৰেম মানে অকল যুৱক- যুৱতীৰ মাজত শাৰীৰিক সম্পৰ্ক স্থাপন কৰি পৰৱৰ্তী সময়ছোৱাত বিচ্ছেদৰ ৰূপ ধাৰণ কৰে সেয়া আধুনিক যুগৰ এইখন সমাজত শুনিবলৈ পোৱা যায়। তাৰ সমান্তৰালভাৱে একাংশ যুৱক-যুৱতীয়ে আজিকালি One Night Stayৰ দৰে কাৰ্যকলাপত লিপ্ত হোৱাৰ দৰে খবৰো কেতিয়াবা শুনিবলৈ পোৱা যায়। নাজানো এয়া তীব্ৰ গতিত আগবাঢ়ি অহা ডিজিটালাইজেচন আৰু আধুনিকীকৰণৰ ভয়ংকৰ পৰিণাম নে যুগৰ পৰিৱৰ্তনৰ ভয়ংকৰ ৰূপ। আজিৰ তাৰিখত চাবলৈ গ'লে প্ৰকৃত প্ৰেম বিচৰা আৰু প্ৰকৃত প্ৰেমিকা বিচাৰি পোৱাটোও একপ্ৰকাৰে চোৰা হয় যদিও কঠিন হৈ পৰিছে। প্ৰেম মানে এৰাতিৰ শাৰীৰিক সম্পৰ্ক নহয়, প্ৰেম মানে দুদিনীয়া সম্পৰ্ক নহয়, প্ৰেম মানে ভালপোৱা আৰু এসপ্তাহত বিচ্ছেদ হোৱা নহয়। আচলতে প্ৰকৃত প্ৰেম হৈছে দুগৰাকী যুৱক-যুৱতীৰ মাজত ভালপোৱাৰ প্ৰতীক আৰু এই বিশেষ প্ৰতীককে সাক্ষী হিচাপে লৈ পৰৱৰ্তী সময়ছোৱাত দুয়োজনৰ মাজত বিবাহপাশত আবদ্ধ হোৱাৰ মধুৰ আনন্দ। প্ৰকৃত ভালপোৱাত সদায় পৱিত্ৰতা বিৰাজ কৰে, নাথাকে তাত কোনো ধৰণৰ কাজিয়া, থাকে মাথোঁ মৰম আৰু আন্তৰিকতা। আচলতে প্ৰেম এদিন বা দুদিনতে হৈ যোৱা বস্তু নহয়, প্ৰকৃত প্ৰেম হ'বৰ বাবে সময়ৰ প্ৰয়োজন নিশ্চয় হয়। প্ৰথমে ইজনে সিজনৰ প্ৰতি শ্ৰদ্ধা আৰু আদৰ ৰখাটো দৰকাৰ তেতিয়াহে প্ৰেমৰ সম্পৰ্ক বৰ্তাই থাকিব। যি প্ৰেমৰ সম্পৰ্কত শ্ৰদ্ধা আৰু বুজাবুজি নাথাকে, তেনেকুৱা প্ৰেম বেছি দিনলৈকে বৰ্তি কেতিয়াও নাথাকে। সেই বাবে হয়তো কোৱা হয় যে প্ৰেম কৰা নাযায়, ই হৈ যায়। মনত ৰাখিব প্ৰেম মানে পৱিত্ৰতা, প্ৰেম মানে ভালপোৱা, প্ৰেম মানে ইজনে সিজনৰ প্ৰতি শ্ৰদ্ধা, প্ৰকৃত প্ৰেমত সদায় দুয়োজনৰ মাজত বুজাবুজিৰ সম্পৰ্ক গঢ়ি উঠে। পৃথিৱীত জন্মলাভ কৰা প্ৰতিজন মানুহে জীয়াই থকা কালত প্ৰেম আৰু ভালপোৱা বিচাৰে। কিয়নো প্ৰেমৰ বান্ধোনেৰে সৃষ্টি হয় এক নতুন দিগন্ত।

ফোন ঃ ৯১৩২৮-৪৯৭২৬

ৰুণা লাইলাৰ প্ৰথম কবিতা সংকলন

# জীৱনৰ অন্তিম সত্যৰ পম খেদি

■ বিপুল শৰ্মা

বৰ্তমান সময়ত অসমীয়া কবিতা গণমুখী ৰূপটো বৃদ্ধি হ'ব ধৰিছে। তেওঁলোকে তেওঁলোকৰ চাৰিও কাষে যি ঘটি আছে তাক নিজস্ব চিন্তা-চেতনাৰে লক্ষ্য কৰি লেখা দেখা গৈছে। এনে ঘটনাসমূহৰ লগত নিজৰ বিষয়েও লেখা দেখা গৈছে নতুন কবিসকলক। অৰ্থাৎ তেওঁলোকৰ চিন্তা, কল্পনা আৰু অভিজ্ঞতাৰ ফচলক কবিতাৰ ৰূপ দিব যত্ন কৰিছে। কবিসকলৰ ব্যক্তিগত জীৱন আৰু সামাজিক জীৱনৰ অভিজ্ঞতাক কবিতাৰ ৰূপ দিয়া দেখা গৈছে। শেহতীয়াভাৱে উপন্যাসৰ যোগেদি অসমীয়া সাহিত্যৰ জগতখনত এক সবল খোজ পেলোৱা ৰুণা লাইলাৰ কবিতাসমূহত কল্পনা আৰু অভিজ্ঞতাৰ লগতে ব্যক্তিগত জীৱন আৰু সামাজিক জীৱনৰ অভিজ্ঞতাক কবিতাৰ ৰূপ দি কবিতা চৰ্চা কৰা দেখা গৈছে। উদাহৰণ স্বৰূপে— 'নিসংগতাৰ অসহ্য যন্ত্ৰণাক ঠেলি/বিছনাৰ পৰা উঠি খিৰিকীখন খুলি দিলোঁ/সোমাই অহা বতাহজাকে/কঢ়িয়াই আনিলে শেৱালি সুবাস/বাহিৰত ঘিটমিটা আন্ধাৰ ক'লা।'— (নীৰৱ নিশাৰ বেদনা) এই কবিতাটোত কবিয়ে নিজৰ দুখ আঁতৰ কৰি সুখ বিচাৰিছে যদিও সেয়া যেন ক্ষন্তেকীয়া। তাক সুন্দৰ ৰূপত প্ৰকাশ কৰিছে। ইয়াত কোনো অস্পষ্টতা নাই। সদায় অস্পষ্টতা এৰাই চলিব পাৰিলে কবিতা পাঠকে সহজে আদৰি লয়।

বিখ্যাত কবি জয়ন্ত মহাপাত্ৰৰ মতে— 'কবিতা এটিত কবিয়ে যদি অধিক মেধা খটুৱায়, তেন্তে সেই কবিতা কেতিয়াও পাঠকৰ প্ৰিয় হ'ব নোৱাৰে।' কবিতাই যদি পাঠকৰ হৃদয়ত কঁপনি তুলিব নোৱাৰে তেন্তে সেয়া সাৰ্থক কবিতা হ'ব নোৱাৰে। সেই বুলি সকলো কবিতা সকলোৱে যে ভাল পাব এনে হ'ব নোৱাৰে। তথাপি সহজ-সৰল সততে ব্যৱহাৰ কৰা শব্দ প্ৰয়োগ কৰা কবিতা পাঠকে সহজে গ্ৰহণ কৰে। ৰুণা লাইলা কবিতাসমূহত ব্যৱহৃত শব্দসমূহ অতি সৰল আৰু সহজ। পাঠকে বুজিবৰ বাবে বিশেষ কষ্ট কৰিব নালাগে— 'সুদীৰ্ঘ সাতাইশ বছৰৰ পিছতো/আকৌ এবাৰ তোমাৰ প্ৰেমত পৰিলোঁ/ইমান বছৰ হ্ৰাস হোৱা নাই/তোমাৰ প্ৰেমৰ পয়োভৰ/যিমানেই বছৰ বাগৰিছে/সিমানেই যেন মৰমবোৰ বেছি গাঢ় হৈছে।'— (অনুৰাগ তোমাৰ বাবে)। এই শব্দবোৰ বা বাক্য আমি প্ৰায় কৈ থাকোঁ। কবিতা পঢ়ি উঠি পাঠকে ক'ব এনে কবিতা ময়ো লিখিব পাৰোঁ দেখোন। অৰ্থাৎ ৰুণা লাইলাৰ কবিতাটি পাঠকক আকৰ্ষণ কৰিব পাৰিব। কবিসকল অনুভূতিপ্ৰৱণ তথা সংবেদনশীল। তেওঁলোকে সমাজত ঘটি থকা ঘটনাসমূহক নিজস্ব দৃষ্টিভংগীৰে চায় আৰু প্ৰকাশ কৰে। শেহতীয়াকৈ সামাজিক মাধ্যমত হোৱা অনাকাংক্ষিত ঘটনাই কবিক দুঃখিত কৰিছে। তেনে এক অনাকাংক্ষিত ঘটনাৰ আলমত লেখা 'ফেক একাউণ্ট' কবিতাটো অতি উৎকৃষ্ট আৰু বৰ্তমান সময়ৰ এক সুন্দৰ প্ৰতিচ্ছবি। য'ত মৃত্যুৰ সৈতে, আৱেগৰ সৈতে/খেলি আভুৱা-ভঁাৰিবলৈ/তোমাৰ একমুহূৰ্তও নালাগিল— (ফেক একাউণ্ট)। অৰ্থাৎ আমাৰ আৱেগ-অনুভূতি আনকি মৃত্যু এটি পণ্য সামগ্ৰীত পৰিণত হৈছে।

অসমীয়া সাহিত্যত বহুকেইটা কবিতাক লৈ নাটক, উপন্যাস আদি লিখিছে। উপন্যাস পঢ়ি, ছবি দেখি বহু সাৰ্থক কবিতা অসমীয়া সাহিত্যত আছে। অসমীয়া সাহিত্যত আত্মজীৱনীমূলক উপন্যাস লিখি এক প্ৰকাৰে চিনাকি হৈ পৰা ৰুণা লাইলাৰ প্ৰকাশৰ পথত থকা তৃতীয়খন জীৱনীমূলক উপন্যাসৰ কাহিনীৰ আধাৰত লিখা কলংকিনী কবিতাটোৱে পাঠকক এক নতুন স্বাদ দিব। একেদৰে ৰুণা লাইলা জীৱনক জনা আৰু জীৱনক বুজিবৰ চেষ্টা কৰা এগৰাকী কবি। জীৱনৰ সম্পৰ্ক কবিৰ এক নিজস্ব ধাৰণা, কবিতাৰ যোগেদি জীৱনৰ সত্যৰ সন্ধান কৰিব বিচাৰিছে। আমি সকলোৱে জানো যে জীৱনৰ অন্তিম সত্য মৃত্যু বুলি জানিও আমি মৃত্যু কামনা নকৰোঁ তথাপি মৃত্যু আহিব আমাৰ বাবে। এই মৃত্যুৱে আমাক দুখ দিয়ে, তথাপি ই চিৰন্তন সত্য— 'জন্ম যদি বাস্তৱ/তেন্তে মৃত্যু সকলোৰে ঊৰ্ধ্বত/সকলো জৈৱিক ক্ৰিয়াৰ অৱসান মৃত্যু/নেক্ৰফবিয়াৰ সমাধান মৃত্যু।' (জীৱনৰ অন্তিম সত্যৰ পম খেদি) ৰুণা লাইলাৰ কবিতাসমূহ পঢ়ি আমাৰ ধাৰণা হৈছে— কবিগৰাকীয়ে কবিতাৰ যোগেদি এটি মেছেজ দিব যত্ন কৰে। সেই বাবে কবিতাৰ আংগিকৰ চমৎকাৰিতা বা ব্যাপক প্ৰতীক, চিত্ৰকল্পৰ ব্যৱহাৰ সলনি সহজ-সৰল শব্দ ব্যৱহাৰে পাঠকৰ ওচৰলৈ তেওঁ মেছেজ প্ৰেৰণ কৰিব বিচাৰিছে। একেদৰে কবিতা হৈছে— 'কবিতা এটা আমি শব্দৰে যিখিনি কথা প্ৰকাশ কৰোঁ, সেইখিনি কবিতা নহয়। কিন্তু যিখিনি ক'ব লগা কথা নোকোৱাকৈ থাকি গ'ল সেয়াহে কবিতা। গতিকে কবিতাত বাহুল্যতা যিমান পাৰি কম কৰিব লাগে। ৰুণা লাইলাৰ দুটিমান কবিতা এনে বাহুল্যতাৰ দোষে চুই গৈছে। এয়া কবিগৰাকীৰ অজানিতে বৈ যোৱা দুখ। কবিয়ে কবিতাৰ ভাষাৰে ধৰি ৰাখিছে। কবিয়ে কবিতাৰ ভাবক মুকলি কৰি দিয়াৰ বাবে চৰ্চা অব্যাহত ৰাখিলে ভৱিষ্যতে এগৰাকী শক্তিশালী কবি পাবলৈ সক্ষম হ'ম। আমাৰ আশা ৰুণা লাইলাৰ 'জীৱনৰ অন্তিম সত্যৰ পম খেদি' পাঠক সমাজৰ আদৰ বুটলিবলৈ সক্ষম হ'ব।




ফোন ঃ ৮০১১৫-৯০৩৭৯

# প্ৰবীণ সাহিত্যিক যতীন গোস্বামীৰ চিৰ বিদায়

■ ড° নৰেন হাজৰিকা



মোৰ এগৰাকী পৰম সুহৃদ, জ্যেষ্ঠ ভাতৃ তথা পৰামৰ্শদাতা যতীন গোস্বামী মৃত্যুৰ সৈতে বুজাপৰা কৰি অৱশেষত চিৰ বিদায় ল'লে দেশৰ স্বাধীনতা সংগ্ৰামী, বিশিষ্ট সাহিত্যিক লিপিবিদ যতীন গোস্বামী। তেওঁ আছিল বিশিষ্ট মুক্তিযোদ্ধা, অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, প্ৰবীণ সাহিত্যিক, সংবাদিক। প্ৰচাৰৰ ক্ষেত্ৰত তেওঁ আছিল সদায় বিমুখ। কাৰণ তেওঁৰ জীৱনটোৱেই আছিল অনেক ঘটনাবহুল। পাৰ হৈ যোৱা সাতটা দশকৰ প্ৰতিটো আন্দোলনৰ অগ্ৰণী নেতা আছিল। পাৰ হৈ যোৱ বিভিন্ন সময়ত তেওঁৰ ঘৰৰ মজিয়া গচকি আমি এটাৰ পিছত এটাকৈ বহুদিন বহুবাৰ বহু সময় অতিবাহিত কৰিছিলো। ওৰেটো জীৱন সহিত্য সাধনাত ব্ৰতী হৈ ভাষা জননীৰ সেৱা কৰা অসম সাহিত্য সভাৰ বিভিন্ন কাম-কাজত সদায় সাহিত্য কৰ্মতে নিজক আবদ্ধ কৰি ৰাখিছিল। সাহিত্য সম্পৰ্কে জাতি, ভাষা সম্পৰ্কে বহু কথাই তেওঁৰ পৰা আয়ত্ত কৰিব পাৰিছিলো। জন্মসূত্ৰে দৰঙৰ নোহোৱা সত্ত্বেও দৰঙৰ কৃষ্টি, সভ্যতা, ৰাজনীতি আদি বিভিন্ন দিশৰ ওপৰত আলোচনাত বহিছিলো। বয়সত মোতকৈ বহু ডাঙৰ জ্যেষ্ঠ ককাইদেউৰ দৰে আছিল যদিও বহু আলোচনা আৰু কামৰ ক্ষেত্ৰত তেওঁ শেষলৈ বন্ধুৰ দৰে জ্ঞান কৰিছিল। অসম আন্দোলনৰ এজন আগশাৰীৰ নেতা গোস্বামীয়ে হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি থকাৰ সময়তে ১৯৪২ চনত স্বাধীনতা সংগ্ৰামত নামি পৰাত তেওঁ কেইবাবাৰো গ্ৰেপ্তাৰৰ সন্মুখীন হোৱাৰ লগতে পুলিচী নিৰ্যাতন ভুগিবলগীয়া হৈছিল। আন্দোলনৰ বাবে তিনিটা শিক্ষাবৰ্ষ হেৰুওৱাৰ পাছত তেওঁ ১৯৪৬ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ চাৰি বছৰ পিছত বি বৰুৱা কলেজৰ পৰা আই এ আৰু পৰৱৰ্তী সময়ত চৰকাৰী চাকৰি থকাৰ সময়তে বি এ পাছ কৰে। স্নাতকোত্তৰ পাঠ্যক্ৰম অসম্পূৰ্ণকৈ এৰা গোস্বামীয়ে দিল্লীৰ নেচনেল মিউজিয়ামত মিউজিঅ'লজীৰ শিক্ষা গ্ৰহণ কৰিছিল। ১৯৫২ চনত প্ৰকাশিত মাহেকীয়া আলোচনী 'মাতৃভূমি'ৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা গোস্বামীয়ে ১৯৫৪ চনৰ পৰা কেইবাখনো দৈনিক বাতৰি কাকতত সাংবাদিকতা কৰিছিল। পৰৱৰ্তী সময়ত মাহেকীয়া আলোচনী 'নতুন প্ৰবাহ', সাপ্তাহিক বৰ্তমান আৰু যোগাযোগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি তেওঁ সুদীৰ্ঘদিন বিভিন্ন কাকতত নিয়মিতকৈ লেখা-মেলা কৰি আহিছে। ১৯৫৪-৫৫ চনত শ্বিলঙৰ চৰকাৰী কাৰ্যালয়ত চাকৰিত নিয়োজিত হৈ পিছলৈ ১৯৭৯ চনত তেওঁ চৰকাৰী চাকৰি ইস্তফা দি অসম গণ সংগ্ৰাম পৰিষদৰ মুখ্য আহ্বায়ক হিচাপে অসম আন্দোলনত নেতৃত্ব বহন কৰে। উল্লেখ্য যে গোস্বামীয়ে ইয়াৰ আগেয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ, তেল শোধনাগাৰ, ভাষা আন্দোলনতো সক্ৰিয় অংশগ্ৰহণ কৰিছিল। ন্যায্য দাবীৰ ক্ষেত্ৰত যিকোনো আন্দোলনতেই গুৰি ব'ঠা ধৰিছিল আৰু প্ৰতিটো আন্দোলনকে আগুৱাই লৈ গৈছিল। ওৰেটো জীৱন সাহিত্য সাধনাত ব্ৰতী থকা জননীৰ সেৱা কৰা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতিগৰাকীয়ে দুকুৰিৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ জ্ঞান চহকী কি থৈ গৈছে। দশম শ্ৰেণীত পঢ়ি থকা সময়তে 'কল্পনাৰ ছবি' নামৰ কবিতা পুথি প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত কেইবাখনো কবিতাৰ সংকলন, গল্প, নাটক, উপন্যাস, গৱেষণামূলক গ্ৰন্থ, ভ্ৰমণ কাহিনী, শিশু উপযোগী গ্ৰন্থ আদি প্ৰকাশ পায়। তেওঁৰ সাহিত্য কৃতীৰ অন্যতম নিদৰ্শন হৈছে 'মৃত্যুৰ সৈতে বুজাপৰা' শীৰ্ষক কাব্যপুথিখন। তদুপৰি মাটিৰ বুকুত, অটব্যজঁটায়ু, অব্যয়-অব্যক্ত, দীৰ্ঘনাশা, নগৰীয়া, ধূলিহে ধূলি, কাঞ্চনমতী, বান্দৰ, বগমতী দেখিছো, শিং পিপৰুৱাৰ গাড়ী মটৰ, জিক কৰি জিকলি, পৃথিৱী আৰু মানুহৰ আদি কথা, ঢৌ যেতিয়া আহে, শকুন্তলা, শেষ বিচাৰ, কাৰেঙৰ সাপ, অসমীয়া ভাষা সাহিত্যৰ ইতিহাস, অসমৰ ভাষা সাহিত্যৰ ইতিহাস, অসমীয়া ভাষা আৰু সাহিত্যৰ সমীক্ষামূলক ইতিহাস, কলা ভাস্কৰ্যৰ ৰূপ, কামৰূপীয়া বৈষ্ণৱ দৰ্শন, বানভট্টৰ হৰ্ষচৰিত, বুঢ়ী আৰু সাগৰ, মোপাছাৰ গল্প, ভাষা বিজ্ঞান আদি গ্ৰন্থৰে তেওঁ সাহিত্য ক্ষেত্ৰত প্ৰতিভাৰ চানেকি ৰাখি গ'ল। অসমীয়া লিপিৰ ক্ষেত্ৰত গভীৰভাৱে অধ্যয়ন কৰি লিখি উলিওৱা অসমীয়া লিপিৰ ইতিহাস শীৰ্ষক গ্ৰন্থখনৰ বাবে তেওঁ বৌদ্ধিক মহলত ব্যাপক সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁৰ ভৌগোলিক আৰু সাংস্কৃতিক পটভূমিত ব্ৰহ্মপুত্ৰ সভ্যতা শীৰ্ষক এখন গ্ৰন্থও প্ৰকাশ পাইছিল। সাহিত্যৰ বিভিন্ন দিশত মনোনিৱেশ কৰি তেওঁক এটা কথাই বৰকৈ আমনি কৰিছিল 'অসমীয়া ভাষাত এখন অভিধানৰ প্ৰয়োজনীয়তাৰ কথা। তেওঁৰ সৈতে হোৱা বিভিন্ন আলোচনাত এই কথা আমাক ব্যক্ত কৰিছিল আৰু এদিন অসমীয়া অভিধানৰ প্ৰস্তুতৰ কথা কৈছিল। যি কি নহওক এইগৰাকী সাহিত্য সাধকে সাহিত্য সভাৰ দুবাৰকৈ উপ-সভাপতিৰ পদ অলংকৃত কৰিছিল। অবিভক্ত কামৰূপ সাহিত্য সভাই 'কামৰূপ ৰত্ন' উপাধি প্ৰদান কৰিছিল। গোলোক ৰায় মেধি ন্যাসে কৰ্মযোগী সন্মানেৰে সন্মানিত কৰিছিল। তেখেতৰ মৃত্যু অসমীয়া সাহিত্যৰবাবে অপূৰণীয় ক্ষতি। অসমীয়া সাহিত্য সমাজলৈ আগবঢ়োৱা অৱদান অসমবাসীয়ে চিৰদিন মনত ৰাখিব। অসমীয়া জাতি আৰুসাহিত্যিক আজিৰ পৰ্যায়লৈ অনাৰ অন্যতম কাণ্ডাৰী আছিল। জীৱিত কালত সাহিত্য-সংস্কৃতি আৰু জাতিৰ ভৱিষ্যতৰ বাবেই উচৰ্গা কৰাৰ মানেসেৰে জীৱনটো আগবঢ়াই লৈ গৈছিল। বৰ্তমানৰ পৰিস্থিতিত যেনেদৰে পাব লাগিছিল সেয়া বাকী থাকিল। তেওঁ বহু দিলে আৰু দিবলৈ হয়তো বাকীও থাকিল। সময়ৰ ধামখুমীয়াত তেওঁ জীৱনৰ মূল্যাংকনৰ পদ্ধতিত একাষৰীয়া হৈ থাকিল। কাৰণ হয়তো এটাই, উপযুক্ত স্বীকৃতিৰ কৌশল হয়তো আয়ত্তকৰিব নোৱাৰিলে। যি কি নহওক আন বহুতৰ দৰেই অহা বাটেৰেই তেৰোঁ গ'লগৈ ৯৭ বছৰ অতিক্ৰমী। আমি আশা কৰিছিলো অন্ততঃ শতক পাৰ কৰিব বুলি। বৈ গ'ল তেওঁৰ সৃষ্টি যিয়ে তেওঁক জীয়াই ৰাখিব। আমাৰ মনতো সজীৱ হৈ থাকিব তেওঁৰ কৃতী আৰু সান্নিধ্যৰ মাজেৰে সেয়া স্মৰণীয় হৈ থাকিব।

# বকুল ফুলৰ দৰে

■ কুলদীপ মেধি

এই দৃশ্যটো মোৰ শোৱনি কোঠাৰ খিৰিকীৰ মাজেৰে প্ৰতিদিনে দৃশ্যমান হয়। মই ইয়াত থকাৰ পৰা এইটো সদায় দেখি আহিছো। ঘৰটো অলপ খালী। মই সঁচাকৈয়ে এই ঘৰটো ভাল পাইছো। মই নিৰ্জনতা ভালপাওঁ। ঘৰৰ পিছফালে এখন পথাৰ আছে। ইয়াৰ আনটো ফালে এজোপা বকুল গছ আছে। ধুনীয়া পৰিৱেশ। সাধাৰণতে কোনেও ইয়ালৈ নাহে।

অফিচৰ পৰা উভতি অহাৰ পিছত, মই অলপ জিৰণি লওঁ। টোপনি নাহে। মোৰ টোপনি কম। খিৰিকীৰ বাহিৰলৈ চাই ৰওঁ। নীলা আকাশ। উৰি যোৱা চৰাইৰ জাক। তেওঁলোক সন্ধিয়াৰ অলপ আগে আগে তাত উপস্থিত হয়। দুয়ো ফালৰ পৰা দুজন। তেওঁলোকে হাঁহে, কথা কয়। ময়ো তেওঁলোকৰ হাঁহিবোৰ হাঁহো। কোনে জানে কিয়? হয়তো মই মোৰ মনত তেওঁলোকৰ সৈতে সংযোগ স্থাপন কৰি পেলাইছোঁ। এক সপ্তাহ, দুই সপ্তাহ, এমাহ, দুমাহ... এনেকৈয়ে পাৰ হৈ গৈ আছে সময়। লানি-নিছিগা সিহঁতৰ কথা...

প্ৰেমিক ঃ মোক তোমাৰ প্ৰয়োজন, মোৰ বুঢ়া বয়সত তোমাক আটাইতকৈ বেছি প্ৰয়োজন হ'ব।

প্ৰেমিকা ঃ এতিয়া প্ৰয়োজন নাই মানে?

প্ৰেমিক ঃ আছে, কিয় নাথাকিব! বিয়াৰ পিছত আমাৰ বহুত কাজিয়া হ'ব, আমি কাজিয়া কৰিম আৰু নোখোৱাকৈয়ে প্ৰায় ৰাতি আমি টোপনি যাম, আমি বিছনাখনৰ দুয়োফালে দুয়ো শুই থাকিম আৰু ইজনে সিজনৰ মুখামুখি হ'লেও, আমি কাৰো ফালে নাচাম, আমি কথা নাপাতিম। তুমি আঁতৰি যাবা আৰু উচুপি উঠিবা। বাহিৰত বৰষুণ আৰম্ভ হ'ব, মই ঠাণ্ডাত কঁপিম, তুমি মোৰ গাত কম্বলখন দিবলৈ লওঁতেই তোমাৰ হাতত ধৰি...

প্ৰেমিকা ঃ যা, লাজ নাইকিয়াটো।

প্ৰেমিক ঃ এদিন আমি যৌৱনৰ বাটেদি গৈ গৈ বুঢ়া হ'ম। তোমাৰ বকুল ফুলৰ দৰে গাল দুখনি সোঁতোৰা-সোঁতোৰ হৈ পৰিব, চুলিবোৰো পকিব, চকুত ছানি পৰিব আৰু মই ছচমাৰ তলেৰে জুমি জুমি তোমালৈয়ে চাই থাকিম।

প্ৰেমিকা ঃ আচ্ছা, ইম্মান ভাবিছা।

প্ৰেমিক ঃ বুঢ়া কালতো এনেকৈয়ে আমি এই বকুল তলত বহিম। হাতত হাত ধৰিম। বুঢ়া কালতো এজনী বুঢ়ীৰ খুব দৰকাৰ হয় প্ৰেম কৰিবলৈ, মৰম পাবলৈ। তুমি জানো বুঢ়া কাললৈ মোৰ লগত বুঢ়ী হ'বা? মই যুৱতীগৰাকীৰ হাঁহি শুনিবলৈ পাওঁ। সৰি পৰা সূৰ্যৰ পোহৰত ল'ৰাটোৰ মুখখন ছোৱালীজনীৰ হাঁহি দেখি আনন্দৰে জিলিকি উঠে। এদিন সিহঁতে ওঁঠত ওঁঠ লৈ ইজনে সিজনক স্পৰ্শ কৰিছিল। সেই মাত্ৰ কেৱল এদিনহে। মই এয়া আৰু কোনোদিনে দেখা নাই। সন্ধিয়া নামি অহাৰ লগে লগে সিহঁত গুচি যায়। দুয়োফালে দুজন। এদিন মই তেওঁলোকলৈ চাই আচৰিত হৈছিলো। ছোৱালীজনীয়ে কান্দি আছে। ল'ৰাটোৰ মুখ মলিন। সি বকুল গছৰ তলত মূৰটো তল কৰি থিয় হৈ আছে। সেইদিনা গছত বহুতো ফুল সৰিছিল। ছোৱালীজনীয়ে কিবা কৈ আছে। মই সেয়া শুনিব পৰা নাই, কিন্তু শুনিবলৈ বৰ মন গৈ আছিল। তেওঁলোকৰ কি হ'ল। ল'ৰাটোৱে চুপ-চাপ শুনি আছে। সন্ধিয়াটো নামি আহিছে। হঠাতে দেখিলো ল'ৰাটোৱে দুয়োখন হাত দাঙি দিয়াৰ লগে লগে ছোৱালীজনীয়ে তাৰ বুকুত সোমাই উচুপিবলৈ ধৰিলে। সিহঁত দুয়ো কান্দি আছে। ময়ো কান্দি আছো। পিছদিনা ল'ৰাটো আহিল, কিন্তু ছোৱালীজনী অহা নাছিল। তাৰ পিছদিনাও। ল'ৰাটো আহে। গছৰ তলত অলপ সময় বহি থাকে। গছৰ ডালবোৰলৈ চাই আৰু ফুলবোৰৰ সৈতে কথা পাতে। তাৰ পিছত সি গুচি যায়। সৰি পৰা বকুল ফুলবোৰ লেৰেলিবলৈ ধৰিছে। এদিন মই অফিচৰ পৰা উভতি আছিলো আৰু আচৰিত হৈছিলো। সেই ছোৱালীজনীক দেখি। তাই আন এজন ল'ৰাৰ লগত। শিৰত সেন্দূৰ, নতুন কইনাৰ সাজত। তাইৰ সলাজ হাঁহি। কি যে ধুনীয়া লাগিছে। দুয়ো নৱ-দম্পতীয়ে হাঁহি হাঁহি কথা পাতি আছে।

সেই মুহূৰ্তত আগদিনাৰ দুপৰীয়া বকুল গছৰ তলত বহি সেই বিষণ্ণ মুখখনলৈ মনত পৰিল। মোৰ চকু অস্পষ্ট হৈ পৰিল। তাই গাড়ীৰে পাৰ হৈ গ'ল। সেইদিনা সন্ধিয়াও ল'ৰাজন বকুল তলত। মই খিৰিকীৰে ল'ৰাটোৰ ফালে চাই চাই ভাবিলোঁ, এই ল'ৰাটোৰ অকৃত্ৰিম মৰম তাই জানো পাহৰিব পাৰিছে? মই উত্তৰটি বিচাৰি নাপালোঁ। আমাৰ বেছি ভাগেই সদায় আনৰ বাবেহে জীয়াই থাকো। বহু সময়ত পৰিয়াল, পিতৃ-মাতৃৰ বিষয়ে চিন্তা কৰি বহু লোকে তেওঁলোকৰ মৰম-ভালপোৱা ত্যাগ কৰে, পাহৰি যায়। সকলো বেদনা, যন্ত্ৰণা বুকুতে ৰাখি ওঁঠত হাঁহি এটাৰে তেনে লোকে নতুন পৃথিৱীত সুখী হোৱাৰ নিখুঁত কাৰ্য সম্পাদন কৰে। অন্যথা আনজন ব্যক্তিয়ে ভুগিব, সেই কথা ভাবিয়ে ত্যাগ অপৰিহাৰ্য হৈ পৰে। তাৰ পিছত, জীৱনৰ কোনো এক ক্ষণত আমি এৰি থৈ অহা ভালপোৱা, প্ৰেম এদিন হৈ যায়। লাগে লাগে কথাবোৰ পুৰণি হয় আৰু পাহৰণিৰ গৰ্ভত হেৰাই যায়। আৰু তাৰ পিছতেই আমি প্ৰত্যেকেই বৰ্তমানৰ সংগীজনৰ সৈতে মৰম-ভালপোৱাৰ এনাজৰীৰে এক নিবিড় সম্পৰ্কৰে বান্ধ খাই পৰো। এই পৃথিৱীখন এখন মায়াৰ ঠাই। নাৰীয়ে মায়াৰ জৰীৰে নিজকে বান্ধি মায়াৰ বান্ধোনত, মায়াতে জী থাকিবলৈ ভাল পায়। আমি স্বাধীনতাত নহয়, বান্ধোনতহে যেন সুখী হওঁ। ল'ৰাটো এতিয়াও কেতিয়াবা আহে। বকুল তলত অলপ সময় বহি থাকে। বতাহৰ সৈতে কথা পাতে আৰু গুচি যায়। হয়তো এদিন ল'ৰাজন এই বকুল তললৈ নাহিব। সিওঁ নতুন মানুহৰ সৈতে বান্ধ খাই পৰিব। এই বকুল গছৰ তলৰ সকলো স্মৃতি ধূসৰ হৈ পৰিব। সি নতুন মানুহৰ মাজত তাৰ হেৰোৱা প্ৰেম বিচাৰি পাব। প্ৰেম কেতিয়াও হেৰাই নাযায়। ই সদায় উভতি আহে এক নতুন ৰূপত এগৰাকী নতুন মানুহৰ বেশত। প্ৰেম অবিনাশী, ঠিক বকুল ফুলৰ দৰে গোন্ধায়।





... অনুগল্প ...

# লখিমী বোৱাৰী

■ ৰাতুল শৰ্মা



অ' এইটো পুতুকণৰ মাক নহয়নে? ৰন্ধা-বঢ়াত ভীষণ ব্যস্ত যেন পাইছোঁ। ছিঃ ছিঃ বোৱাৰীজনী থকাৰ পিছতো এইদৰে কাম কৰিব লাগেনে? পুতুকণৰ মাকৰ পৰা সদুত্তৰ পোৱাৰ আশাৰে পদুমী বুঢ়ী ওচৰতে থকা পীৰাখন টানি আনি বাৰাণ্ডাত বহিল। নহয় অ' পদুমী, বোৱাৰীয়ে সকলো কৰিছে। অকল ভাজিখিনিহে মই চাই দিছো। অ' তোক কোৱাই হোৱা নাই। অৱশ্যে তই বহু দিন আমাৰ ঘৰলৈ অহাও নাই। আমাৰ বোৱাৰীয়ে চাকৰি পালে নহয় হাইস্কুলত। পুৱাৰ কাম-বন শেষ কৰি স্কুললৈ যাওঁতে বেচেৰীজনীৰ বহু কষ্ট হয়। সেয়ে কেতিয়াবা অলপ লাগি দিওঁ। জানানে ভাগ্য কৰি লখিমী বোৱাৰীজনী পাইছো দেই। এতিয়া আৰু মোৰ পুতুকণৰ বাবে কোনো চিন্তা নাই। ৰূমৰ পৰা কথাবোৰ শুনি জুৰিৰ মুখত এক মিচিকিয়া হাঁহি বিয়পি গ'ল। কাইলৈ শাহুৰ চকুৰ কুটা দাঁতৰ শূল জুৰি আজি চাকৰিটো পায়েই লখিমী বোৱাৰী হৈ গ'ল। বাঃ টকাৰ মহিমা...

ফোন ঃ ৭০০২১-৭২৯১৮

... বৰ্ষা ঋতুত পৃথিৱীৰ অসুখ বাঢ়ে...

# সোণোৱালী ধানে দলিচা পৰা পথাৰখন সাগৰ হৈ পৰে

■ ব্ৰজেন জীৱন

পৃথিৱীৰ অসুখ বাঢ়িছে। যোৱা দুটা বৰ্ষত কৰ'না মহামাৰীৰ ফলত পৃথিৱী ধৰাশায়ী হৈ পৰিছে। মানুহৰ মৃত্যুৰ বিভীষিকা নৌশেষ হওঁতেই পুনৰ পৃথিৱীত প্ৰলয়ংকৰী বানপানীয়ে ৰূদ্ৰ ৰূপ ধাৰণ কৰি জনসাধাৰণক জীয়াতু ভোগাইছে। কোনে বুজিব বানবিধ্বস্ত মানুহৰ জীৱন গাথা। এইবাৰ অসমত মুষলধাৰ বৰষুণত খেতিপথাৰবোৰ সাগৰত পৰিণত হৈ পৰিছে। ফেনে-ফোটোকাৰে বাঢ়ি অহা নদ-নদীৰ পানীয়ে মথাউৰি ভাঙি জীৱকুলৰ যেন ধ্বংস যজ্ঞ পাতিছে। জীৱ-জন্তু, চৰাই চিৰিকটিৰ বিপদৰ সীমা নোহোৱা হৈ পৰিছে। অসমৰ মাটি আজি সাগৰসদৃশ হৈ পৰিছে, পৃথিৱীৰ আজি অসুখ বাঢ়িছে। কৃষকৰ মূৰত ৰাম-টাঙোন পৰিছে। শাক-পাচলি আদি শস্যৰ উৎপাদন নোহোৱাত বজাৰত শাক-পাচলিৰ লগতে উৎপাদিত ফচলৰ মূল্য আকাশলঙ্ঘী হৈছে। সিফালে দুখীয়া-দৰিদ্ৰসকলে চৰকাৰী ৰেচনৰ আশাত চিপ গিলিছে। মধ্যবিত্ত পৰিয়ালে কথমপি জোৰা-টাপলি মাৰি জীয়াই থকাৰ পণ লৈছে। অসমৰ নদীপৰীয়া মানুহৰ অৱস্থা আজি পানীত হাঁহ নচৰা হৈ পৰিছে। যি নদীয়ে নদীপৰীয়া লোকসকলক জীয়াই থকাৰ সপোন দেখুৱায়, সেই নদীয়ে আজি কাঢ়ি নিছে শতজনৰ প্ৰাণ। যি মানুহে নদীৰ পাৰত বহি সপোনৰ চিলা উৰুৱায়, সেই নদীয়ে আজি নদীপৰীয়া লোকসকলক বিশ্বাসঘাতকতা কৰিছে। নদীয়ে ভয়ংকৰ মূৰ্তি ধাৰণ কৰি নদীপৰীয়া মানুহৰ সপোন ভাঙি চূৰমাৰ কৰি দিছে। সভ্যতা ভঙা-পতাৰ খেলখন নদীয়ে আজি যেন পুনৰ আৰম্ভ কৰিছে। পৃথিৱীৰ অসুখ বাঢ়িছে। ক্ৰমান্বয়ে বানপানীৰ জোৱাৰ কমিব লাগিছে যদিও বানপীড়িতক বিধৱাৰ সাজ বিন্ধাই প্ৰকৃতিয়েও আজি ৰং চাইছে। ৰাস্তা-ঘাট, পদূলিৰ দুৰৱস্থাৰ কথা নক'লোৱেইবা। এই সময়তে কৰ'না মহামাৰীৰ তাণ্ডৱ নাহিলেহে ৰক্ষা। অৱশ্যে তাকো নুই কৰিব নোৱাৰি। মানৱ সভ্যতাৰ অস্তিত্ব আৰু কিমান দিনলৈ থাকিব তাক লৈও আজি বিদ্বানসকলে আলোচনা কৰিছে। প্ৰদূষণ আৰু জনসংখ্যা বৃদ্ধিৰ সমস্যায়ো পৃথিৱীৰ অসুখ বঢ়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে। সোণোৱালী ধানে দলিচা পৰা পথাৰখনত পানী পুনৰ উপচি পৰিছে। চাৰিওফালে কেৱল পানী আৰু পানী। কৰ্মঠ কৃষকৰ নাঙলৰ সীৰলুত প্ৰাণ পাই উঠিবনে সোণোৱালী শইচৰ সোণগুটিৰে ভৰা সেউজ ধৰণী, বৰ্ষাবিধৌত প্ৰকৃতিৰ প্ৰকৃত শস্যৰ বীজ ৰোপণ কৰি কৃষকসকলে পাৰিবনে সোণোৱালী পথাৰত সৰগ ৰচনা কৰিব। কবি জোনমণি দাসৰ কবিতাৰ এটা পংক্তি মনত আজি পৰিছে- 'বাহিৰত গোমা আকাশ আৰু চেঁচা বতাহ বলিছে, ধাৰাসাৰ বৰষুণ পৰিছে, অগা-ডেৱা কৰিছে মোৰ সোঁৱৰণী, সিৰাই সিৰাই উতলি উঠিছে তপত তেজ।'

ফোন ঃ ৮৬৩৮৭-৫৯৬৭৯

# পুৰণি আৰু আধুনিক সভ্যতাৰ মাজত আমিবোৰ



■ হেমা চহৰীয়া

মানুহে অৰণ্য এৰি নদীৰ দাঁতিকাষৰীয়া অঞ্চলত থাকিব লোৱাৰে পৰা একোটা অঞ্চলৰ, একোখন গাঁৱৰ সৃষ্টি হ'ল। লাহে লাহে মানুহে সমাজ পাতি থাকিবলৈ ল'লে। সমাজে নিয়ম ভাঙে আৰু গঢ়ে। ঘৰখনে, সমাজখনে মানুহৰ বুনিয়াদ ৰচনা কৰে। এই সমাজখন বিশেষকৈ গঞাসকল বেছি ভাগেই স্কুলীয়া শিক্ষাৰে শিক্ষিত নাছিল যদিও তেওঁলোকৰ জ্ঞানৰ প্ৰসাৰতা আছিল অতি বিশাল। পুৰণি কালৰ ঘৰ এখনৰ, চুবুৰি অথবা গাঁও এখনৰ নীতি-নিয়ম আজিৰ আধুনিকতাৰ সমাজ ব্যৱস্থাতকৈ অতি উচ্চ খাপৰ আছিল। গাঁৱলীয়া পৰিৱেশৰ ঘৰবোৰ বেছি ভাগেই আছিল জুপুৰী ঘৰ। পৰিয়ালবোৰ আছিল যৌথপৰিয়াল। তাত ককাই-ভাই, খুৰা-খুৰী, বৰতা-বৰমা, পেহী, আইতা-ককা আদি একে লগে মিলি-জুলি আছিল। বেছি ভাগেই কৃষিৰ লগত জড়িত আছিল। ঘৰুৱা কামবোৰ সকলোৱে সমিল - মিলেৰে কৰিছিল। তিৰোতাসকলৰ কামৰ আহৰি নাছিল। ঘৰ-চোতালৰ কাম শহুৰ - শাহুৰ কাম, ল'ৰা-ছোৱালীৰ আবদাৰ মৰা, পথাৰৰ কাম, তাতশাল, ঢেকীশালৰ ইত্যাদি ইত্যাদি কামকে ধৰি কত যে কিমান কাম। তথাপি যেন টাকুৰী ঘূৰাদি ঘূৰিয়েই আছিল। বিবিধ ব্যঞ্জনেৰে ভাত বনাই ল'ৰা-ছোৱালীক স্কুল-কলেজলৈ পঠাইছিল। পুৱা-গধূলি গোসাঁইঘৰত বন্তি দিয়া, ল'ৰা-ছোৱালী সকলোৱে একে লগ হৈ ঈশ্বৰক আৰাধনা কৰিছিল। গৰম কালি সন্ধিয়া চোতালত ঢাৰি পাৰি শুই শুই আইতাৰ পৰা সাধু শুনা, ঠাণ্ডা দিনত জুইৰ সেক লৈ গল্প কৰা, পূজা-উৎসৱ-বিহু আহিলে ল'ৰা-ছোৱালীবোৰৰ কিমান যে ব্যস্ততা।!সভাঘৰ, নাটঘৰবোৰ হৈ পৰে মিলনৰ তীৰ্থ ক্ষেত্ৰ।

অতীতত গাঁৱৰ চুবুৰিৰ এঘৰত পিঠা, মাছ -মঙহেৰে ভাত বনালে সকলোৱে ভাগ পাইছিল। গধূলি সময়ত কোনেও কোনো জীৱকে বধ কৰা নাছিল। কোনো বস্তু খোৱা নাছিল। সেই সময়খিনি হিৰণ্যকশিপুৰ বধৰ সময়। মানুহে বিশ্বাস কৰিছিল- এই সময়ত খোৱা-শোৱা, হাই-কাজিয়া কৰিব নাপায়। গাঁৱৰ বয়োজ্যেষ্ঠজনে সৰুসকলক মৰম-আদৰ কৰিছিল। নিজৰ ল'ৰা-ছোৱালীয়ে কাচিৎ ভুল কৰিলে ভুলটো ভুল বুলি মানি লৈছিল। কনিষ্ঠসকলেও বয়োজ্যেষ্ঠজনক শ্ৰদ্ধা-ভক্তি কৰিছিল। গাঁৱৰ গোসাঁইঘৰবোৰ আছিল ভাওনা-সবাহৰ ঘৰ। মানুহৰ চোতালে চোতালে গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ যাব পৰা আছিল। আজিৰ দৰে চোতালত পকী দেৱাল নাছিল। মানুহবোৰৰ মাজত আছিল একতা, মিলা-প্ৰীতি। কাৰোবাৰ অনুষ্ঠানবোৰত সকলোৱে লাগি-ভাগি দিছিল। আজিৰ দৰে বিয়া বা আন অনুষ্ঠানবোৰত কামলা মানুহ লগাব লগা হোৱা নাছিল। বোৱাৰীসকলেও আপোন মনে নিজৰ কাম কৰি গৈছিল। আজিৰ আমিবোৰৰ দৰে টি ভিৰ ছিৰিয়েলখন চাইহে ভাত বনাব যোৱা বা আন কামবোৰ কৰিব বৈ থকা নাছিল। আমি আহি এয়া টি ভি, মোবাইল, ইণ্টাৰনেট ই-মেইলৰ যুগত ভৰি থৈছোঁহি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই আমাক বহু আগুৱাই লৈ গ'ল। চুইছ টিপিলেই আমি ঘৰৰ ভিতৰতেই সকলো পাব পৰা হ'লো। ঘৰতে বহি দূৰত থকাজনৰ লগত কথা পাতিছো, দেখা পাইছো। পথাৰত হাল, কোৰ এৰি বৈজ্ঞানিক যন্ত্ৰপাতি ব্যৱহাৰ কৰি অতি কম সময়তে খেতিৰ কাম শেষ কৰিছোঁ। পলকতে দূৰণিৰ পৰা ঘূৰি আহিব পৰা হৈছো। হাবি এৰি ফুলবাৰী সাজিছো। তথাপি আমি যেন কিবা এটা হেৰুৱাইছো। কিয় মনে কয়? গাঁৱৰ কেঁচা ৰাস্তাবোৰ পকী হ'ল। বিবিধ গাড়ী-মটৰৰ প্ৰচলন হ'ল। হাবিৰ বনৰীয়া হিংস্ৰ জন্তুবোৰ নোহোৱা হ'ল। আজিৰ গাঁৱৰ মানুহে দূৰ ঠাইৰ পৰা আহিবলৈ বনৰীয়া হিংস্ৰ জন্তুলৈ ভয় নকৰে, আজিৰ মানৱে ভয় কৰে মানৱক। এটা সময় আছিল যিটো সময়ত মানুহে খোজত এটা ভেকুলী মৰিলে সচকিত হৈছিল আৰু আজি আমি তেওঁলোকৰ প্ৰজন্মই দিন-দুপৰতে মানুহ হত্যা কৰিবলৈও ভয় নকৰা হৈছো। নিজৰ পিতৃ-মাতৃক শতৰু জ্ঞান কৰিব লৈছো। ভায়ে ভাইক চিনি নোপোৱা হৈছো। আজিৰ আমিবোৰে নিজক পাহৰিছো, আমি পুৰুধা পাহৰিছো। মই ক'ব বিচৰা নাই এই সকলোবোৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বাবে হৈছে। বহু ভাল দিশো আমাক বিজ্ঞানে দিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা নহ'লে দেশৰ প্ৰগতি অসম্ভৱ। আন আন দেশৰ লগতে আমিও বহু আগুৱাই গৈছো। পিছে তাৰ অৰ্থ এইটো নহয় যে আমি অতীতক জলাঞ্জলি দিম। পুৰণি আৰু আধুনিক সভ্যতাৰ মাজত ভৰি থৈ সচকিত হৈছোঁ কোনটো পথেৰে গতি কৰিলে আমি এটা শুদ্ধ আৰু সত্য পথ পাম আমাৰ প্ৰজন্মই নিজৰ লগতে ঘৰখন, দেশ-জাতি-মাটি-ভেটি ৰক্ষা কৰাৰ এটা সুপথ কেনেকে পাম। এইবোৰ দ-কৈ ভবাৰ সময় এয়া। বিজ্ঞান, প্ৰযুক্তি বিদ্যা, আধুনিকতাৰ মাজলৈ অতীতকো টানি আনি চিন্তা চৰ্চা কৰাৰ সময় এয়া। গুপুতে এটা কথা কওঁ— অতীতৰ সকলো জলাঞ্জলি দিয়াকে প্ৰগতি নুবুজায়, সভ্যতা নুবুজায়। নতুন প্ৰজন্মই এনে চিন্তা-ভাবনাৰে আগবাঢ়িলে, নিশ্চয় আমি ভবাৰ দৰে এখন সুস্থ-সবল সমাজ পাবলৈ সক্ষম হ'ম। সেয়ে কওঁ- হে মোৰ অসমৰ নতুন পুৰুষ আৰু নতুন নাৰী, এনে চিন্তা-ভাবনাৰে গঢ়ো আহা নতুন সমাজ, গঢ়ো আহা আমি আমাৰ ভৱিষ্যৎ।

*ফোন ঃ ৮০১১৩-৬৭৬২৯*



*ৰুচিৰ ৰঞ্জন গগৈ, পঞ্চম শ্ৰেণী, হলি নেম স্কুল শিৱসাগৰ, চেৰেকাপাৰ*

## মৰমৰ মইনাহঁত—

তোমালোকৰ ভাল নে? বন্ধ শেষ হ'ল। স্কুলবিলাক আৰম্ভ হৈছে। বন্ধৰ দিনবোৰ আনন্দৰে কটোৱাৰ পিছত এতিয়া ভালদৰে পঢ়া-শুনাত মনযোগ দিয়া। বন্ধত যদি কৰ'বালৈ গৈছিলা সেই ঠাইখনৰ বিষয়ে লিখিবাচোন। আমাৰ কাকতত প্ৰকাশ কৰিম। কাকতত তোমালোকৰ লেখা ওলালে চাবাচোন কিমান ভাল লাগিব।

আকৌ পালেহি পোন্ধৰ আগষ্ট। এইবাৰ ৭৫সংখ্যক স্বাধীনতা দিৱস দেশজুৰি পালন কৰা হ'ব। বৰ উলহ-মালহেৰে স্বাধীনতা দিৱসৰ প্ৰস্তুতি চলিছে। চৰকাৰে এইবাৰ ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈকে প্ৰত্যেকৰে ঘৰত ত্ৰিৰংগা পতাকা উৰুৱাবলৈ আহ্বান জনাইছে। ত্ৰিৰংগা পতাকা বা জাতীয় পতাকা আমাৰ দেশৰ জাতীয় দাপোণ, আমাৰ সন্মান। তিনিটা ৰঙেৰে তৈয়াৰ কৰা হয় কাৰণে পতাকাখনক ত্ৰিৰংগা পতাকা বুলি কোৱা হয়। এই তিনিটা ৰঙৰ ভিতৰত ওপৰৰ ৰংটো হ'ল গেৰুৱা, মাজত বগা আৰু তলৰ ৰংটো হ'ল সেউজীয়া। আকৌ মাজৰ বগা ৰঙৰ মাজত আছে এটা চক্ৰ। এই চক্ৰটোক অশোক চক্ৰ বুলি কোৱা হয়। এই চক্ৰটোত ২৪ ডাল দণ্ড আছে। জাতীয় পতাকা আৰু স্বাধীনতা দিৱসৰ বিষয়ে তোমালোকে খুব ভালদৰে জানি ল'বা দেই। আমাৰ ভাৰতবৰ্ষ ব্ৰিটিছসকলে প্ৰায় দুশ বছৰ অধিকাৰ কৰি ৰাখিছিল। জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা আন্দোলনত বহুতো দেশপ্ৰেমিকে বিভিন্ন কষ্ট স্বীকাৰ কৰাৰ লগতে বহুতো ব্যক্তিয়ে প্ৰাণ আহুতি দিছিল। অসমতো মনিৰাম দেৱান, কুশল কোঁৱৰ, কনকলতা, মুকুন্দ কাকতি, আদি অনেক শ্বহীদ হৈছিল স্বাধীনতা আন্দোলনত। এইসকল বীৰ যোদ্ধাৰ অশেষ ত্যাগৰ বিনিময়ত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষ স্বাধীন হৈছিল। তোমালোকেও ভাৰতৰ এই স্বাধীনতা দিৱসৰ কাৰ্যসূচীত উলহ-মালহেৰে যোগদান কৰি দেশমাতৃৰ গৌৰৱত গৌৰৱান্বিত হোৱা।

আজিলৈ বাৰু তোমালোকক এৰিছো দেই। পুনৰ মৰম ল'বা।

তোমালোকৰ—

**ভূপেন মামা**



*অভিমন্যু চেতিয়া, তৃতীয় শ্ৰেণী, শংকৰদেৱ শিশু নিকেতন, যোগীঘোপা*



## দিকচৌ বাটেৰে গুচি যোৱা মানুহজন

■ **ঝৰ্ণালী শৰ্মা বৰকটকী**

হে মানৱ দৰদী যোদ্ধা
তোমাৰ অবিহনে
সেউজীয়া গানবোৰ
ফাগুনৰ পছোৱাবোৰ
উদাসীনতাৰ
আঁচলত লুকাল।
তোমাৰ বাবে মৃত্যুও
আছিল এক শিল্প
কিন্তু,
যি মৃত্যুৰ কোনো
ঠিকনা নাই
নাই কোনো সৃষ্টি,
সীমাহীন দুখৰ
কঠীয়া সিঁচি দিয়ে
তেনে মৃত্যু শিল্প
হ'ব পাৰেনে?
যদি মৃত্যু শিল্প হয়
তেনে তোমাৰ মৃত্যু হ'ব
কৰুণ শিল্প।
তুমিতো জনা নাই
এতিয়া তুমি বিয়পি আছা
বৃদ্ধৰ পৰা শিশুলৈকে
বৃক্ষৰ পৰা পৃথিৱীলৈকে।
জন্মৰ পৰা মৃত্যুলৈ
যিমানেই দূৰ নহওক কিয়?
সূৰ্য সদায়ে ওলাব
তোমাৰ পোহৰে
অযুত তৰাৰ ঘূমতি
সদায়ে ভাঙিব
নেপাহৰে কোনোকালে
তোমাৰ সেউজীয়া গান
সেউজীয়া ধান
সেউজীয়া মন
হে' কালজয়ী কবি
তোমাক জনালোঁ প্ৰণাম।

*ফোন ঃ ৯১০১৮-৬০৩৫৯*



## মোৰ মন যায়

■ **গৌৰী মহন্ত**

মোৰ মন যায় এজন আদৰ্শ শিক্ষক হ'বলৈ,
সুশিক্ষাৰে শিক্ষিত কৰি দেশত
সুনাগৰিক গঢ়িবলৈ।
মোৰ মন যায় এজন সু-চিত্ৰকৰ হ'বলৈ,
প্ৰদৰ্শনীত দৰ্শকৰ পৰা প্ৰশংসা বুটলিবলৈ।
মোৰ মন যায় এজন সুদক্ষ খেলুৱৈ হ'বলৈ,
জগত বিখ্যাত অলিম্পিক খেলৰ
পদক জিনিবলৈ।
মোৰ মন যায় হ'বলৈ এজন পৰিশ্ৰমী কৃষক,
কৃষিৰ দ্বাৰা স্বাৱলম্বী কৰো
নিজক আৰু দেশক।
অভিনেতাও মোৰ হ'বৰ মন
কৰি কঠোৰ অনুশীলন,
ৰূপালী পৰ্দাত নিজৰ অভিনয়
চোৱাৰ অতিকৈ মন।
মোৰ মন যায় হ'বলৈ এজন
সৈনিক সীমান্তত,
আত্মবলিদান দি শ্বহীদ হ'ম মই
যদি হয় দেশৰ অথন্তৰ।
মোৰ মন যায় হ'বলৈ এজন
সমাজকৰ্মী ৰাইজৰ
মানৱসেৱাকেই ধৰ্ম মানি
থিয় দিম কাষত
আৰ্তজনৰ।

*ফোন ঃ ৯৪৩৫৭-৪২০৮৪*

## (শিশু গল্প) বতৰৰ ফল

■ টুনমণি বৰদলৈ



প্ৰখৰ ৰ'দত অৰ্ণৱ, বিভু, জিতুৱে হাতত কেটেপা এখন লৈ হাবিয়ে-বননিয়ে ঘূৰি ফুৰা দেখি দিলীপ ককাকে মাত লগালে- অৰ্ণৱ, বিভু তোমালোকে এই ভৰ দুপৰীয়া কি কৰিছা? ভৰ দুপৰীয়া এনেকৈ ঘূৰি ফুৰিব নাপায় নহয়। আহা, এই গছৰ ছাঁতে বহিবা। আমি সকলোৱে কথাৰ মহলাকে মাৰিম।

ককা, ৰ'বাচোন, আমি কাম এটা কৰি আছোঁ- বিভুৱে অলপ সৰুকৈ মাতটো উলিয়াই ক'লে।

কি কাম কৰিছা, হাতত কেটেপা লৈ- ককাকে অলপ আচৰিত হৈ সুধিলে।

ককা, সৌ চৰাইটো বাটুলি গুটি মাৰি কোনে টিকাব পাৰে আমি প্ৰতিযোগিতা পাতিছোঁ, তুমি সেইখিনিৰ পৰাই চাই থাকা দেই ককা। -অৰ্ণৱেও মাতটো সৰু কৰি ককাকক ক'লে।

কি? তোমালোকে চৰাইলৈ বাটুলি গুটি মাৰিছা, ইচ্ ইচ্ নাপায় নহয় চৰাইলৈ বাটুলি গুটি মাৰিব। সিহঁতকো মুক্ত মনে এই গৰমত গছৰ ডালত জিৰাবলৈ দিয়া। তোমালোকে বাৰু ভাবি চাইছানে, যদি চৰাইটোৱে দুখ পাই উৰিব নোৱৰা হৈ পৰে তেতিয়া সিহঁতৰ পোৱালিবোৰক কোনে খাবলৈ দিব, পোৱালিবোৰক কোনে চোৱা-চিতা কৰিব। পোৱালিকেইটাই খাবলৈ নাপায় বাহতে মৰি নাযাবনে? আটাইকেইটা সেমেনা-সেমেনিকৈ আহি ককাকৰ ওচৰ পালেহি আৰু ক'লে— হয় ককা, সেই কথা আমি ভবাই নাছিলোঁ জানা। তুমি আজি আমাৰ চকু খুলি দিলা, আজিৰ পৰা আমি কেতিয়াও চৰাই নামাৰো।

পিছে ককা, এই গৰমৰ পৰা পৰিত্ৰাণ পাবলৈ আমি কি কৰিব লাগিব? অৰ্ণৱে ককাকৰ ওচৰতে বহি সুধিলে।

ককাকে ক'লে— গৰমৰ পৰা পৰিত্ৰাণ পাবলৈ আমি ঘৰৰ আশে-পাশে গছপুলি ৰোপণ কৰিব লাগিব, কপাহী কাপোৰ পিন্ধিব লাগিব আৰু সেই কাপোৰৰ ৰং সদায় পাতল ৰঙৰ হ'ব লাগিব। বিশেষকৈ খোৱা-লোৱাৰ ক্ষেত্ৰতো মা-মচলা দিয়া অথবা তেলত ভজা খাদ্য কমকৈ খাব লাগিব। গৰমৰ বতৰত ওলোৱা ফল-মূল, শাক-পাচলিহে খাব লাগিব। মুঠতে প্ৰকৃতিয়ে দিয়া দান আমাৰ স্বাস্থ্যৰ বাবে অতি উত্তম গম পাইছানে। গৰম দিনত পানী সঠিক পৰিমাণে খোৱাতো কিন্তু খুবেই প্ৰয়োজনীয়। তদুপৰি গজালি ওলোৱা বুট-মগু খাব লাগে। কিয়নো এই খাদ্যসমূহত ফাইবাৰ থাকে। এই ফাইবাৰে মাংসপেশী সবল আৰু শক্তিশালী কৰি ৰাখে। পেটৰ যি কোনো সমস্যাৰ পৰা ৰক্ষা কৰে। বজাৰত ওলোৱা জাংক ফুড, মচলাযুক্ত খাদ্য, ৰেড মিট, নঢকাকৈ ৰখা যিকোনো খাদ্য কেতিয়াও খাব নালাগে। গৰমৰ এই দিনকেইটাত চুলি, গাৰ ছালখনৰ অলপ হ'লেও যত্ন ল'ব লাগে, লগতে অন্ততঃ আধা ঘণ্টা ব্যায়াম কৰিব লাগে, নহ'লে শৰীৰত চৰ্বি বৃদ্ধি হ'ব পাৰে। আজিকালি নগৰাঞ্চলত ছাদৰ ওপৰত বিজ্ঞানসন্মতভাৱে বিভিন্ন শাক-পাচলি, ফলৰ গছ, ফুল গছৰ খেতি কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত প্ৰাকৃতিকভাৱে অলপ হ'লেও ঘৰবোৰ ঠাণ্ডা হোৱাৰ উপৰি দৰৱ নিদিয়া শাক-পাচলি, ফল-মূলো খাব পাৰিছে।

আটায়ে কথা পাতি থাকোতেই কঁঠালৰ ফুৰফুৰীয়া গোন্ধ এটা বতাহত ভাহি আহি সকলোৰে নাকত লাগিলহি। ককাকে কঁঠালৰ গোন্ধ পাই ক'লে— তোমালোকে যে এই গোন্ধটো পাইছা, এই ফলটোৰ গুণাগুণৰ বিষয়ে তোমালোকে জানানে বাৰু। ককা, এইটো কঁঠালৰ গোন্ধ। পিছে কঁঠাল খালে আমাৰ কি কি লাভ হয় কোৱাচোন ককা- বিভুৱে সুধিলে।

ককাকে ক'লে— কঁঠাল এনে এবিধ ফল য'ত দেহৰ বাবে লাগতিয়াল খাদ্যপ্ৰাণ, খনিজ লৱণ, এণ্টি অক্সিডেণ্ট, আঁহ, নানা ধৰণৰ অত্যাৱশ্যকীয় ৰাসায়নিক পদাৰ্থ থাকে যি আমাৰ শৰীৰ মজবুত কৰি ৰাখে। কঁঠালে বিভিন্ন ৰোগ যেনে- কৰ্কট ৰোগ প্ৰতিৰোধ কৰিব পাৰে, ৰক্তচাপ নিয়ন্ত্ৰণ কৰিব পাৰে, হজম শক্তি উন্নত কৰিব পাৰে, থাইৰয়ডৰ সমস্যা দূৰ কৰিব পাৰে, দৃষ্টি শক্তি অটুট ৰাখিব পাৰে, হাড় শক্তিশালী আৰু মজবুত কৰে। তদুপৰি শুকান কঁঠাল গুটিৰ গুড়ি, অলপমান গাখীৰ আৰু মৌ মিহলাই পেষ্ট বনাই মুখত সানিলে মুখৰ ছাল মসৃণ আৰু নিমজ কৰি তোলে। পকা কঁঠাল খোৱাৰ উপৰি কেঁচা কঁঠাল আমি পাচলি হিচাপে খাব পাৰোঁ। তদুপৰি জাম, জেলি, কেক, আইচক্ৰীম, মিঠাই আদিত কঁঠাল ব্যৱহাৰ কৰা হয়। তোমালোকে হয়তো জানা, ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ফল আম। ঠিক সেইদৰে কঁঠাল হৈছে বাংলাদেশ আৰু শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় ফল। এতিয়া ব'লা, আমি বতৰৰ ফল খাওঁগৈ বুলি বাৰীৰ পিছফাল পালেগৈ। ককাকে গছতে পকি গোন্ধাই থকা কঁঠালটো পাৰি আনিলে আৰু আটায়ে ওচৰতে থকা দমকলত হাত ধুই গছৰ তলতে বহি কঁঠাল খাবলৈ ধৰিলে। কঁঠাল খাই থাকোতেই ককাকে সুধিলে— হাঁহ চোৰৰ মূৰত পাখি কঁঠাল চোৰৰ আঠাই সাক্ষী। তাৰ মানে কি তোমালোকে জানানে?

কঁঠাল খাই থকাৰ পৰাই জিতুৱে সুধিলে- নাজানো ককা, তাৰমানে কি ককা কোৱাচোন?

ককাকে ক'লে— হাঁহ চোৰ কৰিবলৈ গ'লে চোৰৰ মূৰত বা গাত এটা হ'লেও পাখি লাগি থাকে, ঠিক সেইদৰে কঁঠাল খালে কঁঠালৰ এঠা হাতত বা ওঁঠত লাগি থাকে গম পাইছানে। আজি তোমালোকে যে এয়া কঠাল খালা এই আঠাবোৰ পানী দি চাবোন দি ধুলেও নাযায়। তোমালোকে ঘৰত গৈ প্ৰথমে অকণমান তেল সানি শুকান কাপোৰ এখনেৰে মোহাৰি ল'বা, তাৰ পিছত চাবোন দি হাত ধুবা তেতিয়াহে আঠাবোৰ যাব। ঠিক আছে ককা আজিলৈ যাওঁ বুলি সিহঁত আটায়ে যাবলৈ ওলাল। লগে-ভাগে খোৱাৰ আমেজ যে সুকীয়া সিহঁতে সেইদিনা ভালকৈয়ে অনুভৱ কৰিলে।

*ফোন ঃ ৯৯৫৪৬-৪৮০২২*

## ফুলাম পাখি পিন্ধা দেৱকন্যা





*আৰাধ্যা মিশ্ৰ, নুনমাটি পাব্লিক স্কুল, দ্বিতীয় শ্ৰেণী*

■ **বন্দনা মহন্ত**

মৰমৰ মইনাহঁত, তোমালোকে ময়ূৰ চৰাই নিশ্চয় দেখিছা। আজি তোমালোকক ময়ূৰ চৰাইৰ বিষয়ে কিছু কথা ক'ম।

ময়ূৰ ভাৰতৰ ৰাষ্ট্ৰীয় চৰাই। ই দেখিবলৈ বৰ ধুনীয়া। ইয়াৰ পাখিবোৰত বিভিন্ন ৰঙৰ সমাহাৰ দেখিবলৈ পোৱা যায়।

ময়ূৰ চৰাইক ম'ৰা চৰাই বুলিও কোৱা হয়। সাধাৰণতে ভাৰত, শ্ৰীলংকা, ম্যানমাৰ, জাভা, কংগো আদিত ময়ূৰ চৰাই পোৱা যায়। ১৯৬৩ চনৰ ৩১ জানুৱাৰীত এই চৰাইক ৰাষ্ট্ৰীয় পক্ষীৰ সন্মান দিয়া হয়।

ময়ূৰ চৰাইৰ ভাগ প্ৰধানতঃ দুটা। এবিধ নীলা বা ভাৰতীয় আন বিধ সেউজীয়া বা জাভানিজ। ইহঁতৰ পাখিবোৰ উজ্জ্বল আৰু জিলিকনি থকা। পাখিৰ শেষৰ ফালে চকুৰ আকাৰৰ ঘূৰণীয়া দাগ দেখা যায়। পাখিবোৰ সাধাৰণতে ইটোৰ তলতে সিটো লুকাই থাকে। চালি ধৰিবৰ সময়ত ময়ূৰ চৰায়ে আটাইবোৰ পাখি বৰ মনোৰমকৈ অৰ্ধবৃত্তাকাৰত থিয় কৰি বহলাই প্ৰদৰ্শন কৰে। ধুনীয়া চৰাই হিচাপে ভগৱান শ্ৰীকৃষ্ণৰ প্ৰিয় চৰাই আছিল ময়ূৰ। তোমালোকে নিশ্চয় শ্ৰীকৃষ্ণৰ ফটোত দেখিছা যে তেওঁৰ কপালিত ময়ূৰৰ পাখি সদায় থাকে। ধুনীয়া চৰাই হিচাপে ময়ূৰ চৰাই পৃথিৱীৰ সকলো চিৰিয়াখানাতে পোৱা যায়।

আজি তোমালোকক ময়ূৰ চৰাইৰ ওপৰত থকা এটি লোক-বিশ্বাসৰ কাহিনী ক'ম। মন দি শুনা। স্বৰ্গৰ ৰজা ইন্দ্ৰই নিজৰ ৰাজসভাত বিভিন্ন ধৰণৰ নৃত্য-গীতৰ আয়োজন কৰিছিল। তেওঁ আছিল আমোদপ্ৰিয়। বালিমাহী নামৰ এগৰাকী নৰ্তকীক তেওঁ মাজে মাজে পৃথিৱীলৈ পঠিয়াইছিল, যাতে পৃথিৱীৰ সৌন্দৰ্যৰ বিষয়ে বালিমাহীয়ে খবৰ সংগ্ৰহ কৰি দেৱৰাজ ইন্দ্ৰক দিব পাৰে। বালিমাহীয়ে বছৰেকত এবাৰ পৃথিৱী ভ্ৰমণ কৰি গৈ গোটেই খা-খবৰসমূহ ৰজা ইন্দ্ৰক জনাইছিল। বালিমাহী এবাৰ পৃথিৱী ভ্ৰমণ কৰিবলৈ আহোঁতে ধুনীয়াকৈ ফুলি থকা এডবা সৰিয়হ ফুল দেখিলে। তাই সেই কথা দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাত বৰ্ণনা কৰিবলৈ ধৰিলে। সৰিয়হ ফুলৰ সেই বৰ্ণনাত দেৱৰাজ ইন্দ্ৰৰ কন্যা মোহিত হ'ল। তেওঁ পিতৃ দেৱৰাজ ইন্দ্ৰৰ পৰা পৃথিৱীলৈ অহাৰ অনুমতি বিচাৰিলে। জীয়েকক পৃথিৱীলৈ পঠিয়াবলৈ ৰজা ইন্দ্ৰৰ মন নাছিল যদিও উপায়ান্তৰ হৈ পৃথিৱীলৈ অহাৰ অনুমতি প্ৰদান কৰিলে। দেৱৰাজৰ কন্যাই সৰিয়হ ফুলৰ চানেকি স্বৰ্গলৈ লৈ যোৱাৰ আশাত এখন তাঁতশালো লগতে লৈ আহিল। তেওঁ পৃথিৱীৰ সৌন্দৰ্য দেখি ইমানেই মুগ্ধ হ'ল যে স্বৰ্গলৈ ঘূৰি যাবলৈ মন নকৰা হ'ল। বালিমাহীয়ে স্বৰ্গলৈ যাবলৈ দেৱকন্যাক লগ ধৰিও বিফল হ'ল। পৃথিৱীত ঘূৰি ফুৰোতে দেৱকন্যাই অচিন গছৰ অচিন ফল এবিধো খালে। লাহে লাহে তেওঁ স্বৰ্গৰ কথা পাহৰি যাবলৈ ধৰিলে। বহু বছৰৰ পাছত দেৱকন্যাৰ নিজৰ ঘৰলৈ মনত পৰিল। পৃথিৱীৰ সৌন্দৰ্যই তেওঁক আমুৱালে। তেওঁ স্বৰ্গলৈ যাবলৈ বুলি ওলাল। পিছে আকাশত উৰি ফুৰা মেঘৰ বাবে তেওঁ যাব নোৱাৰিলে। মেঘে তেওঁক বাধা দিলে। ৰজা ইন্দ্ৰই সকলো কথা গম পালে। তেওঁ জীয়েকক ক'লে— 'তুমি অচিন গছৰ ফল খালা, গতিকে তুমি স্বৰ্গলৈ আহিব নোৱাৰিবা।' তেওঁ জীয়েকক এইদৰে উপদেশ দিলে যে 'ফুলাম পাখি পিন্ধি তুমি চৰাই হৈ থাকা তেতিয়া তোমাক সকলোৱে দেৱকন্যাৰ দৰে আদৰ কৰিব।'

দেৱকন্যাই পিতৃৰ কথা মানি ল'লে। তেওঁ ফুলাম পাখি পিন্ধি পৃথিৱীতে সৰগ বিচাৰি আনন্দ মনেৰে থাকিল। এই দেৱকন্যাগৰাকীয়ে ময়ূৰ চৰাই বুলি পৃথিৱীৰ সকলোৱে মানি ল'লে।

মৰমৰ মইনাহঁত !

আমাৰ ভাৰতীয় পুৰণি শাস্ত্ৰবোৰত এনে ধৰণৰ লোক-কথা আৰু লোক-বিশ্বাসৰ বহুতো কাহিনী আছে। যিবোৰ অধ্যয়ন কৰি তোমালোকে এটা অধ্যয়নপ্ৰিয় মন গঢ়ি তুলিব পাৰা। ময়ূৰ চৰাইৰ বিষয়ে আজিলৈ ইমানকে তোমালোকৰ আগত কৈ লিখনি সামৰিলো।

*ফোন ঃ ৯৪৩৫৫-৩০৪৪৭*

অসমীয়া সাহিত্য জাতি-জনগোষ্ঠীয় ভাষা-ভাষী লোকৰ সৃষ্টিৰাজিয়ে মহীয়ান কৰি তুলিছে। কাৰ্বি কবিসকলৰ কবিতাৰে সমৃদ্ধ আজিৰ 'কাব্য-বীথিকা'

## লাৰ্টা
■ গীতা হাঞ্চেপী

ঘন তমসাৰে আৱৰা আঁউসীৰ নিশা
জোনাকী পৰুৱাৰ তিৰবিৰণিয়ে পোহৰাই তোলা
এটা লুংলুঙীয়া বাট। যিটো বাটেৰে
ফিৰফিৰীয়া বতাহৰ ধলত ৰিণি-ৰিণিকৈ ভাহি আহে
জাকৰুৱা গাভৰুৰ আনন্দৰ কিৰিলি।
চেংপিৰ ছেৱত উতলা প্ৰেমিক যুগলৰ মন
হাতে হাত ধৰি যাত্ৰা সিহঁতৰ
নিমছ' কেৰুঙত হেঁপাহ পলুৱাই নৃত্য কৰাৰ,
অতৰ্কিতে
নিষ্ঠুৰ নিয়তিয়ে থাপ মাৰি আঁজুৰি নিলে
এখন হাতৰ পৰা আন এখন হাত
বিচ্ছিন্ন হ'ল এখন হৃদয়ৰ পৰা আন এখন হৃদয়ৰ
প্ৰেমিকৰ হাতত সাক্ষী হৈ ৰ'ল প্ৰেমিকাৰ আঙঠিটো।
প্ৰেমিকৰ চিৎকাৰত দশো দিশে ধ্বনিত হ'ল
এগৰাকী দুৰ্ভগীয়া জীয়ৰীৰ ঘাতকৰূপী মাতৃৰ নাম,
মাতৃৰ চক্ৰান্তৰ বলি হৈ
প্ৰেমৰ হত্যা-যজ্ঞত জীয়ৰীয়ে দিলে নিজকে আহুতি
মৃত্যুৰেই দিলে তাই প্ৰেমৰ জলাঞ্জলি।
জিৰছঙৰ প্ৰথম মহিলা দলপতি তাই
গুণৱতী, ৰূপৱতী, সুশিপিনী,
তাইৰ নেতৃত্বত লানি পাতি যোৱা
জিৰকেদামৰ দলটোক চোৱাৰ অপেক্ষাত
কাম-বন এৰি গৃহিণীসকলেও অধীৰ হৈ ৰয়।
বাৰিষাৰ পানীৰে ভৰা নৈয়ে
যাত্ৰা পথত বিধি-পথালি দিলেও
কলগছৰ ভুঁৰ সাজি অনায়াসেই পাৰাপাৰ হয়,
ধাৰাসাৰ বৰষুণক আওকাণ কৰি
সাপে-জোকে ভৰা হাবি গচকি
আগুৱাই যায় কেৱল লক্ষ্যস্থানলৈ।
তাইৰ কীৰ্তি-কলাপেই কৰুণ গাথা হৈ
জীয়াই আছে সকলোৰে হৃদয়ৰ কোণত,
জুহালত বহি বুঢ়া-মেথাই আজিও তাইক
গীতেৰে সুঁৱৰি নীৰৱে উচুপে– 'হায় লাৰ্টা'

কাৰ্বি শব্দৰ অৰ্থ–
ছেংপি ঃ ৰৰঢোল
নিমছ' কেৰুং ঃ কাৰ্বিসকলৰ শ্ৰাদ্ধ অনুষ্ঠান
চ'মাংকানৰ এটি নৃত্য
জিৰছং ঃ ডেকাচাঙৰ গোট
জিৰকেদাম ঃ সমূহীয়াকৈ কাম কৰিবলৈ যোৱা
ডেকাচাঙৰ দল

## এখনি হৃদয়
■ বিউতি টকবিপী

মানুহে মানুহক বুজি পাবলৈ জানো
ভাষাৰ প্ৰয়োজন হয়
প্ৰয়োজন হয় জানো
বিস্তৃত বিশ্লেষণ নতুবা কথোপকথনৰ
প্ৰয়োজন মাথোঁ এখনি হৃদয়
এযুৰি চকুৰ চাৱনি
প্ৰজ্বলিত মুখ আৰু
ওঁঠৰ হাঁহি
যিদৰে ফাগুনৰ আগমনত
ধূলিয়ৰি বতাহ, ৰাঙলী মদাৰ আৰু
বসন্তৰ আগমনত
কুলিৰ কুজন
তথাপি ইমান মৌন তুমি
বুজি নাপাওঁ
তোমাৰ সপোনবোৰে আহি
মোৰ বুকুত যে কিমান হাহাকাৰ কৰে
তুমি নজনাকৈ আশাৰ কলিটিও যে পাহি মেলে...

## বৰষুণ
■ বাপন ক্ৰ'

এজাক বৰষুণ আৰু এটা ছাতিৰ প্ৰেম
সকলোৰে মুখে মুখে
জনা নাছিল কেৱল নৈখনে

নৈখনৰ এটা অভ্যাস আছে
কোনোবাই যদি টুকুৰিয়াই নিদিয়ে
সি অতীততে বৈ গৈ থাকে
বৰষুণ জাক সদায় তাৰ অৱহেলাৰ পাত্ৰ

সিদিনা
এই নৈখনৰ পাৰে পাৰেই
বহু সময় ধৰি
বহু দূৰৈলৈকে
হাতে হাত ধৰি
বৰষুণজাকৰ সৈতে ফুলাম ছাতিটো
সকলোৱে দেখিছে।

সিদিনাৰ পিছৰ পৰাই
দিন নাই, ৰাতি নাই
কথা নাই, বতৰা নাই
বৰষুণজাক বৰষিয়ে থাকে
বৰষিয়ে থাকে
সকলোৱে কয়
এয়া হেনো প্ৰেমৰ বলিয়া ৰাগি বৰষুণৰ।

## মাধৈ মালতি ফুলৰ দৰে
■ ছাৰ এৎ হাঞ্চে

লহ-পহ এজোপা মাধৈ মালতি

সামৰি লয় পাঁচ-ছটা এনেবোৰ উচ্চল পাহাৰ
এজোপা মাধৈ মালতি- বা, তুমি
আমোলমোল আমোলমোল

চুপহি বা পাহিত
অপৰিচিত তুমি
— হাজাৰ সেউজীয়া বসন্ত ৰেণুৰে মিতিৰালি

এতিয়াতো পুষ্পিত সুৱাদ
আমোলমোল
মাধৈ মালতি
বিশ্ব বিয়পি।

## তৃপ্তি
■ হুনমিলি তিমুংপী

নিজৰাৰ কুলু কুলু শব্দই
জগাই তোলে পুৱাৰ ধৰণী,
সাৰ পাই উঠে পশু-পক্ষী গছ-লতা
আঁতৰি যায় ৰজনী।

পৰম পিতাৰ নাম লৈ
মিছা মায়াত আবদ্ধ হৈ
জাগৰণ হয় মোৰ সূক্ষ্ম হৃদয়
তৃপ্ত হ'ল মোৰ মন প্ৰাণ
বিচাৰি পালোঁ অমৃতৰ ভাণ্ডাৰ।

অন্ধ আছিলোঁ মই
মিছা মায়াত আবদ্ধ হৈ
নাজানিছিলোঁ তোমাৰ নামৰ মহিমা
তোমাৰ নামৰ ধ্বনিৰে
তৃপ্ত হ'ল মোৰ হৃদয়, সূক্ষ্ম বাসনা।

## শেৱালি ফুলাৰ বতৰত
■ ধনেশ্বৰ ইংতি

শেৱালি ফুলাৰ বতৰত
মোৰ হৃদয়ৰ সঁফুৰাবোৰো
আশাৰে সমৃদ্ধ হৈ উঠে
শেৱালি ফুলবোৰ ফুলিছে নিশ্চয়।
মোৰ কণমানি শাৰদীয় অংগীকাৰ
জীৱনৰ শাৰদীয় প্ৰথম খোজতে
যদি যায় যাওক- হেমন্ত, শীত আৰু বসন্ত।
কাতিমহীয়া কঙালী বিহুকেই
ওৱাদানি হোৱা বছৰৰ সৰ্বশ্ৰেষ্ঠ ঋতুৰূপে
নিজৰ বুলি আদৰি ল'ম।
জনমানসৰ ধ্বনি-প্ৰতিধ্বনিৰ বিস্ফোৰণত
এজন চহা খেতিয়কৰ বাবে বাৰিষাই ভাল।
শাওণ মাহৰ ধাৰাসাৰ বৰষুণৰ মাত
আহিন মাহৰ শালিধানবোৰ প্ৰবহমান হয়
পাহাৰ-ভৈয়াম জনগোষ্ঠীবোৰৰ মাজত
হেমন্ত-শীত আৰু বসন্ত ঋতুবোৰে আমনি কৰে।
আকাশবন্তি-তুলসী গছৰ চাকিৰ পোহৰত
শেৱালি ফুলবোৰে ফলি ভাল পায়;
কিয় 'সিংহাসন' পাহাৰৰ জুমতলীৰ পৰশত
জানো
আহুধানবোৰ গজালি নেমেলাকৈনো আছে?
সেয়েহে, শেৱালি ফুলাৰ বতৰত
মই সদায় ঐতিহ্যৰ প্ৰেক্ষাপটত বৈ থাকো
আশাৰে সমৃদ্ধ-মানৰ বিৱৰ্তনৰ ইতিহাসত
এটি অনুৰণন পদাৰণত ফুলা
ঊধস্যৰে ঊৰ্মিলা ঢৌত খেলি ভালপোৱা,
এপাহি শাৰদীয় শেৱালি ফুল হে।

## তোক কেনেকৈনো ভাল পাওঁ অ' বৰষুণ
■ ৰাজু কাথাৰ

তোৰ বাবেইতো
বানে ধোৱা মোৰ পথাৰ

মাছবোৰে পুঙাৰ দৰে
ওপঙি আছে
ওৰে নিশা পৰি থকা টোপালবোৰেৰে
ডুবালে পুখুৰীৰ পাৰ

এতিয়া চৌদিশে হাহাকাৰ
বণিয়াক ধনী কৰি
চলাই যাব দিছ বেহা বেপাৰ

তোক কেনেকৈনো ভাল পাওঁ অ' বৰষুণ

তোৰ বাবেইতো শুকুৱাব নোৱাৰিলোঁ
ভঁৰালৰ ধান
আইৰ বছৰেকীয়া সকাম
সময়ত পাতিব নোৱাৰিলে
থাকিব জানো মান
তোৰ বিচাৰ
ক'ৰবাত সমান ক'ৰবাত অসমান

তোক কেনেকৈনো ভাল পাও অ' বৰষুণ
তোক কেনেকৈনো ভাল পাওঁ।

## ফাগুনৰ বতৰ
■ ছেমছন ইংতি কাথাৰ

ফাগুন মাহৰ
বসন্ত আহিলে,
ধূলি-ধুমুহা সৰাপাতবোৰ
বৈ যায় মলয়া বতাহলৈ,
আকাশত ৰঙীন।

বনত ৰাঙলী মিলি
গছৰ পাতবোৰে,
সৰি উৰে আকাশতে
উৰি যায় ধুমুহা হৈ।

হাবি-জংঘলতে
বনজুই নামিছে,
ফাগুনৰ পলসে
জৰলে হিয়া বনত।

কপৌ, নাহৰ সেউজীয়াত
চৰাই-চিৰিকতি চিৰিপ-চিৰিপকৈ,
উৰি-উৰি ফুৰে
শিমলু গছৰ ফুলত সুগন্ধে।

## গোন্ধ
■ এজাং ৰাজ ৰাজ

এটি চিনাকি গোন্ধ
পিতায়ে কঢ়িয়াই লৈ ফুৰিছিল।
এদিন গোন্ধটোৰে,
মোৰ হৃদয়ত দ-কৈ সাঁচ বহুৱালে
কেঁচা ঘামৰ গোন্ধটো.....
শাওণৰ পানীয়ে যেতিয়া পথাৰ উপচি পৰে
বাৰিষাৰ দিনবোৰত.....
পিতৃ পিতাই বিচাৰোঁ
পথাৰৰ বোকামাটিত শস্যৰ ডৰাত
নাঙলৰ সীৰলত।
আৰু মই আজিও বিচাৰি ফুৰিছোঁ
পিতায়ে এৰি থৈ যোৱা,
কেঁচা ঘামৰ চিনাকি গোন্ধটো।
যদি পাওঁ বিচাৰি...
এবুকু সাহস জীয়াই থকাৰ।

## আশা
■ বিদ্যাৰাম ছিংনাৰ

মই জানো,
তোমাৰ মোৰ কথাবোৰ
বতাহত উৰি ফুৰিব বাট হেৰুৱাই
ধীৰে ধীৰে এদিন ৰাষ্ট্ৰ হ'ব
মহিলা আত্মসহায়ক গোটবোৰৰ সভাত
বুবু-বাবা হ'ব
হওক কথা নাই
কিনো আহে যায়
যদি সন্মতি আছে তোমাৰ

তুমি আনৰ হওক কথা নাই
এদিন পৃথিৱীৰ ভৰ কমিব
মানুহৰ খোজবোৰ ঢলংপলং হ'ব
প্ৰয়োজনত অলপ উৰিব পাৰিব
তেতিয়া হয়তো পাৰ হ'ব পাৰিম
তোমাৰ মোৰ মাজৰ অভেদ্য দেৱাল।

## আন্ধাৰ
■ খগেন ইংতি

বিষাদত দুৰু দুৰু কঁপে
হৃদয়;
আউল লগা মন
দূবৰি বনৰ গুৰিত
গুড়ি গুড়িকৈ সৰি পৰা
দুখবোৰ বুটলি
হালি পৰিছে বেলি।

গ্ৰহণৰ সংকেতত
গোমা হ'ল আকাশ।
সন্মোখত পোহৰ বিনাশিনী
বিবেক শূন্য
আন্ধাৰ;
চৌদিশত কেৱল হাঁহাকাৰ।

## বাস্তৱৰ কোলা
■ ৰিকিচন বংৰুং

মৰমৰ ঘাঁহনিত বননীৰ মেলা
সূৰুযৰ কোলাত এন্ধাৰৰ ছায়া,
নঙলামুখত প্ৰিয়তমাৰ অধীৰ প্ৰতীক্ষা
সীমান্তৰ বুকুত আপোনজনৰ নিঠৰ দেহা।

বুকুৰ ভিতৰত মৰমক বিচাৰি হাহাকাৰ হিয়া
ফালি-চিৰি শেষ হ'ল হিয়াৰ শেষবিন্দুৰ সীমা,
নিবিচৰা বাস্তৱৰ বুকুত নিৰাশাৰ বেহা
তাৰেই মাজত ৰচো সপোনৰ অগোপন কবিতা।

বেদনাৰ সুৰবোৰ বৰকৈ বাজে
হিয়াৰ বিননি ঘূৰি ঘূৰি আহে,
তিতা-মিঠা জীৱনত বিষাদৰ গান
মৰুভূমিৰ মাজত আজি মৰীচিকাৰ মান।

## বালিঘৰ
■ নিৰলা ইংহিপী

'আৰম্ভ নৌহওঁতেই শেষ হোৱা কথাবোৰ'

আচলতে দিনবোৰ মোৰো নাছিল
তোৰো নাছিল
শৈশৱৰহে আছিল।।

কথাবোৰ ৰ'দে বৰষুণে উমলি থাকোঁতেই
সিদিনা বসন্তৰ বা লগা ঢোলটি এৰি
তই যে বালিঘৰ সাজিছিলি
সপোনৰ মৰীচিকাত
জীৱন জিঞ্জিৰিৰ আঁত হেৰুৱাই
খোজ ল'লি
একক বিজন বাটেৰে।

আজি তই উটি গ'লি
সেই তোৰ তপত বালিঘৰৰ স'তে
পানীবিহীন বানত।

প্ৰতিটো ব'হাগতে মনত পৰে তোলৈ
আৰু মনত পৰি থাকিব।
কিয়
এয়া প্ৰশ্ন নহয়
মাথোঁ উত্তৰ।

## অমল উৎস
■ অৰুণ টেৰণ

গোমা আকাশখনে হঠাতে চুই গ'ল
আদিগন্ত বিয়পা বিস্তীৰ্ণ সৌ
সেউজীয়াখিনিক

মোৰ প্ৰেয়সীৰ
কবৰী খোলা এই সন্ধিয়াটোত
মোৰ কোঠাৰ সিটো পাৰে এতিয়া
এখিৰিকী মৌচুমী আকাশ

বৰষুণজাক নামিছে
টুংটাংকৈ বজোৱা মোৰ
মেণ্ডোলিনৰ সুৰৰ কোলাত উঠি।

(ক'ত আছা এতিয়া তুমি
অ' মোৰ নিঃসংগ ছায়া?)

আহাচোন আজি এই অমল নিশাত
উদ্‌যাপিত কৰোঁ
এই বৰষাৰ শেষ বৰষুণৰ
বিদায়ী উৎসৱ।

## নিত্য নৈমিত্তিক
■ মঞ্জু টেৰণপী

হয়তো বতাহছাটিয়েও জনা নাছিল
মোৰ হৃদয়তোযে আছিল
হেঁপাহৰ ঘৰ বুলি সজোৱা এটি কাঁচঘৰ

লচপচকৈ নাচি-বাগি বৈ অহা
চঞ্চলা বতাহছাটিয়ে
ঠিক মোৰ ঘৰৰ প্ৰধান খুঁটাতেই
উজুটি খাই পৰিছিল
চনচনকৈ ভাঙি দিছিল মোৰ কাঁচঘৰটি

ভাগোতে সৃষ্টি হোৱা
সেই চনচন শব্দবোৰ
প্ৰতিনিয়ত এতিয়া
পুৱা হ'লেই সাৰ পাই উঠে
গধুলিলৈকে মোৰে সৈতে থাকে
লগে ভাগে...

নিশা হ'লেই কুৰুকী কুৰুকী সোমাই আহে
হৃদয়ৰ গভীৰতালৈ চকুৰ আগত ভাহি উঠে তেতিয়া
শৰবিদ্ধ সময়ৰ নীৰৱ ছটফটনি
যন্ত্ৰণাৰ আৰ্তনাদ
যি মোৰ এতিয়া খুবেই বিশ্বাসী সংগী...।

## আঘোণীৰ অঘৰী প্ৰেম
■ হাৰ্ভে কাথাৰ

সাৰুৱা জীপাল বুকুখনত গজি উঠা দুখন
হৃদয়ৰ খন্তেকীয়া এমুঠি সপোনে ভিৰ কৰেহি
আশাৰ মন পদূলিত,
বৰষুণৰ চিপ চিপ শব্দই জীয়াই থকাৰ
প্ৰেৰণাৰে মোৰ বুকুৰ ইপাৰে-সিপাৰে
কল্পনাতে জুমি চাওঁ তোমাক,
তোমাৰ বুকুৰ উমালি বিচাৰি জক জককৈ
আলিয়েদি উকি মাৰি গুচি যায়
একা-বেকা কৈ,
হৃদয়ৰ একোণত শুদা কৰি
কিনো সংবাদ দি যায়।

## অপচয়
■ হাংমিজি হাঞ্চে

আঙুলিৰ পাবত মই লেখি উলিয়াওঁ
তুমি কিমান সময় দিলা
মিলনৰ সংকুল বাট অতিক্ৰমী চাপি অহাৰ
দুৱাৰৰ সন্ধান কৰোঁতে।

পাঁচো আঙুলিয়েই থাকি যায়

তাতকৈ বেছি সময় ল'লা
আঁতৰি যাব খোজা তোমাৰ খোজক
ন্যায্যতা প্ৰদান কৰাৰ চেষ্টা কৰোঁতে
কথাটোত মই প্ৰচণ্ড প্ৰতিবাদ কৰিছিলোঁ
হয়তোবা তাৰ বাবেই দীঘলীয়া হ'ল
'দোমোজাৰ সেই পলবোৰ'

গণি গণি উলিয়াইছোঁ
আমাৰ সেই উমৈহতীয়া সময়খিনিত
প্ৰেমালাপতকৈ বাক-বিতণ্ডা বেছি হ'ল
মিলনৰ আশাতকৈ বিচ্ছেদৰ আশংকা বেছি হ'ল

কোমল কোমল বহুতো অনুভূতিৰ অপচয় হ'ল।

## জীৱন
■ মণিকা টেৰণপী

তোমাৰ প্ৰেমৰ ৰাগীত মাতাল এই যৌৱনৰ সঁফুৰা
শৰীৰৰ প্ৰতিটো অংগে অংগে সিঁচৰতি সৃষ্টিৰ নিৰবধি অন্তৰা।

প্ৰাপ্তিৰ নিজৰা নামি আহে সপোনৰ কাঁচিয়ালি ৰ'দৰ উপমা হৈ
তিৰবিৰাই থকা তৰা হৈ জিলিকি জিলিকি
জিৰণি লয়হি তোমাৰ বুকুৰ সেউজীয়া পথাৰত।

কেতিয়াবা নিৰলে হাঁহে আৰু কেতিয়াবা কান্দে
জীৱন নহয় ই যেন যন্ত্ৰণাৰ এখনি সাগৰ
এই পায় এই হেৰুৱায়
মেলি দিয়া পালতৰা নাৱে যেন নাপায় বিচাৰি তাৰ বন্দৰ।

তোমাৰ দুচকুৰ মিঠা হাঁহিৰ আঁৰত
হেৰাই যায় বুকুৰ অব্যক্ত বেদনাৰ সাঁথৰ
বিচাৰি হাবাথুৰি খাওঁ পলে পলে
লক্ষ্যচ্যুত হৈ পৰা মোৰ সুখৰ পালতৰা নাওঁ।

## পাহাৰী নিজৰাৰ দেশ
■ পাৰি ৰংপি

এয়া পাহাৰী নিজৰা
স্থবিৰতাহীন বোৱঁতী
ক্লান্তিহীনা যৌৱনপ্ৰবাহ
কুলু কুলু মিঠা সুৰ
সেই সুৰে বিলাই দিয়ে
প্ৰেৰণাৰ অনেক হাঁহি।
পাহাৰৰ পৰা সমভূমিলৈ
সিঁচি দিয়ে সংস্কৃতিৰ পেৰা,
পলসুৱা দুয়ো পাৰে
গজি উঠে নানা জাতিৰ গান,
ছন্দে ছন্দে নৃত্যৰ মূৰ্চ্ছনা
বতাহে হালিছে মেঘে গৰজিছে
আকাশে ছানিছে ৰ'দে শুকুৱাইছে
বিজুলীয়ে মাৰিছে চাৎ
পোহৰে দেখুৱাইছে খলবমা বাট।
তুমি পাহাৰীয়া কন্যা হৈ
মিহি মিহি খোজেৰে তললৈ নামিছা
সুৱাদতে বৰ্ণিল জীৱন
উল্লাসত ৰঙৰ মেলা,
মধুৰ লীলাভূমি
সেউজীয়া নিজৰাৰ দেশ।
চৌদিশে সামাবাদৰ ধ্বনি
নাই ক'তো খেদ,
ইমান শুৱনি পাহাৰীয়া আলয়
যেতিয়া বসন্ত নামে
গছে-পাতে আভৰণ সলায়
ফল-ফুলে ফুলি জাতিষ্কাৰ।
সন্ধিয়াৰ পখীৰ কাকলিয়ে
মন-প্ৰাণ শীতল কৰে
প্ৰকৃতিয়েও হাঁহিছে মানুহেও হাঁহিছে
হৃদয়ৰ মিলনে জগত একাকাৰ।
ইজনে সিজনে মৌ মিঠা মাত
আতিথ্য ঘৰে ঘৰে উৎসৱমুখৰ
ফেনে-ফোটোকাৰে বাৰিষাৰ ধল নামে
উটুৱাই নিকা কৰে দেহৰ আৱৰ্জনা।

## লাচাকানত আহিবি তই
■ ধনীৰাম তিছ'

আমাৰ গাঁৱত লাচাকান হ'ব
এই জাংমি মাহৰ প্ৰথম সপ্তাহত উৰ্মিৰ দিনা
নিমন্ত্ৰণ কৰিছোঁ, তই আহিবি
সৌ চেংবুৰূপ পাহাৰৰ তলিতে আমাৰ গাঁওখন।
চেং আৰু মুৰি থংপৰ শব্দবোৰ
যিদিনা চেংবুৰুণ পাহাৰৰ ভাঁজে ভাঁজে
ঠেকা খাই তহঁতৰ ৰংমান্দু গাঁৱত গুঞ্জৰিত হ'ব।
সেইদিনা নতুনকৈ বৈ ওলোৱা তোৰ
পিনি-পেককযোৰ লৈ তই আহিবি।
নাপাহৰিবি,
লগতে জীছ' আৰু জীৰঈক আনিবলৈ।
তোৰ বাবে বাট চাম গাঁৱৰ সিমূৰে থকা
ডাঙৰ আম গছজোপাৰ তলত বৈ।
মিলি, তই মোৰ চেনেহী
মোক নিৰাশ নকৰিবি নিশ্চয়।
হামৰেণ বজাৰ বানতে গৈ
ৰিকং আৰু চ'ইহংথৰ কিনিলোঁ
তোলৈও ল'লোঁ মিৰজাংথু।
বাৰিতে আমাৰ ফুলিছে মিৰদান
ছিঙি তোৰ ডাঙৰ খোপাটিত পিন্ধাম।
গাঁৱৰে অম্ফুক কৈ থৈছোঁ তোৰ কথা
তই জিৰঈকৰ ওৰণি লৈ থাকিবি সাজি-কাচি।
নিমছ' কিৰুঙৰ বাবে ময়ো শাৰীতে থাকিম
তাই তোক দিবহি মোৰ বাওঁহাতে তুলি।
লাচাকান চেওত আমি দুয়ো নাচিম
দুয়ো গাম জিলিৰ মন জুৰোৱা গীত।

## কাজলসনা মেঘালী
■ চন্দ্ৰছিং তেৰাং

তুমি চকুত কাজল লগালেই
মেঘবোৰ ভাহি আহে অজানিতে
তোমাৰ উঠন বুকুত
বাৰেপতি ঠেকা খাই
বিজুলী-ঢেৰেকনিৰে নামি আহে
দবা-পিটা বৰষুণ
পুৱতি নিশাৰ কিৰণ ফালি
তোমাৰ দেহাত জিলিকে থাকে
নিয়ৰৰ মুকুতা-মণি
নাঙলৰ ফাল লাগি
তোমাৰ প্ৰতিটো অংগ
আমোল-মোলাই থাকে
কেঁচামাটিৰ পৰশত
এমুঠি ধানেৰে গুজি দিলোঁ
তোমাৰ দেহাত
গজৰীয়া দেহাৰে বাঢ়ি আহে
প্ৰতিদিনে চিৰযৌৱনা
আঘোণমহীয়া সোণালী ধানে
মোক ৰিঙিয়াই মাতে
সাজি-কাচি আদৰি আনিলোঁ
তোমাক গৰুগাড়ীত উঠাই
মোৰ ঘৰৰ গৃহলক্ষ্মী কৰি।

## এখন চিঠি
■ বাবুলছন্ কাথাৰ

ৰুমালৰ ভাঁজত
সযতনে সঁজাই থোৱা
বন্ধ
এখন চিঠি।

তুমি যে দিছিলা মোক
যোৱাটো ফাগুনতে
কি লিখা আছিলনো
তাত।

তাত?
আচলতে আছিল কি!
যাৰ কোমল আঙুলিৰ পৰশত
প্ৰাণ পাই উঠিছিল
ৰক্ত জবাৰে লিখা
এখন চিঠি।

পঢ়িম পঢ়িম বুলিও
নহ'ল আজিও পঢ়া
য'ত লিখা আছিল
হ।

## প্ৰথম পৃষ্ঠাৰ পৰা—

# অসম আৰু ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস

লোক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই ক্ষেত্ৰখনৰ সৈতে জড়িত। অসম ৰাজ্য হস্ততাঁত শিপিনী আৰু তাঁতৰ সংখ্যাৰ দিশৰ পৰা দেশৰ ভিতৰতে সৰ্ববৃহৎ ৰাজ্য। অসমত চৰকাৰী তথ্য মতে প্ৰায় ১২.৫ লাখ শিপিনী-বোৱনী আছে। পৃথিৱীত সোণালী মুগা, মেজেংকৰী, এৰী বা এণ্ডী সূতাৰ উৎপাদনকাৰী একমাত্ৰ ৰাজ্য হিচাপে গৌৰৱান্বিত অসম ৰাজ্য আজিৰ দিনটোত যদিওবা এই কুটীৰ উদ্যোগটোৰ দিশত বাণিজ্যিকভাৱে চকুত লগাকৈ আগবাঢ়িব পৰা নাই, কৃষি খণ্ডৰ সহযোগী (Allied sector of Agriculture) হিচাপে হস্ততাঁত ক্ষেত্ৰখনৰ ৰাজ্যিক গ্ৰামীণ অৰ্থনীতিত, বিশেষকৈ মহিলাসকলৰ অৰিহণা উল্লেখযোগ্য আৰু অগ্ৰাহ্য কৰিব পৰা নাযায়।

গ্ৰামাঞ্চলৰ দুখীয়া শিপিনীৰ পৰা শুৱালকুছিৰ বস্ত্ৰ ব্যৱসায়ীলৈকে আজি প্ৰতিগৰাকীয়ে নানান সমস্যা আৰু বাধাৰ মাজেৰে এই পাৰম্পৰিক কুটীৰ উদ্যোগটো জীয়াই ৰখাৰ বাবে অহৰহ চেষ্টা অব্যাহত ৰাখিছে। এই সংগ্ৰামখন দিন-প্ৰতিদিন অধিক কষ্টকৰ হৈ আগবাঢ়ি ধৰিছে। বিশেষকৈ ক'ভিড কালৰ পিছৰ পৰা সমগ্ৰ MSME ক্ষেত্ৰখনৰ লগতে হস্ততাঁতৰ অৱস্থাও অতি বেয়াৰ পিনে গতি কৰিলে। তদুপৰি উপযুক্ত কেঁচামালৰ অভাৱ, প্ৰশিক্ষণৰ অভাৱ, আন্তঃগাঁথনিৰ অভাৱ, মূলধনৰ অভাৱ, মেচিনচালিত শালত উৎপাদিত নকল সামগ্ৰীৰ বজাৰত প্ৰৱেশ আদিৰ লগতে শেহতীয়াকৈ পলিয়েষ্টাৰ কৃত্ৰিম সূতাৰ হাতশালত অধিক ব্যৱহাৰে পৰম্পৰাগত পুৰণি কুটীৰ উদ্যোগটো লাহে লাহে কঠিন পৰিস্থিতিৰ পিনে ঠেলি লৈ গৈ আছে। অৱশ্যে এই কঠিন পৰিস্থিতিৰ মাজেৰেও এচাম নতুন উদ্যোগীয়ে একান্তভাৱে নিজস্ব পৰিশ্ৰমৰ মাজেৰে নতুন নতুন সামগ্ৰীৰ উৎপাদন কৰি থলুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সন্ধানত আগবঢ়াও পৰিলক্ষিত হৈছে। আনহাতে, বিনামূলীয়া খাদ্য (চাউল আৰু অন্যান্য সামগ্ৰী) যোগান আৰু সমপৰ্যায়ৰ কিছু চৰকাৰী আঁচনিয়েও অসমীয়া মানুহৰ কৰ্মস্পৃহা কমোৱাৰ লগতে এই হস্ততাঁত ক্ষেত্ৰখনত নিপুণ শিপিনীৰ অভাৱ ঘটোৱাত হাত উজান দিয়া বুলি এচাম অসমীয়া উদ্যোগীয়ে মত প্ৰকাশ কৰি আহিছে।

প্ৰায় ১২.৫ লাখ শিপিনী-বোৱনী থকা অসম ৰাজ্যৰ প্ৰতিগৰাকী শিপিনীৰ মাহেকীয়া আয় যদি মাত্ৰ ৫০০ টকাকৈও বঢ়াব পৰা যায়, প্ৰতি মাহে প্ৰায় ৬২.৫ কোটি টকা অৰ্থাৎ বছৰেকত ১৫০০ কোটি টকা থলুৱা হস্ততাঁত ক্ষেত্ৰখনৰ পৰা ৰাজ্যিক আয় বঢ়াব পৰা যায়। ইয়াক বাস্তৱত ৰূপায়ণ অসম্ভৱ নহয়, কিন্তু ইয়াৰ বাবে দৰকাৰ বৈজ্ঞানিক চিন্তা ধাৰণা আৰু পৰিকল্পনা, চৰকাৰ আৰু ৰাইজৰ সম ভাগিদাৰী।

আমি সকলোৱে জানো যে কেন্দ্ৰীয় চৰকাৰৰ এটা মিছন/ National Master Plan আছে, নাম 'পি এম গতিশক্তি'। প্ৰায় ১৮টা মান কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰণালয় আৰু বিভাগ, ৰাজ্য চৰকাৰ, বেচৰকাৰী সংস্থা ইত্যাদি মিলি পৰিকল্পনা তথা আঁচনি তৈয়াৰ কৰে আৰু কামত আগবাঢ়ে। ফলত বহু কঠিন যেন লগা প্ৰজেক্টবোৰ (আঁচনি) নিৰ্ধাৰিত সময়ত শেষ কৰি আগবাঢ়িব পৰা হয়। ফলাফল এতিয়ালৈকে অতি সন্তোষজনক বুলিয়েই পঢ়িবলৈ পাইছো অথবা চৰকাৰে প্ৰকাশ কৰি আহিছে।

আমাৰ বাবে বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ আন এটা চিনাকি মিছন 'এক্ট ইষ্ট পলিচী'। আগতে নাম আছিল 'লুক ইষ্ট পলিচী'। পলিচীখনৰ নামৰ পৰিৱৰ্তনেৰে কেন্দ্ৰীয় চৰকাৰৰ 'vision' অথবা দৃষ্টিভংগী কি বুজাবলৈ চেষ্টা কৰিছে নিশ্চয়।

এইদুই চৰকাৰী সিদ্ধান্ত/মিছনৰ পৰা প্ৰথমে আমি অসম আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিকাশৰ হকে অইন কিছুসংখ্যক চৰকাৰী বিভাগ আৰু সংস্থাও মিলিত হৈ Rural Development & Employment Generation, বিশেষকৈ MSMEসমূহৰ সামগ্ৰিক উন্নয়নমূলক আঁচনি অথবা concepts তৈয়াৰ কৰি উত্তৰ-পূবৰ ৰাজ্যবোৰৰ বাবে গ্ৰহণ কৰাটো উচিত হ'ব যেন অনুভৱ হয়। দ্বিতীয়তে এই ধৰণৰ চিন্তাধাৰাখিনি 'এক্ট ইষ্ট পলিচী'ৰ মাজত চামিল কৰি ৰাজ্যসমূহৰ গ্ৰাম্য উন্নয়নৰ গতিত অধিক মাত্ৰা প্ৰয়োগ কৰিব পৰা যাব।

ক'ভিড কালৰ পিছৰ সময়ছোৱাত দেশত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা খণ্ডটোৱেই আছিল MSME, আমি আগতেও কৈছো, যাৰ পৰা অসমো বাদ পৰা নাই। ৰাজ্যখনৰ হস্ততাঁত, হস্তশিল্প, খাদী, ৰেচম আদি অতি গুৰুত্বপূৰ্ণ কুটীৰ শিল্পৰ আৰ্থিক অৱস্থা আজিৰ দিনত অতিকৈ শোচনীয় বুলি ক'লেও ভুল কোৱা নহ'ব যেন লাগে। এই বিভাগবোৰ সাধাৰণতে প্ৰায় ৮০ৰ পৰা ৯০ শতাংশ গ্ৰামীণ মহিলাৰ দ্বাৰা পৰিচালিত। কাজেই এই Sector কেইটাৰ পুনৰ জীৱনৰ বাবে 'পি এম গতিশক্তি'ৰ লেখীয়া অইন এটা মিছনৰ দৰকাৰ অনুভৱ হয়। কাৰণ নতুন পৰিকল্পনা আৰু বৈজ্ঞানিক চিন্তাধাৰণা, ন ন আঁচনিৰ মাজেৰে আহি থকা দিনবোৰত খুব খৰতকীয়াকৈ আগনাবাঢ়িলে আমাৰ এই অঞ্চলৰ গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নত আৰু অধিক অৱনতি ঘটিব।

অসম আৰু উত্তৰ-পূবৰ উন্নয়নৰ বাবে গ্ৰামীণ পৰম্পৰাগত কুটীৰ খণ্ডটো এটা গুৰুত্বপূৰ্ণ অংগ। এই উন্নয়নৰ স্বাৰ্থত (ব্যক্তিগত ধাৰণা) ৰেচম, হস্ততাঁত, হস্তশিল্প, খাদী আদি বিভাগৰ লগত ৰাজ্যিক বা কেন্দ্ৰীয় পৰ্যটন, সাংস্কৃতিক, পৰিবহণ, উদ্যোগ আৰু বাণিজ্য, উত্তৰ-পূব বিকাশ (DoNER) আদি বিভাগবোৰে মিলি ইচ্ছা কৰিলে 'উত্তৰ-পূব কুটীৰ গ্ৰামীণ গতি শক্তি' বুলি এটা মিছন গ্ৰহণ কৰিব পাৰে আৰু ইয়াৰ সফলতাত 'এক্ট ইষ্ট পলিচী'ৰ সুবিধাও গ্ৰহণ কৰিব পাৰে। ইয়ে আমাৰ বাবে অৰ্থনৈতিকভাৱে এক নতুন দিশৰ সন্ধান দিব পাৰিব যেন লাগে। আমাৰ গ্ৰামীণ পৰম্পৰাগত কুটীৰ শিল্পৰ উৎপাদিত সামগ্ৰীৰ বাবে Asia- Pacific Regionত থকা দেশবোৰত বজাৰৰ অধ্যয়ন আৰু চাহিদাৰ সম্ভাৱনা বিচাৰিলে নিশ্চিতভাৱে সুফল পোৱা যাব। উত্তৰ-পূবৰ আৰু আন্তঃৰাষ্ট্ৰীয়-বিদেশী ৰাষ্ট্ৰৰ স'তে পথ আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ দ্বাৰা এখন নতুন বজাৰৰ সন্ধানৰ সংকল্প চৰকাৰৰো আছে। আমাৰ কুটীৰ উদ্যোগৰ বাবে উত্তৰ-পূবৰ চুবুৰীয়া বিদেশী ৰাষ্ট্ৰসমূহৰ বজাৰখন ইউৰোপৰ বজাৰতকৈ কোনো গুণে কম বুলি ভাবিব নোৱাৰি । কুটীৰ তথা MSME ৰ ব্যৱসায়ৰ স'তে সীমামূৰীয়া বিদেশী ৰাষ্ট্ৰসমূহৰ স'তে সৃষ্টি হ'ব পৰা পৰম্পৰা, সাংস্কৃতিক বিনিময়ত বিশেষভাৱে পৰ্যটন ক্ষেত্ৰখনে এক অগ্ৰণী ভূমিকা পালন কৰিব পাৰে আৰু উল্লেখনীয়ভাৱে নিবনুৱা সমস্যা সমাধানত সহায় হোৱাৰো যথেষ্ট সম্ভাৱনা আছে।

বৰ্তমান সময়ে দাবী কৰিছে পৰম্পৰাগত হস্ততাঁত কুটীৰ খণ্ডটো এটা আধুনিক দৃষ্টিভংগীৰে আগবঢ়ায় লৈ যাবই লাগিব। আৰু আমাৰ সাতামপুৰুষীয়া এই কলা-সংস্কৃতিসমূহৰ ব্যৱহাৰ আৰু সংৰক্ষণ জাতিটোৰ বাবে কিমান প্ৰয়োজন তাক লৈ নতুন চামৰ মাজত সজাগতা আনিব নোৱাৰিলে কৃষি খণ্ডৰ পৰা মূল সুঁতিৰ অসমীয়া আঁতৰি অইন কাৰোবাৰ ওপৰত নিৰ্ভৰ হোৱাৰ লেখীয়া হ'বগৈ পাৰে। হস্ততাঁত অসমীয়া জাতিৰ বাবে এটা পৰম্পৰাগত কুটীৰ উদ্যোগৰ লগতে ই জাতিৰ পৰিচয়, শিপাৰ লেখীয়া। ইয়াত আমাৰ আৱেগ আৰু স্বাভিমান জড়িত হৈ আছে। কাজেই এই বিভাগৰ দখল থলুৱা থলগিৰি জাতি, জনজাতি,জনগোষ্ঠীৰ মাজত সীমাবদ্ধ ৰাখিব পৰাটোও আজিৰ সময়ৰ পৰিপ্ৰেক্ষিতত অসমীয়া জাতিৰ বাবে অগ্নিপৰীক্ষাতকৈ কম নহয় কিন্তু।

সদৌ শেষত ভাৰতীয় সংস্কৃতিৰ পৰিচয় বিশ্বৰ বুকুত দাঙি ধৰা হস্ততাঁত ক্ষেত্ৰখনৰ স'তে জড়িত প্ৰতিগৰাকী শিপিনী আৰু শুভাকাংক্ষীলৈ এই চেগতে অষ্টমসংখ্যক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে আমাৰ শুভেচ্ছা যাচিলো।

*লেখক সহকাৰী সঞ্চালক, শিপিনী সেৱা কেন্দ্ৰ, গুৱাহাটী*
*ফোন ঃ ৯৯৫৪৪-৯৭২৮৫*

# হৰ ঘৰ ত্ৰিৰংগা শ্ল'গানেৰে

বাবে এছ এছ বিৰ ২৪ বাহিনীৰ ৰঙিয়া চেক্টৰৰ উদ্যোগত, তামুলপুৰ জিলা আৰক্ষী প্ৰশাসন আৰু তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ সহযোগত এক সজাগতা শোভাযাত্ৰা উলিওৱা হয়। আজি পুৱা ১১ বজাত সজাগতা শোভাযাত্ৰাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে এছ এছ বিৰ ২৪ বাহিনীৰ ৰঙিয়া চেক্টৰৰ জি আই জি জগদীপ পাল সিঙে। সজাগতা শোভাযাত্ৰা মুকলি কৰি এছএছবিৰ ডিআইজিগৰাকীয়ে কয়— দেশ স্বাধীন হোৱাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগৰ নিৰ্দেশত হৰ ঘৰ ঝান্দা কাৰ্যসূচীক এক জন-আন্দোলনলৈ ৰূপান্তৰিত কৰিবলৈ আজিৰ এই সজাগতা সভা তথা শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। ইয়াৰ দ্বাৰা আমাৰ স্বাভিমান জাতীয় পতাকাখনৰ মৰ্যাদা আৰু গৌৰৱ কিমান সেই সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰা। হৰ ঘৰ ঝান্দা কাৰ্যসূচীৰ লগত আমি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি লৈছো এই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে জাতীয় পতাকাৰ গুৰুত্ব বুজি পালেই নিশ্চিতভাৱে দেশৰ ঘৰে ঘৰে পতাকা উত্তোলন হ'ব। এছ এছ বিৰ পাইপ বেণ্ডৰ অংশ গ্ৰহণেৰে উলিওৱা শোভাযাত্ৰাত অংশগ্ৰহণকাৰীসকলে হৰ ঘৰ ঝান্দা, ভাৰত মাতা কি জয়, বন্দে মাতৰম আদি শ্ল'গান দি তামুলপুৰ জিলা সদৰেৰে পৰিভ্ৰমণ কৰি পুনৰ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সামৰণি মাৰে। আজিৰ সজাগতা সভা তথা শোভাযাত্ৰাত তামুলপুৰ জিলা আৰক্ষী অধীক্ষক পংকজ যাদৱ, অতিৰিক্ত আৰক্ষী অধীক্ষক পাৰ্থ সাৰথি শইকীয়া, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা, তামুলপুৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ দেউঘৰীয়া, আৰক্ষী আৰু এছএছবিৰ জোৱানসকলৰ লগতে পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য, শোভাযাত্ৰাৰ পূৰ্বে অনুষ্ঠিত সজাগতা সভাত এছএছবিৰ পাইপ বেণ্ডৰ দলে দৃষ্টিনন্দন বেণ্ড প্ৰদৰ্শন কৰাৰ লগতে কেইবাগৰাকী এছ এছ বিৰ বিষয়া তথা ছাত্ৰ-ছাত্ৰীয়ে দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰে। আজিৰ সভাতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এছ এছ বিৰ তৰফৰ পৰা জাতীয় পতাকাও বিতৰণ কৰা হয়।

**নগাঁৱত হাতে হাতে ত্ৰিৰংগা লৈ আৰক্ষী, চিআৰপিএফৰ পদযাত্ৰা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও ঃ** দেশৰ ৭৫ বছৰীয়া স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে 'আজাদী কা অমৃত মহোৎসৱ' কাৰ্যসূচী পালন কৰা পৰিলক্ষিত হৈছে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি পুৱা নগাঁও আৰক্ষী প্ৰশাসন আৰু নগাঁৱস্থ ৩৪নং চি আৰ পি এফ বাহিনীৰ জোৱানসকলে হাতে হাতে ত্ৰিৰংগা পতাকা লৈ এক পদযাত্ৰা উলিয়ায়। নগাঁও জিলাৰ কঠীয়াতলী ৰেংবেঙৰ পৰা বৰঘাট বাইপাছ হৈ নগাঁও চহৰত প্ৰৱেশ কৰি আৰক্ষী আৰু চি আৰ পি এফৰ জোৱানসকলে কাটিমাৰীস্থ ৩৪নং চি আৰ পি এফৰ ছাউনীত পদযাত্ৰাৰ সামৰণি পেলায়। আনহাতে, পদযাত্ৰা কৰা জোৱানসকলে 'হৰ হৰ ত্ৰিৰংগা', 'ভাৰত মাতা কি জয়' আদি ধ্বনি দি ৰাজপথ মুখৰ কৰি তোলে। দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস নৱ-প্ৰজন্মৰ মাজলৈ বিয়পাই নিয়াৰ বাবেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি পদযাত্ৰাত অংশগ্ৰহণ কৰা জোৱানসকলে সাংবাদিকৰ আগত মন্তব্য কৰে। আনহাতে, এই ত্ৰিৰংগা যাত্ৰাৰ সময়ত পদযাত্ৰাকাৰী দলটোক পথৰ দাঁতিত ৰৈ ৰাইজে হাত জোকাৰি, চাপৰি বজাই আদৰণি জনোৱা পৰিলক্ষিত হয়। পদযাত্ৰাকাৰী দলটোৱে প্ৰায় ৩৫ কিলোমিটাৰ পথ অতিক্ৰম কৰে। দেশৰ প্ৰত্যেকজন নাগৰিক স্বাধীন এই কথা অনুভৱ কৰিবলৈকে আজি এই পদযাত্ৰা কৰা হৈছে বুলি জোৱানসকলে জানিবলৈ দিয়ে।

# অ'এনজিচিৰ অসম বিৰোধী

উত্থাপন কৰিছে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই। উল্লেখযোগ্য যে অ'এন.জি.চি.ৰ থলুৱা বিৰোধী নীতিৰ বিৰুদ্ধে বিগত সময়তো আছুকে ধৰি বিভিন্ন দল সংগঠনে অভিযোগ উত্থাপন কৰাৰ উপৰি ভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰি আহিছে। তৎস্বত্বেও অ'এন.জি.চি. কৰ্তৃপক্ষ অদ্যপি নিজৰ থলুৱা বিৰোধী স্থিতিতে অটল থকাৰ বিৰুদ্ধে পুনৰ সোচ্চাৰ হৈ উঠিছে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থা। যাৰ পৰিপ্ৰেক্ষিতত অ'এন.জি.চি.ৰ বিৰুদ্ধে পুনৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিববলৈ আগবাঢ়িছে ছাত্ৰ সংগঠনটি। ইতিমধ্যে এই সন্দৰ্ভত জিলা ছাত্ৰ সন্থাই পূৰ্বতে প্ৰেছ বিবৃতিৰে ৯ আগষ্টত নাজিৰাস্থিত অ'এন.জি.চি.ৰ অসম সম্পদৰ মুখ্য কাৰ্যালয়ত ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰা সন্দৰ্ভত ঘোষণা কৰিছিল যদিও মহৰমৰ বাবে উক্ত দিনা পৰিৱৰ্তে ১০ আগষ্টত উক্ত কাৰ্যসূচী পূৰ্ব নিৰ্ধাৰিত ধৰণেৰে ৰূপায়ন কৰিব বুলি জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই এক বিবৃতি যোগে জানিবলৈ দিছে। একেটা বিবৃতিতে অ'এন.জি.চি.ৰ বিৰুদ্ধে আছুৱে কিয় প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব লগা হ'ল সেই সন্দৰ্ভত স্থিতি স্পষ্ট কৰি উল্লেখ কৰে যে ক'ভিড-১৯ সৃষ্ট মহামাৰীৰ সময়তে আছুৱে অ'এন.জি.চি.ক অসম সম্পদৰ খনন,উৎপাদন এলেকাৰ চৰকাৰী খণ্ডৰ চিকিৎসালয়ত আই.চি.ইউ. বেড প্ৰদানৰ ব্যৱস্থা কৰা, অ'এন.জি.চি. অসম সম্পদত স্নাতক প্ৰশিক্ষিত কৰ্মচাৰী নিয়োগৰ বাবে অসমৰ অভিযান্ত্ৰিক শিক্ষা প্ৰতিষ্ঠান সমূহৰ পৰা থলুৱা যুৱক -যুৱতীক মকৰলৰ ব্যৱস্থা কৰিবৰ বাবে প্ৰতিবছৰে বিশেষ নিযুক্তি অভিযান অনুষ্ঠিত কৰা, অ'এন.জি.চি. অসম সম্পদৰ উৎপাদন বৃদ্ধিৰ বাবে কি আসোঁৱাহে এই প্ৰক্ৰিয়াত স্থবিৰতা আনিছে তাৰ আভ্যন্তৰীণ পৰিচালনাৰে সমীক্ষাৰ ব্যৱস্থা কৰা, সম্পদৰ এলেকাধীন বিভিন্ন স্থানত সামাজিক,সাংস্কৃতিক দিশলৈ অ'এন.জি.চি.য়ে সহযোগিতা আগবঢ়োৱা প্ৰক্ৰিয়া বন্ধ কৰা সিদ্ধান্ত বাতিল কৰা, আৰ্থসামাজিক উন্নয়ন আৰু নিবনুৱা শিক্ষাৰ্থীসকলৰ উপযোগী হোৱাকৈ বিশেষ পেকেজ ঘোষণা কৰা আৰু পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে আছুৱে উত্থাপন কৰা দাবী সন্দৰ্ভত অ'এন.জি.চি. কৰ্তৃপক্ষই যোগাত্মক সহাঁৰি আগনবঢ়োৱাত আছু পুনৰ আন্দোলনমুখী হ'ব লগা হৈছে। বিবৃতিটোত জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে কয়, অ'এন.জি.চি. অসম সম্পদৰ ভিতৰচৰাত অনা-অসমীয়া বহিৰাগতৰ মইমতালিৰে প্ৰতিষ্ঠানটিক অসম বিৰোধী স্থিতিত অৱতীৰ্ণ কৰোৱা কাৰ্য গ্ৰহণযোগ্য নহয়। যি কোনো মূল্যৰ বিনিময়ত এনে ষড়যন্ত্ৰ ওফৰাই পেলাবলৈ আছু বদ্ধপৰিকৰ। সময় থাকোঁতেই অ'এন.জি.চি. অসম সম্পদে নিজৰ ভূলৰ সংশোধনী কৰি অসম আৰু অসমীয়াৰ স্বাৰ্থ নিগমত সুৰক্ষিত কৰাৰ ব্যৱস্থা নকৰিলে আছুৱে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত অ'এন.জি.চি. বন্ধৰ দৰে কঠোৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিববলৈ বাধ্য হ'ব।

# বিফলতাও শিক্ষা সফলতাৰে

জয় কৰে। আজি কমনৱেলথ গেমছ-২০২২ৰ ১০,০০০ মিটাৰ ৱাক ইভেণ্টত ভাৰতৰ প্ৰিয়ংকা গোস্বামীয়ে ৰূপৰ পদক অৰ্জন কৰে। বাৰ্মিংহামত চলি থকা গেমছত ট্ৰেক এণ্ড ফিল্ডত এইটো ভাৰতৰ তৃতীয় পদক। প্ৰিয়ংকাই ব্যক্তিগত শ্ৰেষ্ঠতা প্ৰদান কৰিছিল আৰু ৪৯ মিনিট আৰু ৩৮ ছেকেণ্ডত এই দীঘলীয়া দূৰত্ব সম্পূৰ্ণ কৰিছিল। ইয়াৰ সৈতে, তেওঁ মুৰলী শ্ৰীশংকৰ (লং জাম্পত ৰূপ) আৰু তেজস্বিন শংকৰ (হাই জাম্পত ব্ৰঞ্জ) তালিকাত তেওঁৰ নাম যোগ কৰে, যিসকলে এই খেলবোৰৰ ট্ৰেক এণ্ড ফিল্ড ইভেণ্টত পদক জিকিছে। টকিঅ' অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰা প্ৰিয়ংকাই খোজকঢ়াৰ প্ৰথম পৰ্যায়ত অতি দ্ৰুত অগ্ৰগতি লাভ কৰে আৰু ৪০০০ মিটাৰ (৪ কিলোমিটাৰ) মাৰ্কৰ পিছত নিজকে প্ৰথম স্থানত ৰাখে। তাৰ পিছত তেওঁ অষ্ট্ৰেলিয়াৰ জেমিমা মনটাগ আৰু কেনিয়াৰ এমিলি ভামুচি এন জিৰ পিছত পিছপৰি আছিল। বাৰ্মিংহাম কমনৱেল্থ গেম্ছ-২০২২ বৰ্ষত ভাৰতবৰ্ষৰ প্ৰদৰ্শন অতুলনীয়। গেমছৰ অষ্টম দিনটোত ভাৰতে মুঠ ৬টা পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ আটাইকেইটা পদক মল্লযুঁজৰ বিভিন্ন শাখাৰ প্ৰতিযোগিতাসমূহত লাভ কৰিছে। জানিব পৰা মতে, ভাৰতীয় মল্লযোদ্ধাসকলে প্ৰতিযোগিতাৰ অষ্টম দিনটোত অৰ্জন কৰা ৬টা পদকৰ ভিতৰত তিনিটা সোণৰ পদক, এটা ৰূপৰ পদক আৰু দুটা ব্ৰঞ্জৰ পদক। ভাৰতীয় মহিলা মল্লযোদ্ধা অংশু মালিকে দেশৰ বাবে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ লগতে বজৰংগ পুনিয়া, দীপক পুনিয়া আৰু সাক্ষী মালিকে তিনিটাকৈ সোণৰ পদক নিজৰ নামত কৰিবলৈ সক্ষম হয়। সপ্তমটো দিনা ভাৰতে মুঠ এটা সোণৰ আৰু এটা ৰূপৰ পদক লাভ কৰে। উল্লেখনীয় যে, ভাৰতে মাত্ৰ আঠটা দিনত সৰ্বমুঠ ২৬টা পদক লাভ কৰিছে, যাৰ ভিতৰত ৯টা সোণৰ পদক, ৮টা ৰূপৰ পদক আৰু ৯টা ব্ৰঞ্জৰ পদক। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰত বৰ্তমানে পদক তালিকাত পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হৈছে।

# টুপামাৰীত পথ মেৰামতিৰ

ছাত্ৰ-ছাত্ৰীসকলে জনপ্ৰতিনিধিসকলক বাৰাম্বাৰ আৱেদন-নিৱেদন কৰাৰ পিছতো সুফল নোপোৱাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। আনকি বিধায়িকা নন্দিতা দাসৰ কাৰ্যকালত হেনো বৃহত্তৰ টুপামাৰী অঞ্চলত কোনো ধৰণৰ উন্নয়ন হোৱা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজে। উপায়বিহীন হৈ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যোৱা বিধ্বস্ত পথতে পঞ্চায়ত প্ৰতিনিধি হায় হায়, বিধায়িকা নন্দিতা দাস হায় হায়, সাংসদ কুইজ ওজা হায় হায়, অসম চৰকাৰ হায় হায়, ৰাস্তা আমাক লাগিবই আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। বিভাগীয় কৰ্তৃপক্ষৰ লগতে জনপ্ৰতিনিধিসকলক শীঘ্ৰে পথছোৱা মেৰামতি কৰি যাতায়াতৰ বাবে সুচল কৰি দিয়াৰ দাবী জনাইছে প্ৰতিবাদকাৰীয়ে। এতিয়া প্ৰশ্ন হয়, স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ এনে প্ৰতিবাদে টোপনি ভাঙিবনে নিদ্ৰামগন বিধায়িকা নন্দিতা তথা বিভাগীয় কৰ্তৃপক্ষকৰ লগতে পঞ্চায়ত প্ৰতিনিধিসকলৰ ? পথছোৱা মেৰামতিৰ দিহা হ'বগৈ নে ? সেয়া সময়তহে হ'ব লক্ষণীয়।

# আমেৰিকা আৰু চীনৰ মাজত

আমেৰিকা যুক্তৰাষ্ট্ৰৰ চীনৰ সৈতে পোনপটীয়াকৈ সংঘৰ্ষ হৈছিল। ১৯৫০ চনৰ ২৫ জুনত উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়া আক্ৰমণ কৰে। এই আক্ৰমণৰ লগে লগে পৃথিৱীৰ শক্তিশালী দেশসমূহ দুটা গোটত বিভক্ত হৈ পৰিছিল। এফালে চীন আৰু ছোভিয়েট ৰাছিয়া উত্তৰ কোৰিয়াৰ কমিউনিষ্ট চৰকাৰৰ সৈতে থিয় দিছিল। আনহাতে, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় দেশসমূহ দক্ষিণ কোৰিয়াৰ সৈতে আছিল। ব্ৰিটানিকাৰ মতে, তিনি বছৰ ধৰি চলি থকা যুদ্ধত দুয়োপক্ষৰ ২.৮ নিযুতৰো অধিক সাধাৰণ নাগৰিক আৰু সৈনিক নিহত বা নিৰুদ্দেশ হৈছিল। উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়াৰ মাজত যুদ্ধ হৈছিল, কিন্তু চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই কিয় এই যুদ্ধত জঁপিয়াই পৰিছিল? ১৯০৪ চনৰ আগতে কোৰিয়ান সাম্ৰাজ্যৰ দ্বাৰা এটা দ্বীপ শাসন কৰা হৈছিল। মানুহে এইটো কোৰিয়া নামেৰে জানিছিল। ১৮৯৪-৯৫ আৰু ১৯০৪-০৫ চনত জাপান আৰু চীনৰ মাজত কোৰিয়া দখল কৰিবলৈ ভয়ংকৰ যুদ্ধ হৈছিল। এই যুদ্ধৰ পিছত, কোৰিয়া জাপানে দখল কৰিছিল। ১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধত জাপান পৰাজিত হৈছিল। যুদ্ধ সমাপ্ত হোৱাৰ পিছত, কোৰিয়াক দুখন দেশত বিভক্ত কৰা হৈছিল। এই বিভাজনৰ বাবে ৩৮ ডিগ্ৰী অক্ষাংশক বিভাজনৰ ৰেখা হিচাপে গণ্য কৰা হৈছিল। উত্তৰ অংশটো ছোভিয়েট ইউনিয়নে অধিগ্ৰহণ কৰিছিল আৰু দক্ষিণ অংশ আমেৰিকালৈ গৈছিল। ইয়াৰ পিছত, ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ নেতৃত্বত দক্ষিণ অংশত নিৰ্বাচন অনুষ্ঠিত হয়, কিন্তু উত্তৰ অংশই নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ অস্বীকাৰ কৰে। ইয়াৰ ফলত দুটা অধিকৃত অঞ্চলত পৃথক কোৰিয়ান চৰকাৰ গঠন হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ অন্তিম দিনবোৰত মিত্ৰশক্তিৰ মাজত সিদ্ধান্ত লোৱা হৈছিল যে জাপানীসকলৰ আত্মসমৰ্পণৰ পিছত ছোভিয়েট বাহিনী উত্তৰ কোৰিয়াৰ উত্তৰলৈকে থাকিব। আনহাতে, ৰাষ্ট্ৰসংঘৰ সেনাই ৰেখাৰ দক্ষিণ অংশ নিৰীক্ষণ কৰিব। ইয়াৰ পিছত কোৰিয়ান কমিউনিষ্টসকলৰ নেতৃত্বত উত্তৰ কোৰিয়াত গণপ্ৰজাতন্ত্ৰ কোৰিয়াৰ চৰকাৰ গঠন কৰা হয়। একে সময়তে, দক্ষিণ কোৰিয়াত নেতা চিংমেন ৰিৰ নেতৃত্বত গণতান্ত্ৰিকভাৱে এখন চৰকাৰ গঠন কৰা হৈছিল। চিংমেন ৰি কমিউনিষ্ট ধাৰণাৰ বিৰোধী আছিল। তেওঁলোকে এই আদৰ্শক তেওঁলোকৰ দেশত বিয়পা বন্ধ কৰিব বিচাৰিছিল। ১৯৫০ চনৰ ২৫ জুনত উত্তৰ কোৰিয়াই দক্ষিণ কোৰিয়া আক্ৰমণ কৰে। জেনেৰেল ডগলাছ মেকআৰ্থাৰে দ্বিতীয় বিশ্বযুদ্ধৰ পিছত, তেওঁ তেওঁৰ দেশ আমেৰিকাত নায়ক হৈ পৰে। কোৰিয়ান যুদ্ধৰ দায়িত্বও তেওঁলোকৰ কান্ধতে দিয়া হৈছিল। কোৰিয়াত যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে বিশ্বৰ চকু ৰাষ্ট্ৰসংঘৰ ওপৰত নিবদ্ধ হ'ল। আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘত ভোটৰ বাবে হেঁচা দিছিল আৰু দক্ষিণ কোৰিয়াৰ নিৰাপত্তাৰ দায়িত্ব লৈছিল। দ্বিতীয় বিশ্বযুদ্ধত জাপানৰ ওচৰত আত্মসমৰ্পণ কৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ জেনেৰেল মেকআৰ্থাৰৰ নেতৃত্বত সেনাৰ এটা দল কোৰিয়াত উপস্থিত হয়। আমেৰিকান যুঁজাৰুসকলে বিপজ্জনক নাপাম বোমা মাৰিবলৈ আৰম্ভ কৰিলে। নাপাম বোমাত ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰা হৈছিল, যি বোমাই মানুহক বাষ্পলৈ পৰিৱৰ্তন কৰাৰ ক্ষমতা আছিল। চীনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক বাহিনীৰ কুৎসিত ৰূপক ভয় কৰিবলৈ আৰম্ভ কৰিছিল কিন্তু পিছত ড্ৰেগন আমেৰিকাৰ ওপৰত যুদ্ধত জঁপিয়াই পৰিছিল। চীনে মুকলিকৈ উত্তৰ কোৰিয়াৰ পক্ষ ল'বলৈ আৰম্ভ কৰে। ছোভিয়েট ইউনিয়নেও উত্তৰ কোৰিয়াক সন্ত্ৰস্ত কৰি আছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক বাহিনীৰ বি-২৯ আৰু বি-৫১ বোমাৰু বিমানে উত্তৰ কোৰিয়াৰ গাঁওসমূহ ধ্বংস কৰে। ১৯৫১ চনৰ জানুৱাৰী মাহৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সামৰিক বাহিনীয়ে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট বাহিনীক খেদি খেদি ইয়ালু নদীৰ ওচৰলৈও গৈছিল। ইয়ালু নদী চীন আৰু উত্তৰ কোৰিয়াৰ সীমাত আছে। চীনেও আমেৰিকাৰ প্ৰতাপত লাহে লাহে যুদ্ধৰ পৰা পিছুৱাই আহিবলৈ ধৰে। তেতিয়াৰে পৰাই কমিউনিষ্ট চীনৰ সৈতে আমেৰিকাৰ সংঘাত লাগিয়েই আছে। নেন্সি পেলোচীৰ টাইৱান ভ্ৰমণৰ সময়তে চীনৰ চৰকাৰে বেইজিঙত থকা মাৰ্কিন ৰাষ্ট্ৰদূতগৰাকীকো তলব কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতক মাতি নি পেলোচীৰ টাইৱান ভ্ৰমণৰ বিষয়ে নানান প্ৰশ্ন সোধা হৈছে। বেইজিঙে টাইৱানৰ পৰা কেইবাটাও গুৰুত্বপূৰ্ণ সামগ্ৰী আমদানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। চীনে আনকি টাইৱানলৈ বালিৰ ৰপ্তানি বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। চীনৰ উপ বৈদেশিক মন্ত্ৰী জি ফেঙে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতলৈ জৰুৰী চমন জাৰি কৰিছিল। দুয়োপক্ষই যুদ্ধৰ বাবে যেন সাজু হৈছে। পেলোচীৰ ভ্ৰমণৰ পিছতে টাইৱানৰ নৌসেনাই টাইৱানৰ সাগৰত অনুশীলন কৰিব বুলি জানিব পৰা গৈছে।

# মল্লযুঁজৰ প্ৰথম দিনাই ভাৰতৰ

সক্ষম হয় দিব্যা কাকৰাণ আৰু মোহিত গ্ৰেৱালে। ইফালে, আজি দ্বিতীয় দিনাও ভাৰতৰ ছগৰাকী মল্লযোদ্ধাই অংশ লৈছে আৰু ইয়াৰে তিনিগৰাকী ফাইনেলত প্ৰৱেশ কৰি পদক জয় নিশ্চিত কৰাৰ বিপৰীতে তিনিগৰাকীয়ে ছেমি ফাইনেলত পৰাস্ত হৈ এতিয়া ব্ৰঞ্জ পদকৰ বাবে খেলিব। ফাইনেলত প্ৰৱেশ কৰি সোণ জয়ৰ আশা সজীৱ কৰিছে পুৰুষৰ ৫৭ কিলোগ্ৰাম শাখাত খেলা টকিঅ' অলিম্পিকৰ ৰূপ জয়ী ৰবী কুমাৰ দাহিয়াই। তেওঁ ছেমি ফাইনেলত পৰাস্ত কৰে পাকিস্তানৰ আছাদ আলীক। ইফালে, সোণৰ বাবে খেলিব পুৰুষৰ ৭৪ কিলোগ্ৰাম শাখাত খেলা নবীন আৰু মহিলাৰ ৫৩ কিলোগ্ৰাম শাখাত খেলা ভিনেছ ফ'গাতে। আনহাতে, পুৰুষৰ ৯৭ কিলোগ্ৰাম শাখাত খেলা দীপক নেহৰা তথা মহিলাৰ ৫০ কিলোগ্ৰাম শাখাত খেলা পূজা গেহলট আৰু মহিলাৰ ৭৬ কিলোগ্ৰাম শাখাত খেলা পূজা ছিহাগে। উল্লেখ্য যে প্ৰথমদিনা ভাৰতৰ চাৰিগৰাকী মল্লযোদ্ধাই ফাইনেলত প্ৰৱেশ কৰি চাৰিটা পদক জয় কৰাটো নিশ্চিত কৰিছিল। ইয়াৰে সাক্ষী মলিক, বজৰং পুনিয়া তথা দীপক পুনিয়াই ফাইনেলত জয়লাভ কৰি সোণ লাভ কৰাৰ বিপৰীতে খিতাপৰ যুঁজত পৰাস্ত হৈ ৰূপ লাভ কৰে অংশু মালিকে। মহিলাৰ ৬২ কিলোগ্ৰাম শাখাত খেলা অলিম্পিক ব্ৰঞ্জ জয়ী সাক্ষী মলিকে খিতাপৰ যুঁজত বিপক্ষক সময়ৰ পূৰ্বেই আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰায়। কিন্তু মহিলাৰ ৫৭ কিলোগ্ৰাম শাখাৰ ফাইনেলত নাইজেৰিয়াৰ খেলুৱৈৰ বিৰুদ্ধে পৰাস্ত হয় অংশু মলিক। ইফালে, পুৰুষৰ ৬৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ জয়ী বজৰং পুনিয়াই হেলাৰঙে মেচ জয় কৰিবলৈ সক্ষম হয়। আনহাতে, পুৰুষৰ ৮৬ কিলোগ্ৰাম শাখাৰ ফাইনেলত পাকিস্তানৰ খেলুৱৈক পৰাস্ত কৰি ভাৰতীয় দৰ্শকৰ হৃদয় জয় কৰে দীপক পুনিয়াই।

# নগাঁৱৰ গোমোঠা গাঁৱত ৯

মতে, স্থানীয় লোকে বস্তাকেইটা প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষী আৰু বন বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হৈ প্ৰকৃতিপ্ৰেমী সংগঠনৰ সদস্যৰ উপস্থিতিত শামুকখিনি কলং নৈত পেলাই দিয়ে। লক্ষাধিক টকা মূল্যৰ এই শামুকখিনি কোনো চোৰাং ব্যৱসায়ীয়ে ডিমাপুৰলৈ সৰবৰাহৰ চেষ্টা কৰিছিল বুলি আৰক্ষীয়ে ধাৰণা ব্যক্ত কৰিছে। আগন্তুক স্বাধীনতা দিৱসৰ প্ৰাক্ক্ষণত চৌদিশে চলি থকা তালাচীৰ ভয়তে চোৰাং ব্যৱসায়ীয়ে উক্ত বস্তাসমূহ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত এনেদৰে পেলাই থৈ যায় বুলি সন্দেহ কৰা হৈছে।

# ৰোগীয়ে দহ টকা দিব খুজি

চিকিৎসকগৰাকীৰ চেম্বাৰত দেখা গ'ল এক জীয়া বাস্তৱ ছবিৰ প্ৰতিফলন। প্ৰাপ্ত তথ্য অনুসৰি আজি পুৱা বন্যাৰ্ত গাঁও এখনৰ এটা দৰিদ্ৰ পৰিয়ালৰ দুগৰাকী মাতৃ-কন্যাই অসুখত ভুগি ডাঃ আজিমুদ্দিন আহমেদৰ চেম্বাৰত উপস্থিত হৈছিল। সেই সময়ত চিকিৎসকগৰাকী ভিতৰত অন্য কামত ব্যস্ত আছিল যদিও গম পোৱা মাত্ৰকে ৰোগী দুগৰাকীক ছিটত শুৱাই লৈ পৰীক্ষা কৰি প্ৰেছক্ৰিপচন এখন লিখি দি কেনেকৈ কিদৰে দৰবখিনি খাব লাগে তাক ৰোগী মাতৃক বুজাই দি যাবলৈ দিয়ে। তেনেতে ৰোগী মাতৃগৰাকীয়ে চিকিৎসক আজিমুদ্দিন আহমেদক মাত্ৰ সন্মান প্ৰদৰ্শন কৰি দহটকীয়া নোট এখন উলিয়াই দিব খুজি কয় যে- ছাৰ হাতত পইচা নাই, আপোনাক মাত্ৰ সন্মানহে জনাইছো। লগে লগে চিকিৎসকগৰাকীয়ে ৰোগী মাতৃগৰাকীৰ হাতত পাঁচশ টকা এটা তুলি দি ক'লে- কিয় দিছে মোক নালাগে নহয়, মইতো তোমাক খোজা নাই। তুমি পাঁচশ টকাটো লৈ যোৱা মাইনাজনীৰ ঔষধখিনি কিনিবা। যদি নহয় মোক জনাবা। জানিব পৰা মতে ৰোগীগৰাকী দিপীলা মৌজাৰ কুমাৰপাৰা গাঁৱৰ অতিকৈ ভাল, দৰিদ্ৰ তথা বুভুক্ষু পৰিয়াল এটিৰ আৰাফা বেগম (৩৫) আৰু তেওঁৰ পাঁচবছৰীয়া কন্যা আফৰিন চুলতানা। ঘটনাটো নেদেখিলে কোনোৱে সঁচা তথা বিশ্বাস কৰিবলৈ টান পাব পাৰে যদিও আজিৰ উক্ত মানৱীয় ঘটনাটো দিনৰ পোহৰৰ দৰে পৰিষ্কাৰ আৰু সত্য ঘটনা। উক্ত ঘটনাটোৱে ক্ৰমাৎ জনৰৱ হৈ পৰাৰ পিছত অঞ্চলটোৰ বৌদ্ধিক মহলত চিকিৎসকগৰাকীৰ মানৱ দৰদী সেৱাক লৈ বিশেষভাৱে চৰ্চা চলিছে। চিকিৎসা সেৱাৰ নামত মানৱ সেৱা গ্ৰহণ কৰা এইগৰাকী দৰিদ্ৰৰ সেৱক, সু-চিকিৎসা বিষয়াক চৰকাৰৰ স্বাস্থ্য বিভাগে বিশেষ ভূষণেৰে পুৰস্কৃত কৰিব লাগে বুলি দাবী তুলিছে। চিকিৎসা বৃত্তিটোক মানৱ সেৱাৰূপে গ্ৰহণ কৰি বিভাগৰ নাম উজলোৱা ডাঃ আজিমুদ্দিন আহমেদ প্ৰকৃতাৰ্থত অন্য দহগৰাকী চিকিৎসকতকৈ অনন্য বুলি সচেতন লোকসকলে দৃঢ়তাৰে ক'ব খোজে। সমাজৰ দুখীয়া-দৰিদ্ৰ ৰোগীৰ বাবে ত্ৰাণকৰ্তা তথা বন্ধু হৈ পৰা চিকিৎসক ডাঃ আজিমুদ্দিন আহমেদ যিমান জনপ্ৰিয় তাৰ সমানে জনপ্ৰিয় এগৰাকী কমেডী অভিনেতা, সুকণ্ঠী গায়ক, প্ৰতিষ্ঠিত কবি হিচাপেও। তদুপৰি প্ৰকৃতিক ভাল পোৱা এইগৰাকী চিকিৎসকে তেওঁৰ কৰ্মৰত দুখনকৈ চিকিৎসালয় কেন্দুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত দেশী-বিদেশী নানা প্ৰজাতি ঔষধিযুক্ত গছৰ বাগান স্থাপন কৰি দেখুৱাইছে আন এক অনন্য নিদৰ্শন। নিজৰ পকেটৰ টকাৰে মূল্যৱান গছপুলি ৰোপণ কৰি সেইবোৰ আজৰি সময়ত নিজৰ সন্তানৰ দৰে লালন-পালন কৰি সমাজক দেখুৱাইছে আন এক আদৰ্শ। যিখন চিকিৎসালয় পৰিদৰ্শন কৰিবলৈ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে সময়ে সময়ে চিকিৎসালয়খনলৈ যোৱা বুলি প্ৰকাশ। আনহাতে, পাথৰিঘাট মহকুমা স্বাস্থ্য কেন্দ্ৰত থকা তেওঁৰ চেম্বাৰটো ঔষধি গছৰ প্ৰাকৃতিক পৰিৱেশে মোহিত কৰিছে ৰোগীসকলৰ লগতে শত-সহস্ৰজনক। নিজে উৎপন্ন কৰা ফল-মূল খাই ভাল পোৱা এইগৰাকী চিকিৎসকৰ আদৰ্শ আনসকলেও গ্ৰহণ কৰিব নোৱাৰোনে ? ৰাজ্যৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা টকাৰ অভাৱত চিকিৎসা কৰিব নোৱাৰি বিছনাত চট্‌ফটাই থকা দৰিদ্ৰ পৰিয়ালৰ ৰোগীসকলক চিকিৎসা বিষয়াসকলে আৰ্থিক সহায় কৰি মানৱ সেৱাৰ শ্ৰেষ্ঠ ধৰ্ম গ্ৰহণ কৰিব নোৱাৰেনে? পাথৰিঘাট অঞ্চলত দুখীয়া দৰিদ্ৰৰ ত্ৰাণকৰ্তা হৈ থাকিবলৈ শত-সহস্ৰ দুখীয়া দৰিদ্ৰৰ ডাঃ আজিমুদ্দিন আহমেদলৈ জাউৰিয়ে জাউৰিয়ে বৈছে শত বছৰ জীয়াই থকাৰ শুভেচ্ছা বাৰ্তা। কতজনে আকৌ কৰিছে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু জীৱন কামনা। শেষত আমাৰ কাকতৰ ফালৰ পৰা ডাঃ আজিমুদ্দিন আহমেদলৈ জনালো শুভেচ্ছা।

# ভয়াৱহ ৰূপত লাম্পি ৰোগ

ৰোগে আক্ৰমণ কৰিছে। ই জন্তুৰ তেজ শুহি খোৱা পোক-পতংগৰ দ্বাৰা সংক্ৰমিত হয়। কিছুমান বিশেষ প্ৰজাতিৰ মাখি আৰু মহ বা চিকৰা আদিৰ দ্বাৰা লাম্পি সংক্ৰমিত হয়। এই ৰোগ ভাৰতত তুলনামূলকভাৱে খুব কমেইহে হোৱা দেখা গৈছিল। অৱশ্যে, যোৱা দশকৰ পৰা ই মধ্য প্ৰাচ্য, দক্ষিণ-পূব ইউৰোপ, মধ্য এছিয়ালৈ বিয়পি পৰিছে। বিশেষকৈ ২০১২ চনৰ পৰা ই মধ্য প্ৰাচ্য, দক্ষিণ-পূব ইউৰোপ আৰু পশ্চিম আৰু মধ্য এছিয়াৰ মাজেৰে দ্ৰুতগতিত বিয়পি পৰিছে। এই ৰোগত আক্ৰান্ত প্ৰাণী জ্বৰ, নাকৰ স্ৰাৱ ওলোৱা আৰু লেলাৱতি বৈ থকা আদি লক্ষণৰ চিকাৰ হয়। বৰ্তমান ৰোগ বিধৰ বাবেই ৰাজস্থানৰ ৰাজ্য চৰকাৰে ৰাজ্যৰ বাহিৰত গৰুৰ চলাচল নিষিদ্ধ কৰিছে আৰু পশু মেলাও নিষিদ্ধ কৰিছে।

# নতুন উপ-ৰাষ্ট্ৰপতি জগদীপ

সদস্যৰ লগতে ৰাজ্যসভাৰ ২৩৩গৰাকী নিৰ্বাচিত আৰু ১২গৰাকী মনোনীত সদস্যই ভোটদান কৰে। সন্ধিয়া ৫ বজালৈকে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া অন্ত পৰাৰ পিছতেই ভোট গণনা অনুষ্ঠিত হয়। ১১ আগষ্টত কাৰ্যকাল সমাপ্ত হ'ব বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ । উপ-ৰাষ্ট্ৰগৰাকীয়ে ১১ আগষ্টত শপত গ্ৰহণ কৰিব । নতুন উপ-ৰাষ্ট্ৰপতিগৰাকীক ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি ভিন্নজনে শুভেচ্ছা জ্ঞাপন কৰিছে।

# জটিল ৰোগত আক্ৰান্ত

থকা সত্বেও এটা চৰকাৰী চাকৰি যোগাৰ কৰিব নোৱাৰি মনাসিকভাৱে ভাগি পৰা যুৱকজনৰ ব্যৱসায় এটা কৰিবলৈকো হাতত নাছিল ধন। তেনে জটিল ক্ষণত হতাশগ্ৰস্ত যুৱকজনৰ জীৱনলৈ নামি আহিল ঘোৰ অমানিশা । যুৱকজন spondylopathies নামৰ এক জটিল ৰোগত আক্ৰান্ত হয়। আনহাতে, উপাৰ্জন বুলিবলৈ ঘৰত একো নাছিল। ৰূপজ্যোতিৰ পিতৃ দেৱেন বেজবৰাৰ ইতিমধ্যে মৃত্যু ঘটিছিল। আনহাতে, মাটি বিক্ৰী কৰি মাতৃ আৰতি বেজবৰাই পুত্ৰক সুস্থ কৰি তুলিবৰ বাবে যিমানখিনি পাৰে চিকিৎসা কৰায়। ৰূপজ্যোতিৰ পৰিয়ালে ধনৰ অভাৱত ৰূপজ্যোতিক চিকিৎসকৰ ওচৰলৈ নিব পৰা নাছিল। তেনে পৰিস্থিতিত ৰূপজ্যোতিৰ শেষ ভৰসা আছিল অসম চৰকাৰ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। উপায়ান্তৰ হৈ ৰূপজ্যোতিয়ে সংবাদ মাধ্যমৰ জৰিয়তে তেওঁৰ চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত সহায় ভিক্ষা মাগে। ইপিনে ৰূপজ্যোতিৰ সমগ্ৰ ঘটনা সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পাছত যোৱা ৩১ জুলাইত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা এসময়ৰ মেধাৱী ছাত্ৰগৰাকীৰ ঘৰত গৈ উপস্থিত হয়। বিধায়ক শৰ্মাই ৰূপজ্যোতিৰ বাসগৃহত উপস্থিত হৈ তেওঁৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে বিষয়টো অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ কৰি ৰূপজ্যোতিক আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব বুলি আশ্বাস প্ৰদান কৰে। পিছত ৰূপজ্যোতিৰ স্বাস্থ্য সম্পৰ্কত বিধায়ক শৰ্মাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অৱগত কৰে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰূপজ্যোতিৰ আহবানৰ প্ৰতি সঁহাৰি জনাই তাৎক্ষণিকভাৱে এক লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। আজি বিধায়ক ৰূপক শৰ্মাই ৰূপজ্যোতিৰ বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰা আৰ্থিক সাহায্য যুৱকজনক প্ৰদান কৰে। আনহাতে, মুখ্যমন্ত্ৰীয়ে অনাগত দিনত ৰূপজ্যোতিৰ চিকিৎসাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি বিধায়ক ৰূপক শৰ্মাৰ জৰিয়তে প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ পৰা লাভ কৰা এই অনুদানৰ পাছত ৰূপজ্যোতিৰ মুখত বৰ্তমান হাঁহি বিৰিঙি উঠিছে। এই অনুদানৰ জৰিয়তে শীঘ্ৰে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ যাব এসময়ৰ এই মেধাৱী ছাত্ৰজন। মুখ্যমন্ত্ৰীগৰাকীৰ এই সহায়ৰ বাবে মাতৃৰ লগতে ৰূপজ্যোতিয়ে মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বিধায়ক ৰূপক শৰ্মাই এইক্ষেত্ৰত প্ৰদৰ্শন কৰা তৎপৰতাৰ শলাগ লয় । তদুপৰি ৰূপজ্যোতি বেজবৰাই তেওঁক আগবঢ়োৱা সঁহাৰিৰ বাবে কেইবাগৰাকীও বন্ধুৰ লগতে সংবাদ মাধ্যমকো ধন্যবাদ জনায়।

# বুষ্টাৰ ড'জ বৃদ্ধিৰ পোষকতা

ৰোগীৰ ভিতৰত এজন ৰোগীৰ অৱস্থা সংকটজনক আৰু বেছি ভাগ ৰোগী অক্সিজেনত থকাৰ লগতে তেওঁক ভেণ্টিলেটৰত ৰখা হয়। যেতিয়াই ইতিবাচকৰ হাৰ ১০ শতাংশতকৈ অধিক হয় তেতিয়াই এয়া নিশ্চিতভাৱে চিন্তাৰ বিষয় বুলি তেওঁ কয়। বুষ্টাৰ পালি সকলোৰে বাবে অতি আৱশ্যক বুলি তেওঁ মন্তব্য কৰে। ভাৰতত বিগত এটা দিনত ১৯,৪০৬জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হোৱাৰ পিছত দেশত সংক্ৰমণৰ মুঠ সংখ্যা ৪,৪১,২৬,৯৯৪ লৈ বৃদ্ধি পাইছে। চিকিৎসাধীন ৰোগীৰ সংখ্যা ১,৩৫,৩৬৪ৰ পৰা ১,৩৪,৭৯৩জনলৈ হ্ৰাস পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে শনিবাৰে পুৱা প্ৰকাশ কৰা তথ্য অনুসৰি, ভাৰতত ক'ভিড-১৯ত মৃত্যুৰ সংখ্যা বৃদ্ধি হৈ ৫,২৬,৬৪৯ হৈছেগৈ। আনহাতে, চিকিৎসাধীন ৰোগীৰ সংখ্যা সংক্ৰমণৰ মুঠ সংখ্যাৰ ০.৩১ শতাংশ। ক'ভিড-১৯ৰ পৰা সুস্থ হৈ উঠাৰ ৰাষ্ট্ৰীয় হাৰ ৯৮.৫০ শতাংশ। বিগত ২৪ ঘণ্টাত ক'ভিড-১৯ত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ৰোগীৰ সংখ্যা ৫৭১জন কমিছে। আনহাতে, সংক্ৰমণৰ দৈনিক হাৰ ৪.৯৬ শতাংশ, সাপ্তাহিক হাৰ ৪.৬৩ শতাংশ। দেশত এই মহামাৰীৰ পৰা সুস্থ হৈ উঠা লোকৰ সংখ্যা বৰ্তমান ৪,৩৪,৬৫,৫৫২জন। মৃত্যুৰ হাৰ ১.১৯ শতাংশ। আনহাতে, দেশত ক'ভিড-১৯ টিকাকৰণ অভিযানৰ জৰিয়তে ২০৫.৯২ কোটিৰো অধিক পালি ভেকচিন প্ৰদান কৰা হৈছে।

# মৰিগাঁৱত গৰু ব্যৱসায়ত

নাম নুৰুজ জামান। জানিব পৰা মতে, নুৰুজ জামানে গৰু ব্যৱসায় সংক্ৰান্তত সুদূৰ বাংলাদেশৰ পৰা অসমলৈ আহিছিল। ধৃত বাংলাদেশীজন ভিছা পাছপ'ৰ্টৰ জৰিয়তে আহিছে যদিও আৰক্ষীয়ে বৈধতা সম্পৰ্কে তদন্ত আৰম্ভ কৰিছে। আনহাতে, এই সংক্ৰান্তত আন দুজন লোককো আটক কৰি মৰিগাঁও আৰক্ষীয়ে মৰিগাঁও সদৰ থানাত সোধা-পোছা অব্যাহত ৰাখিছে। প্ৰণিধানযোগ্য যে যিখিনি সময়ত জিলাখনৰ মৈৰাবাৰীৰ জামিয়া উল হুদা মাদ্ৰাছাত বিগত দিনত বিভিন্ন সময়ত বহিঃৰাষ্ট্ৰৰ পৰা বাংলাদেশী জেহাদীৰ আহ-যাহ চলিছিল, তেনে অৱস্থাত জিলাখনত গৰু ব্যৱসায়ীৰ ৰূপত থকা বাংলাদেশীক আটক কৰা ঘটনাই সমগ্ৰ জিলাখনতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# বিপৰীতমুখী প্ৰক্ৰিয়াত বিধ্বস্ত

আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰ যাদৱ কোঁৱৰ বিৰুদ্ধে নলবাৰী সদৰ থানাত এখন এজাহাৰ দাখিল কৰে। উল্লেখ্য যে যোৱা ৫ আগষ্টত তাই আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰ যাদৱ কোঁৱৰ নামৰ লোকজনে সংবাদ মাধ্যমৰ জৰিয়তে আঙুৰলতা ডেকা ইতিহাস নথকা জনগোষ্ঠীৰ নৰ্তকী বুলি কোৱাৰ লগতে ইতিহাস নথকা ঢেকেৰী জনগোষ্ঠীৰ বুলি বাৰে বাৰে উল্লেখ কৰি কলিতা জনগোষ্ঠীটোক চূড়ান্ত অপমান কৰিছে। তাই আহোম ছাত্ৰ সন্থাই জনা উচিত আহোমে ১২২৮ চনত অসম আক্ৰমণ কৰিবলৈ আহি বৰ অসমৰ মতা হ'ব বিচাৰিছে। অসমৰ কলিতা আলপাইনসকল যে ভূমিপুত্ৰ তাৰ উদাহৰণ অসমীয়া ভাষা। কলিতাই সৃষ্টি কৰা অসমীয়া ভাষাটোক লৈ ফিতাহি মাৰি অসমৰ মূধা ফুটা নেতাগিৰি কৰাটো কলিতাসকলে কোনো কালে সহ্য নকৰে। আহোমৰ উপদ্ৰৱত এদিন শংকৰদেৱ আৰু মাধৱদেৱে গুৰু দুজনা প্ৰাণ ৰক্ষাৰ বাবে পলাব লগা হৈছিল। এই কলংকৰ কথা অইনে পাহৰি গ'লেও কলিতা আলপাইন জনগোষ্ঠীয়ে পাহৰি যোৱা নাই। সেয়েহে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনে তেওঁলোকক ২৪ ঘণ্টা সময় দিছোঁ, অহা ২৪ ঘণ্টাৰ ভিতৰত যদি তাই আহোম ছাত্ৰ সন্থাই ক্ষমা নোখোজে তেতিয়া হ'লে তেওঁলোকে ভয়ানক পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব বুলি সকীয়াই দিয়ে। লগতে কালি সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন, নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক ভুৱনেশ্বৰ কলিতাই তাই আহোম ছাত্ৰ সন্থাৰ মুখপাত্ৰ যাদৱ কোঁৱৰৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। ইতিমধ্যে অসমৰ বিভিন্ন জিলা সমিতিসমূহক যাদৱ কোঁৱৰ নামৰ লোকজনৰ ওপৰত এজাহাৰ দিয়াৰ বাবে প্ৰস্তুতি চলিছে বুলি জানিব পৰা গৈছে।

# ঠিকাদাৰৰ পৰা উৎকোচ লৈ

একাংশ শিক্ষিত আৰু উচ্চ পদবীধাৰীৰ দুৰ্নীতিগ্ৰস্ত মুখাখন পুনৰবাৰ খোল খাই পৰিল। ঘটনাটো সংঘটিত হৈছিল বজালী জিলাৰ পাঠশালাত। নতুনকৈ স্থাপন কৰা আৰু নিৰ্মীয়মান অৱস্থাত থকা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ গুৰুপ্ৰসাদ খাটনিয়াৰৰ কাণ্ডত লজ্জিত হৈছে শৈক্ষিকমহল। তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ অভিযানত এইজন পঞ্জীয়ক ৫০ হাজাৰ টকা লওতেই ধৰা পৰিল। তেওঁ সংশ্লিষ্ট ঠিকাদাৰৰ পৰা একলাখ টকা দাবী কৰি দীৰ্ঘদিন হাৰাশাস্তি কৰি অহা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে ৩২ লাখ টকাৰ এক ঠিকা কামৰ অংশ হিচাপে ভট্টদেৱ বিশ্ববিদ্যালয় চৌহদৰ একাংশত আৰ্থফিলিং কাম কৰি আছিল সংশ্লিষ্ট ঠিকাদাৰে। তেওঁ বিধিমতে ৰাণিং বিল আদায় পাব লাগে। ইয়াৰ বাবে পাঠশালাৰ লোকনিৰ্মাণ গৃহবিভাগৰ কাৰ্যবাহী অভিযন্তাই সকলোবোৰ নথিপত্ৰ প্ৰস্তুত কৰি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জমা দিছিল। কিন্তু বিভিন্ন অজুহাত দেখুৱাই পঞ্জীয়ক খাটনিয়াৰে উক্ত নথি-পত্ৰ অনুমোদন কৰা নাছিল। বিষয়টো তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাৰ দৃষ্টিগোচৰ কৰা হ'ল আৰু এটা গোচৰ পঞ্জীয়ন হ'ল। সেই অনুসৰি শনিবাৰে গুৱাহাটীৰ চানমাৰি আৰক্ষী থানাৰ অন্তৰ্গত অসম ইঞ্জিনিয়াৰিং প্ৰতিষ্ঠানৰ অতিথিশালাত দিনৰ ১২.৩০ বজাত ৫০ হাজাৰ টকা উৎকোচ লওতেই হাতেলোটে গ্ৰেপ্তাৰ কৰা হয়। ইতিমধ্যে অসম আৰক্ষীয়ে তেওঁৰ বিৰুদ্ধে ২৪/২০২২ নং গোচৰ ৰুজু কৰিছে আৰু দুৰ্নীতি প্ৰতিৰোধ আইন-১৯৮৮ৰ ধাৰা ৭(ক) অনুসৰি বিচাৰ তথা অনুসন্ধান কাৰ্য অব্যাহত ৰখা হৈছে। এখন বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ দৰে শীৰ্ষ শৈক্ষিক প্ৰশাসকৰ পদত অধিষ্ঠিত হোৱাৰ পিচতো বাহিৰা টকা খোৱাৰ লোভ আৰু নিজৰ কলংকিত কাৰ্যৰ বাবেই আৰক্ষীৰ জালত পৰা গুৰুপ্ৰসাদ খাটনিয়াৰৰ দৰে মুখা খোল খাই পৰাসকলৰ বিৰুদ্ধে ভুক্তভোগীসকল অধিক কঠোৰ হোৱাৰ আৱশ্যকতা দোহাৰিছে সাধাৰণ ৰাইজেও।

# 'মছজিদ-মাদ্ৰাছাক আমি

আহিছো। জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে আমি বৃহত্তৰ অসমীয়া জাতি ভাতৃত্ববোধৰ এনাজৰীত বান্ধ খাই আছো। কাহানিও নেদেখা-নুশুনা ঘটনা কিছুমানৰ বাবে আজি আমি লজ্জিত, অপমানিত আৰু শংকিত হ'ব লগা হৈছে। সকলো ধৰণৰ ধৰ্মীয় উপাসনা ঠাই আমি সদায় সুৰক্ষিত হৈ থকাটো বিচাৰোঁ। মন্দিৰ-মছজিদ-গিৰ্জা আদি আমাক লাগিব। মাদ্ৰাছা-নামঘৰ আমাক লাগিব। মছজিদ-মাদ্ৰাছাক আমি কেতিয়াও কলুষিত হ'বলৈ নিদিওঁ। কোনো মাদ্ৰাছাতে সংবিধানবিৰোধী, দেশদ্ৰোহী কাৰ্যকলাপ আমি হ'বলৈ নিদিওঁ। অসমৰ থলুৱা ইছলামধৰ্মী জনগোষ্ঠী গৰিয়া মৰিয়া দেশী আদি অধ্যুষিত অঞ্চলসমূহত এনেকুৱা অপ্ৰীতিকৰ ঘটনা হোৱা নাই আৰু আমি কেতিয়াও হ'বলৈ নিদিওঁ, আমি প্ৰশ্ৰয় দিয়া নাই আৰু আমাৰ কোনো লোক এনেকুৱা কাৰ্যকলাপৰ প্ৰতি আকৰ্ষিতও নহয়। অসমৰ থলুৱা জনগোষ্ঠী গৰিয়া মৰিয়া দেশী আদি অধ্যুষিত অঞ্চলসমূহত ধৰ্মীয় শিক্ষাদান দিয়াৰ বাবে যিবোৰ মাদ্ৰাছা আদি গঢ়ি তোলা হৈছে, সেই অঞ্চলসমূহ নিশ্চিতভাৱে বিভিন্ন ধৰ্মাৱলম্বী জাতি জনগোষ্ঠী লোকৰ আৱেষ্টনীতে আছে। নিঃসন্দেহে আমি মূল নীতি-আদৰ্শৰ পৰা বিচলিত নোহোৱাকৈ এই অনুষ্ঠানসমূহ চলাই আছো। একমাত্ৰ ৰাইজৰ দান-বৰঙণি আদিৰ জৰিয়তে এই অনুষ্ঠানসমূহ আজি পৰিচালিত হৈ আছে। অন্য কোনো ৰাজ্য বা দেশৰ পৰা ফুটাকড়িও সাহায্য নাপায়।' এই ভাষ্য সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ দৰং জিলা সমিতিৰ। আজি জিলা সদৰ মঙলদৈত অনুষ্ঠিত প্ৰতিবাদী সভাত 'সকলো ধৰণৰ মৌলবাদী হুচিয়াৰ', 'শংকৰ-আজানৰ দেশত সন্ত্ৰাসবাদ নচলিব', 'বীৰ লাচিত-বাঘ হাজৰিকাৰ দেশত জেহাদী কাৰ্যাকলাপ নচলিব', জেহাদী-সন্ত্ৰাসবাদীক পুলিয়ে-পোখাই উৎখাত কৰক আদি শ্ল'গানেৰে আকাশ-বতাহ মুখৰ কৰে পৰিষদৰ প্ৰায় শতাধিক ব্যক্তিয়ে। দৰং জিলা সমিতিৰ সভাপতি আমান উল্লাহ পাছা, কাৰ্যকৰী সভাপতি বাবুল মকছেদ আহমেদ, উপ-সভাপতি মইনুল হক শইকীয়া, মিছবাহুল হক হুদা, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদ, কেন্দ্ৰীয় জনগোষ্ঠীয় সম্পাদক ৰছিদ আহমেদ, ঔতলা আঞ্চলিকৰ ইক্ৰামুল মজিদ, ইমৰান হুছেইন, ৰঙামাটি আঞ্চলিক সমিতিৰ আবুল হক, চাকিউৰ হক, বৰবাগান আঞ্চলিকৰ ৰুবুল হক, ইজাজুল হক, দলগাঁও আঞ্চলিকৰ চাখিৰ ইমদাদ, টেঙাবাৰী আঞ্চলিকৰ ৰেকিবুদ্দিন আহমেদ, গেৰিমাৰী আঞ্চলিকৰ ৰাহুল আলী, চায়েদুৰ ৰহমান প্ৰমুখ্যে বিষয়ববীয়া আৰু শতাধিক সদস্যই ৰাইজৰ সহযোগত স্বতঃস্ফূৰ্তভাৱে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি শান্তিপ্ৰিয় অসমত কোনোকালে নোহোৱা-নোপজা আমদানিকৃত জাতিদ্ৰোহী জেহাদী কাৰ্যকলাপক কঠোৰ হাতেৰে দমন কৰি থলুৱা জাতি-জনগোষ্ঠীসমূহৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে মছজিদ -মাদ্ৰাছাৰ দৰে ধৰ্মীয় অনুষ্ঠানসমূহৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ চৰকাৰক আহ্বান জনায়।

**অভয়াপুৰীত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ প্ৰতিবাদ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৬ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি নুৰুল আমিন শইকীয়া আৰু সাধাৰণ সম্পাদক জহিৰুল ইছলামৰ নেতৃত্বত পৰিষদৰ কৰ্মীসকলে হাতে হাতে প্লেকাৰ্ড লৈ মৌলবাদী হুচিয়াৰ, মৌলবাদী শক্তি নিপাত যাওক, বীৰ লাচিত আৰু বাঘ হাজৰিকাৰ দেশত মৌলবাদীৰ সন্ত্ৰাস নচলিব আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত সংগঠনটোৰ কেন্দ্ৰীয় সম্পাদক হাচিফুল ইছলাম প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সংগঠনটোৰ কেন্দ্ৰীয় সম্পাদকগৰাকীয়ে কয় যে সম্প্ৰতি অসমত মৌলবাদী শক্তিয়ে গা কৰি উঠিছে ই অসমৰ বাবে অশনি সংকেত যি গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে কেতিয়াও সহ্য নকৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰে মিলা-প্ৰীতিৰে বসবাস কৰি অহা এই অসমত যাতে কোনো কূটাঘাতৰ সৃষ্টি কৰিব নোৱাৰে ইয়াৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সন্ত্ৰাসবাদীৰ ভেটি চিনাক্ত কৰি পুলিয়ে-পোখাই উভালিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। সদৌ অসম গৰিমা মৰিয়া দেশী জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সভাপতি নুৰুল আমিন শইকীয়াই কয় যে অসমৰ থলুৱা ইছলামধৰ্মী জনগোষ্ঠী গৰিয়া মৰিয়া দেশী আদি অধ্যুষিত অঞ্চলসমূহত এনেকুৱা অপ্ৰীতিকৰ ঘটনা আমি কেতিয়াও হ'বলৈ নিদিয়াৰ লগতে কোনোদিনে প্ৰশ্ৰয়ো দিয়া হোৱা নাই। খিলঞ্জীয়া ইছলামধৰ্মী কোনো লোক এনেকুৱা কাৰ্যকলাপৰ প্ৰতি আকৰ্ষিত নহয় বুলিও কয়।




# ইউএছটিএমত বিজ্ঞান-প্ৰযুক্তিৰ উদ্ভাৱনৰ ওপৰত দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, খানাপাৰা, ৬ আগষ্ট ঃ** ব্যৱস্থাপনা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত উদ্ভাৱনৰ ওপৰত আন্তৰ্জাতিক সন্মিলনখন আজি ইউনিভাৰ্ছিটী অৱ ছায়েন্স এণ্ড টেকন'লজী মেঘালয়ত মেঘালয় বিধানসভাৰ অধ্যক্ষ মেটবাহ লিংডোৱে উদ্বোধন কৰে। ইউএছটিএমৰ কম্পিউটাৰ বিজ্ঞান আৰু ইলেক্ট্ৰনিক্স বিভাগে আমেৰিকান ইনষ্টিটিউট অৱ মেনেজমেণ্ট এণ্ড টেকন'লজীৰ (এআইএমটি) সহযোগত আৰু মেৰীলেণ্ড ইষ্টাৰ্ণ শ্ব'ৰ (আমেৰিকা যুক্তৰাষ্ট্ৰ) সমৰ্থনত এই সন্মিলনখন ৫-৬ আগষ্টত, ২০২২ তাৰিখে আয়োজন কৰে। দুদিনীয়া সন্মিলনখনত যোগদান কৰিবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতিনিধি আৰু অংশগ্ৰহণকাৰী সমৱেত হয়। এই সন্মিলনখনত মুঠতে ২৫টা আছে। এই সন্মিলনত ভাৰত তথা বিদেশৰ শিক্ষাৰ্থীসকলে তেওঁলোকৰ গৱেষণা-পত্ৰসমূহ অনলাইন আৰু অফলাইন পদ্ধতিৰে উত্থাপন কৰিব। এই উপলক্ষে মেঘালয় বিধানসভাৰ অধ্যক্ষ মেটবাহ লিংডো মুখ্য অতিথি হিচাপে উপস্থিত থাকে আৰু সন্মিলনখনৰ বিষয়বস্তুৰ ওপৰত এক তত্ত্বগধুৰ ভাষণ দিয়ে। মেঘালয়ৰ বন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ এছ জি এচমাটুৰ মমিনিনে সন্মানীয় অতিথি হিচাপে তেওঁৰ ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোত উপস্থিত থকা প্ৰতিনিধিসকলৰ দ্বাৰা এখন সন্মিলন স্মাৰকো উন্মোচন কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ গ্লোবেল নলেজ ফাউণ্ডেচনৰ (জিকেএফ) ড° দেৱা ডি শৰ্মাই সন্মিলনৰ পৃষ্ঠপোষক হিচাপে তেওঁৰ ভাষণ আগবঢ়ায়। আনহাতে, ভাৰতৰ বিলাসপুৰৰ অটল বিহাৰী বাজপেয়ী বিশ্ববিদ্যালয়ৰ ড° এইচ এছ হোতাই অনুষ্ঠানৰ সত্ৰটোৰ সভাপতি হিচাপে ভাষণ আগবঢ়ায়। সন্মিলনৰ কিছুসংখ্যক বক্তাৰ ভিতৰত আছে— আইআইটি গুৱাহাটীৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক যতীন্দ্ৰ কুমাৰ ডেকা, তেজপুৰ বিশ্ববিদ্যালয়ৰ (কেন্দ্ৰীয়) কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক নিত্যানন্দ শৰ্মা, মেৰীলেণ্ড ইষ্টাৰ্ণ শ্ব'ৰ (আমেৰিকা যুক্তৰাষ্ট্ৰ) বিশ্ববিদ্যালয়ৰ ড° কেট ব্ৰাউন, আমেৰিকান ইউনিভাৰ্ছিটী অৱ কুৱেইট, কুৱেইটৰ অধ্যাপক আৰোণ ৰাবাবাহ, এএমআইটিৱাই ইনষ্টিটিউট অৱ হায়াৰ এডুকেশ্বন, মৰিচাছৰ অধ্যাপক আশিস গাডেকাৰ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফায়েট্টেভিল্লে ষ্টেট ইউনিভাৰ্ছিটীৰ অধ্যাপক ডেনিয়েল অকুনবোৰ, য়নচেই বিশ্ববিদ্যালয়, দক্ষিণ কোৰিয়াৰ অধ্যাপক বিশ্বজিৎ সৰকাৰ, ইউনিভাৰ্ছিটী অৱ বোটছৱানা, বোট্‌ছৱানাৰ অধ্যাপক আৰ স্বামী, চেণ্টাৰ ফৰ ইণ্ডাষ্ট্ৰী, এছএমই এণ্ড বিজনেছ কম্পিটিচন ষ্টাডীজ, ইউনিভাৰ্ছিটাছ ত্ৰিশক্তি, জাকাৰ্টা, ইণ্ডোনেছিয়াৰ অধ্যাপক টুলুছ টি এইচ টাম্বুনাম, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° অঞ্জনা কাকতি মহন্ত, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ভোগেশ্বৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° কন্দৰ্প কুমাৰ শৰ্মা, আইআইটি গুৱাহাটীৰ অধ্যাপক ড° শ্যামন্ত এম হাজৰিকা। এইখিনিতে উল্লেখ কৰিব পাৰি যে, প্লাজমা ফিজিক্সৰ ওপৰত চলি থকা ৫-দিনীয়া ৰাষ্ট্ৰীয় প্ৰদৰ্শনীখনৰো আজি ইউএছটিএমত সফলতাৰে সামৰণি পৰে। মুঠ ৫০খন বিভিন্ন স্কুল আৰু কলেজৰ ১০০০ৰ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰদৰ্শনীত মাৰ্গ দৰ্শন হিচাপে আছিল ভাৰত চৰকাৰৰ আণৱিক শক্তিৰ চিপিপি-আইপিআৰ বিভাগৰ পাঁচজন বিজ্ঞানী। মেঘালয়ৰ স্বাস্থ্য আৰু বনমন্ত্ৰী জেম্‌ছ পি কে চাংমাই আজি সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে আৰু প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা যুৱ ছাত্ৰ-ছাত্ৰীক প্ৰমাণ-পত্ৰ প্ৰদান কৰে। চাংমাই আজি ইউএছটিএমৰ I- ব্লকত জৈৱিক বৈচিত্ৰ্যৰ চালিম আলী সংগ্ৰহালয়টোও উদ্বোধন কৰে।

# শিৱসাগৰত বিদ্যুৎ বিভাগৰ নাম লৈ প্ৰৱঞ্চকৰ ভয়ংকৰ জাল

## ■ সংযোগ বিচ্ছিন্নৰ নাম লৈ গ্ৰাহকৰ পৰা কৌশলেৰে সংগ্ৰহ কৰিছে বেংকৰ তথ্য

## ■ আৰক্ষী প্ৰশাসনক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৬ আগষ্ট ঃ** চাইবাৰ অপৰাধীয়ে নিত্য-নতুন কৌশল অৱলম্বনেৰে সাধাৰণ ৰাইজক নিয়মিত প্ৰৱঞ্চনা কৰি অহাৰ ঘটনাই ৰাইজক সন্ত্ৰস্ত কৰি তোলাৰ সময়তে এইবাৰ শিৱসাগৰত পোহৰলৈ আহিছে চাইবাৰ অপৰাধীৰ প্ৰৱঞ্চনাৰ অভিনৱ কৌশল। বেংকৰ বিষয়া, আয়কৰ বিষয়া আদিকে ধৰি বিভিন্ন নাম লৈ প্ৰৱঞ্চনাৰ জাল পেলোৱা চক্ৰটোৱে এইবাৰ শিৱসাগৰত পেলাইছে বিদ্যুৎ বিভাগৰ নাম লৈ জাল। সাইলাখ বিদ্যুৎ বিভাগৰ নিয়ন্ত্ৰণ কক্ষৰ বিষয়াৰ দৰে আচৰণ কৰা এই চক্ৰটোৱে বহুসংখ্যক সাধাৰণ লোকক নিজৰ প্ৰৱঞ্চনাৰ জালত বন্দী কৰিবলৈ সক্ষম হৈছে। ম'বাইলে ম'বাইলে বিয়পি পৰা প্ৰৱঞ্চক দলৰ চতুৰালিপূৰ্ণ মেছেজটো সম্প্ৰতি পৰিছেহি সংবাদ মাধ্যমৰ হাতত। প্ৰায়েই নিশাৰ ভাগত প্ৰেৰণ কৰা মেছেজটোত বিদ্যুৎ বিভাগৰ তৰফৰ পৰা প্ৰেৰণ কৰা হৈছে বুলি উল্লেখ কৰাৰ লগতে তাৎক্ষণিকভাৱে নিম্নলিখিত এটা নম্বৰত যোগাযোগ কৰিবলৈ কয়। সহজ-সৰল গ্ৰাহকে উল্লিখিত নম্বৰটোত যোগাযোগ কৰাৰ পিছতেই সিমূৰৰ পৰা বিদ্যুৎ বিভাগৰ বিষয়া বুলি চিনাকি দিয়াগৰাকীয়ে গ্ৰাহকৰ বেংকৰ ডিটেইলছ, এ টি এমৰ পিছফালে থকা নম্বৰ ইত্যাদি সংগ্ৰহ কৰি পৰৱৰ্তী সময়ত একাউণ্টৰ পৰা মুহূৰ্তৰ ভিতৰতে ধন কৰ্তন হোৱা একাধিক ঘটনা সংঘটিত হৈছে শিৱসাগৰত। জানিব পৰা মতে প্ৰায়েই গ্ৰাহকলৈ নিশাৰ ভাগত ৯৬৭৯৩৫৯৮৩১ নম্বৰৰ পৰা প্ৰেৰণ কৰা মেছেজটোত কোৱা হয় যে আপোনাৰ বিগত মাহৰ আদায় কৰা বিদ্যুৎ বিলৰ বিসংগতিৰ বাবে নীতি অনুসৰি কাৰ্যালয়ত জমা হোৱা নাই। যাৰ বাবে যিকোনো সময়তেই আপোনাৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰা হ'ব। সেয়েহে আপুনি তলত উল্লিখিত ০৬২৯৬৪০১৩১৫ নম্বৰত যোগাযোগ কৰক। স্বাভাৱিকতেই আতংকিত গ্ৰাহকে সেই নম্বৰত যোগাযোগ কৰাৰ পিছতেই সিমূৰৰ পৰা বিদ্যুৎ নিয়ন্ত্ৰণ কক্ষৰ বিষয়া বুলি চিনাকি দিয়াগৰাকীয়ে কৌশলেৰে বিলৰ বিসংগতি আঁতৰাবৰ বাবে বেংকৰ তথ্য সংগ্ৰহ কৰে। সহজ-সৰল গ্ৰাহকে এই কথাত ভোল গৈ বেংকৰ তথ্য উক্ত চক্ৰটোক আদায় দিয়াৰ পিছতেই হৰলুকী হয় একাউণ্টৰ ধন। শেহতীয়াকৈ নিশাৰ ভাগত বিদ্যুৎ গ্ৰাহকৰ ম'বাইলে ম'বাইলে বিয়পি পৰা এই মেছেজটোৱেই হৈ পৰিছে আতংকৰ অন্য এক নাম। যি সময়ত ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে প্ৰতিখন জিলাত চাইবাৰ অপৰাধ নিয়ন্ত্ৰণৰ বাবে সুকীয়া কক্ষ স্থাপনেৰে এনে অপৰাধ নিৰ্মূলৰ বাবে ব্যৱস্থা লোৱা হৈছে বুলি প্ৰকাশ কৰিছে সেই সময়তেই শিৱসাগৰৰ শ শ গ্ৰাহকৰ পৰা প্ৰতিদিনেই হাজাৰ হাজাৰ টকা লুটি নিয়া প্ৰৱঞ্চক চক্ৰৰ ৯৬৭৯৩৫৯৮৩১, ০৬২৯৬৪০১৩১৫ নম্বৰ দুটাৰ আঁৰত জড়িত চক্ৰটোক কেনেদৰে উৎখাত কৰে সেয়াহে লক্ষণীয় হ'ব।



সোণাৰিত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এক সজাগতা কাৰ্যসূচীত ভাগ লোৱাৰ দৃশ্য

# বাক্সাৰ অক্সিগুৰিত ইউ পি পি এলৰ প্ৰতিষ্ঠা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৬ আগষ্ট ঃ** বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অক্সিগুৰিৰ আই লাভ ইউ বজাৰত ইপিপিএল দলৰ সপ্তম প্ৰতিষ্ঠা দিৱস আজি দলৰ শালবাৰী জিলা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীত আৰম্ভণিতে পুৱাৰ ভাগত ইউপিপিএলৰ পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে ক্ৰমে- দলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰী আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আইগাৰাম ৱাৰীয়ে। ইয়াৰ পিছতে শান্তিৰ বাবে মুকলি আকাশৰ তলত পাৰ চৰাই আৰু বেলুন উৰুৱাই দিয়ে ক্ৰমে- শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰী আৰু ইউপিপিএলৰ মহিলা কোষৰ শালবাৰী জিলা সমিতিৰ সভানেত্ৰী মালতী স্বৰ্গীয়াৰীয়ে। দুপৰীয়াৰ পৰা ইউপিপিএলৰ শালবাৰী জিলা সমিতিৰ সভাপতি বিখন গয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত আৰু সাধাৰণ সম্পাদক সুৰেশ সৰকাৰে আঁত ধৰা তথা উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাত শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে মুখ্য অতিথিৰূপে, বিজেপি নেতা তথা শালবাৰী মহকুমা অন্যান্য পিছপৰা শ্ৰেণীৰ অধ্যক্ষ ঘনশ্যাম বৰ্মনে বিশিষ্ট অতিথিৰূপে আৰু ইউপিপিএলৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সদাগৰ বাদছাহে নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দিয়ে। সভাত ইউপিপিএলৰ নেতৃবৃন্দ ক্ৰমে- বিজয় মহানায়ক, সত্যজিৎ বড়ো, কিশোৰ লুইটেল, যোগেশ্বৰ বসুমতাৰী, থানেশ্বৰ বসুমতাৰী, আলাৰাম বড়ো, অশোক বড়ো, অৰুণ দৈমাৰী, হানিফ আলী আহমেদকে ধৰি বহু কেইগৰাকী দলীয় নেতা উপস্থিত থাকে।

# দুৰ্গন্ধময় জাবৰৰ দ'মে জলা-কলা খুৱাইছে মৈৰাবাৰীৰ ৰাইজক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ৬ আগষ্ট ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত মৈৰাবাৰী দ্বি-সাপ্তাহিক বজাৰৰ অলিয়ে-গলিয়ে পৰি থকা দুৰ্গন্ধময় জাবৰৰ দ'মসমূহে জলা-কলা খুৱাইছে গ্ৰাহক ৰাইজক। মৰিগাঁও জিলাৰ উত্তৰাঞ্চলবাসীৰ একমাত্ৰ ব্যৱসায় স্থল হিচাপে পৰিচিত মৈৰাবাৰী বজাৰখনত দীৰ্ঘ দিনৰ পৰাই প্ৰকাণ্ড প্ৰকাণ্ড জাবৰৰ দ'ম পৰি থকাত সমগ্ৰ বজাৰখনত এক দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছে। ফলত বজাৰখনলৈ ক্ৰয়-বিক্ৰয় কৰিবলৈ অহা গ্ৰাহক বিষম অসুবিধাত পৰা পৰিলক্ষিত হৈছে। মৈৰাবাৰী উন্নয়ন খণ্ডৰ আঞ্চলিক পঞ্চায়তৰ জৰিয়তে ৰাজ্য চৰকাৰে মৈৰাবাৰী সাপ্তাহিক আৰু দৈনিক বজাৰৰ পৰা বছৰি লাখ লাখ টকাকৈ ৰাজহ আদায় কৰি অহাৰ পিছতো বজাৰখনত নাই কোনো ডাষ্টবিন বা যাবৰ কঢ়িওৱা গাড়ীৰ ব্যৱস্থা। বিশেষকৈ বজাৰখনৰ শাক-পাচলি মহল, গৰু মহল, মাছ মহল আৰু কালীবাৰী মন্দিৰৰ সন্মুখত দুৰ্গন্ধময় অৱস্থাত পৰি আছে ডাঙৰ ডাঙৰ জাবৰৰ দ'ম। এক অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত গ্ৰাহকসকলে চলাচল কৰিবলগীয়া হৈছে বজাৰখনত। উল্লেখ, বজাৰখনৰ অলিয়ে গলিয়ে এনেদৰে দুৰ্গন্ধময় অৱস্থাত থকাৰ পিছতো আজিলৈকে বজাৰখনত বিভাগীয় কৰ্তৃপক্ষই নিয়োগ কৰা নাই কোনো চাফাই কৰ্মী। বজাৰখনত জাবৰৰ দ'মবোৰ চাফা কৰি ডাষ্টবিন আৰু জাবৰ কঢ়িওৱা গাড়ীৰ ব্যৱস্থা কৰাৰ লগতে চাফাই কৰ্মী নিয়োগ কৰিবলৈ স্থানীয় ৰাইজে উপায়ুক্তৰ ওচৰত দাবী জনাইছে।

## ধুবুৰীত লোক-কল্যাণ দিৱস পালন

# ৩ গৰাকী কৰ্মচাৰীক লোকসেৱা বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৬ আগষ্ট ঃ** ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত আজি ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথি 'লোক কল্যাণ দিৱস' হিচাপে পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে তেখেতলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। 'লোক কল্যাণ দিৱস'ৰ কাৰ্যসূচীত ধুবুৰী জিলাৰ তিনিগৰাকী অ-ৰাজপত্ৰিত কৰ্মচাৰী ক্ৰমে ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক সঞ্জীৱ পাল চৌধুৰী, ধুবুৰী অতিৰিক্ত চিকিৎসা আৰু স্বাস্থ্য বিষয়া কাৰ্যালয়ৰ আৰবান এক্সটেনচন এডুকেটৰ পম্পী ৰাণী সাহা আৰু ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ অফিচ পিয়ন কাঞ্চন কুমাৰক আনুষ্ঠানিকভাৱে 'লোকসেৱা বঁটা' প্ৰদান কৰা হয়। সমৰ্পিত সেৱা, নিয়মানুৱৰ্তিতা আৰু সততাৰে কৰ্তব্য পালন কৰা বাবে তেওঁলোকক লোকসেৱা বঁটাৰ বাবে বাছনি কৰা হৈছে। এই বঁটাত আছে নগদ ২৫ হাজাৰ টকা, প্ৰমাণ-পত্ৰ আৰু এবছৰ চাকৰি কাৰ্যকাল বৃদ্ধি। অনুষ্ঠানত উপায়ুক্ত অন্বামুথন এম পিয়ে আদৰণী ভাষণ প্ৰদান কৰি কয় যে অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে আধুনিক অসমৰ ভেটি নিৰ্মাতা লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু তিথি লোক কল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। এনেদৰে আমাৰ দেশ আৰু সমাজ গঢ়াত অপৰিসীম বৰঙণি যোগোৱা মহান ব্যক্তিসকলক কৰা স্মৰণে আমাক আৰু নৱ-প্ৰজন্মক নতুন উদ্যমেৰে কাম কৰাৰ প্ৰতি উৎসাহিত কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট সমাজকৰ্মী তথা ধুবুৰী পৌৰ সভাৰ সভাপতি ডাঃ দেৱময় সান্ন্যালে ভাৰতৰত্ন গোপীনাথ বৰদলৈয়ে অসমৰ উন্নতি, অসমীয়াৰ স্বাৰ্থ ৰক্ষা আৰু এখন শক্তিশালী ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ প্ৰসংগ উল্লেখ কৰে। লোকসেৱা বঁটাপ্ৰাপক ধুবুৰী জিলা উপায়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক সঞ্জীৱ পাল চৌধুৰীয়ে ভাষণ প্ৰদান কৰি তেওঁৰ কামৰ স্বীকৃতি দিয়া বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে আৰু আগলৈও অধিক নিষ্ঠা আৰু সততাৰে কাম কৰি যাব বুলি কয়।






গুৱাহাটীৰ নুনমাটিত অৱস্থিত অসম জাতীয় বিদ্যালয়ত সংবাদ মেল সম্বোধন কৰিছে ডাঃ নাৰায়ণ শৰ্মাই

# তেজপুৰত চোৰাং গৰুসহ দুজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৬ আগষ্ট ঃ** তেজপুৰ চহৰৰ নিকটৱৰ্তী বৰঘাট আৰক্ষী চকীৰ আৰক্ষীয়ে পুনৰ আজি পুৱতি নিশা এক গোপন সূত্ৰৰ ভিত্তিত এখন বলেৰ' পিক আপ গাড়ীৰে কঢ়িয়াই নিয়া অৱস্থাত ১২টা চোৰাং গৰুসহ দুজনক গ্ৰেপ্তাৰ কৰে। অপৰাধ আৰু অপৰাধীৰ ৰম্যভূমি হিচাপে পৰিচিত বৰঘাট আৰক্ষী চকী এলেকাৰ ৰাজভঁৰালৰ পৰা নগাঁও দিশলৈ গৈ থকা অৱস্থাত ভোমোৰাগুৰি দলঙত এ এছ-১২ বি চি-৭৫৫০ নম্বৰৰ বলেৰ' পিক-আপ ভেনখনৰে কঢ়িয়াই নিয়া ১২টা চোৰাং গৰুসহ দুজন গৰু সৰবৰাহকাৰী ৰাবুল ইছলাম আৰু আৰৱ আলীক আটক কৰে। জানিব পৰা মতে ৰাজভঁৰালৰ পৰা কঢ়িয়াই নিয়া গৰুকেইটা নগাঁৱৰ মহমোদৰ ঘৰলৈ নিয়া বুলি জানিব পৰা গৈছে।

# তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত ফল-মূল উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৬ আগষ্ট ঃ** বতৰৰ সু-স্বাদু ফলমূল আৰু সেইবোৰৰ উপকাৰিতা সম্পৰ্কে সজাগতা বৃদ্ধিৰ বাবে তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত আজি এক ফল-মূল উৎসৱ আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। বতৰৰ বিভিন্ন সু-স্বাদু আৰু স্বাস্থ্যকৰ ফলসমূহৰ চিনাকি কৰাই দিয়াৰ লগতে সেইবোৰৰ উপকাৰিতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰোৱাৰ উদ্দেশ্যে আজি বিদ্যালয়খনৰ অভিভাৱক জিৰণি কোঠাত অনুষ্ঠিত ফলমূল উৎসৱ তথা প্ৰদৰ্শনীখন ফিতা কাটি মুকলি কৰে তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ গুৰুপদ তালুকদাৰে। আজিৰ ফলমূল উৎসৱ তথা প্ৰদৰ্শনীত মধুৰীআম, আম, অমিতা, আনাৰস, আপেল, আঙুৰ, নাচপতি, ডালিম, তৰমুজ, কল, নাৰিকল আদি বিভিন্ন বতৰৰ ফলমূল আদিৰ প্ৰদৰ্শন কৰি সেইবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিনাকি কৰাই দিয়াৰ লগতে আমাৰ অঞ্চলত পোৱা পুষ্টিকৰ ফল-মূলসমূহৰ উপকাৰিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে বিদ্যালয়খনৰ অধ্যক্ষ তথা সহঃ শিক্ষকসকলে। আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ চৌহদত ৰোপণ কৰা মধুৰীআম গছৰ মধুৰীআমো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰা হয়। বিদ্যালয়খনত অনুষ্ঠিত ফল-মূল উৎসৱ তথা প্ৰদৰ্শনীয়ে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহিত কৰাও পৰিলক্ষিত হয়। বিদ্যালয়খনত আয়োজিত ফল-মূল উৎসৱ তথা প্ৰদৰ্শনী আয়োজন কৰা সম্পৰ্কত অধ্যক্ষ গুৰুপদ তালুকদাৰে কয়, তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত পাঠ্যপুথিৰ প্ৰণালীবদ্ধ শিক্ষাদানৰ সমান্তৰালভাৱে অন্যান্য বিষয়তো শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাতে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশ বৃদ্ধি হয়। তাৰ অংশ হিচাপে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে বতৰৰ ফল-মূলসমূহ বতৰত চিনি পায়, কোনবিধ ফলত কি কি খনিজ পদাৰ্থ থাকে আৰু সেইবোৰৰ উপকাৰিতা সম্পৰ্কে সজাগতা আনিবলৈ আজিৰ এই উৎসৱৰ আয়োজন কৰা হৈছে। উল্লেখ্য, বিদ্যালয়খনৰ অধ্যক্ষ গুৰুপদ তালুকদাৰৰ বিশেষ উদ্যোগত ইতিমধ্যে বিদ্যালয়খনৰ চৌহদত মধুৰিআম, অমিতা, কল আদি বিভিন্ন ফলৰ গছ ৰোপণ কৰা হৈছিল। সম্প্ৰতি সেই গছসমূহত ফল ধৰিবলৈ লোৱাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে সেই ফলৰ সোৱাদ ল'বলৈও সক্ষম হৈছে।

# হোজাইত জন-শতাব্দী ৰে'লৰ পৰা গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৬ আগষ্ট ঃ** নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে হোজাই আৰক্ষীৰ অভিযান অব্যাহত আছে। কালি হোজাই ৰে'ল আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বাতৰি অনুসৰি হোজাই জিলাৰ লংকাৰ সুভাষ নগৰৰ শংকৰ দে' নামৰ লোকজনে গুৱাহাটীমুখী জন শতাব্দী ৰে'লেৰে গাঞ্জা সৰবৰাহ কৰি থকাৰ সময়ত হোজাইত ৰে'ল আৰক্ষীৰ চকুত পৰে। লগে লগে ৰে'ল আৰক্ষীয়ে গাঞ্জাখিনি জব্দ কৰাৰ লগতে লোকজনক গ্ৰেপ্তাৰ কৰে। লোকজনৰ জিম্মাৰ পৰা আৰক্ষীয়ে ১০ কেজি গাঞ্জা জব্দ কৰে। ইয়াৰ বজাৰ মূল্য অনুমানিক ১ লাখ টকা হ'ব বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে।

# নলীগাঁও সমল কেন্দ্ৰত হৰ ঘৰ তিৰংগাৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাউলী, ৬ আগষ্ট ঃ** বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ এলেকাধীন শিক্ষক-শিক্ষয়িত্ৰীসকলৰ এখন সজাগতা সভা কালি নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছাত অনুষ্ঠিত হয়। এই সজাগতা সভাত হৰেন্দ্ৰ চিত্ৰা ছিনিয়ৰ ছেকেণ্ডাৰী, দেশভক্ত হাইস্কুল, এন কে হাইস্কুল, দক্ষিণ দেশভক্ত প্ৰি-ছিনিয়ৰ মাদ্ৰাছা, নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছা, নলীগাঁও হাবিবীয়া প্ৰি-ছিনিয়ৰ মাদ্ৰাছা, হেলছা গাঁও প্ৰাথমিক বিদ্যালয়, ৮১২নং নলীগাও প্ৰাথমিক বিদ্যালয়, নাইন ষ্টাৰ গ'ল্ডেন একাডেমী, ৫৮৪নং নলীগাঁও প্ৰাথমিক বিদ্যালয়, ১৬৩৪ নং উত্তৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, উত্তৰ নলীগাঁও এম ই মাদ্ৰাছা, পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়, উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয় আদিৰ প্ৰায় ৬০জন শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে। আজিৰ সভাত নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰাহুল আমিনে সমল ব্যক্তি হিচাপে ভাষণ দিয়ে। আজিৰ এই সজাগতা সভাত দেশ স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ বাবে চৰকাৰে লোৱা 'আজাদী কি অমৃত মহোৎসৱ'ৰ অংশ হিচাপে লোৱা হৰ ঘৰ তিৰংগাৰ বিষয়ে বহলাই কয়। এটা কাৰ্যসূচী সফল ৰূপায়ণৰ ক্ষেত্ৰত প্ৰতিখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দায়িত্ব আৰু কৰ্তব্য কি সেই বিষয়ে বহলাই কয়। সংশ্লিষ্ট বিভাগে দিয়া নিৰ্দেশ অনুসৰি প্ৰতিটো কাৰ্যসূচী যাতে সফলতাৰে সম্পন্ন হয় তাৰ বাবে সকলোকে আহ্বান জনায়। বিভাগে বিদ্যালয়সমূহক পাতিবলৈ দিয়া সজাগতা সভা, বিভিন্ন প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীক সজাগ কৰা, কুইজ, জাতীয় পতাকাৰ ছবি অংকন, আকস্মিক বক্তৃতা আদি বিদ্যালয়ে বিদ্যালয়ে অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰি আমিনে নিজৰ ভাষণত শিক্ষাৰ লগত জড়িত বিভিন্ন বিষয়ত গুৰুত্বপূৰ্ণ ভাষণ দিয়ে। আজিৰ সভাত এন কে হাইস্কুলৰ প্ৰধানশিক্ষক ইয়াকুব আলী আহমেদ, দেশভক্ত হাইস্কুলৰ প্ৰধানশিক্ষক আব্দুৰ ৰহমান, হৰেন্দ্ৰ-চিত্ৰা ছিনিয়ৰ ছেকেণ্ডাৰীৰ অধ্যক্ষ ছৈয়দ তবিবৰ ৰহমান, পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বাছেদ আলী খান, নলীগাঁও গাৰ্লছ এম ই মাদ্ৰাছাৰ সহকাৰী শিক্ষক মাধুৰ্য ডেকা, উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক খুৰশেদ আলম, ৮১২নং নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সৰবেছ আলী, এন কে হাইস্কুলৰ সহকাৰী শিক্ষক ওহাব আলী আহমেদ আদিয়ে বিভিন্ন বিষয়ত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়।

## ■ মাজুলীত কৃষি বিপ্লৱৰ সূচনা হৈছে ঃ উপায়ুক্ত পুলক মহন্ত ■

# গড়মূৰত দুদিনীয়া কৃষক মেলা-২০২২ আৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৬ আগষ্ট ঃ** কৃষি প্ৰযুক্তি ব্যৱস্থাপনাৰ (আত্মা) উদ্যোগত মাজুলী জিলা কৃষি বিভাগৰ সহযোগত দুদিনীয়াকৈ আয়োজন কৰা 'কৃষক মেলা-২০২২' বৃহস্পতিবাৰে পৰা আৰম্ভ কৰা হয়। এই উপলক্ষে জিলা সদৰ গড়মূৰৰ সমীপৱৰ্তী খোনাচুক গাঁৱৰ শ্ৰীশ্ৰীমাধৱদেৱ কৃষ্টি কেন্দ্ৰত আয়োজন কৰা কৃষক মেলাৰ ফিতা কাটি উদ্বোধন কৰে জিলাখনৰ প্ৰগতিশীল মহিলা কৃষক বীণা মিলিয়ে। জিলা কৃষি বিভাগৰ কৃষি পৰিদৰ্শক দেৱজিৎ বৰাই আঁত ধৰা অনুষ্ঠানত উপায়ুক্ত পুলক মহন্ত, অতিৰিক্ত উপায়ুক্ত কাৰ্তিক কলিতা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিতিমণি পেগু, সহকাৰী আয়ুক্ত দেৱ নাৰায়ণ হাজৰিকা, মহকুমা কৃষি বিষয়া ইৰচাদ আলী, আত্মাৰ খণ্ড কাৰিকৰী পৰিচালক প্ৰাণজিৎ ভূঞা, সহঃ কাৰিকৰী পৰিচালক জয়ন্ত মাধৱ দত্ত প্ৰমুখ্যে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত প্ৰগতিশীল কৃষক ক্ৰমে বীণা মিলি, দীপা বৰা, দিলীপ দাস, গণেশ শইকীয়া, ফুলেশ্বৰ দলে, দেৱজিৎ দলে, কুমুদ বৰুৱা, ৰাজু দলে, ইন্দিৰা দলে আৰু ৰেখামণি ভূঞাক কৃষি বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। উদ্বোধনী অনুষ্ঠানৰ পিছতে মেলাৰ বিপণীসমূহ পৰিদৰ্শন কৰি উপায়ুক্তই গোটসমূহৰ সদস্যৰ লগত মত বিনিময় কৰে। তাৰ পিছতে কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা কৰ্মশালাত উপায়ুক্তই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। উপায়ুক্তই মাজুলীত নতুন উদ্যমেৰে কৃষকসকলে কৃষি বিপ্লৱৰ সূচনা কৰা বুলি উল্লেখ কৰি চৰকাৰৰ বিভিন্ন আঁচনিৰ সুফল মাজুলীবাসীয়ে পাবই লাগিব বুলি কয়। তাৰ বাবে জিলা প্ৰশাসনে কৃষকৰ স্বাৰ্থ সুৰক্ষিত হোৱাকৈ কাম কৰি যাব বুলি ব্যক্ত কৰে। তেখেতে কৃষকক শালি খেতিৰ ওপৰত অধিক গুৰুত্ব দিবলৈ আহবান জনোৱাৰ লগতে মাটি ছন পৰিবলৈ নিদি সকলোকে সৰিয়হ খেতি কৰিবলৈও কয়। চৰকাৰৰ তৰফৰ পৰা বীজ যোগানৰ ব্যৱস্থা কৰিব বুলিও উপায়ুক্ত মহন্তই সদৰী কৰে। মাজুলীৰ কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে বজাৰৰ ব্যৱস্থা কৰিব বুলি কৃষকক জানিবলৈ দিয়ে। তাৰ পিছতে 'বৈজ্ঞানিক ভিত্তিত ছাগলী পালন আৰু ইয়াৰ ব্যৱস্থাপনা' বিষয়ত পশুপালন বিভাগৰ ডাঃ ভাইকণ সিঙে সমল ব্যক্তিৰূপে উদ্যোগীসকলক উদ্দেশ্যি পৰামৰ্শ আগবঢ়ায়। তেওঁ ছাগলীৰ উপৰি হাঁহ, কুকুৰা আৰু গাহৰি ব্যৱসায়ভিত্তিত কৰোঁতে ল'বলগীয়া যতন সম্পৰ্কে বুজাই কয়। সম্ভাৱনা থকা মীন পালন সন্দৰ্ভত মহকুমা মীন বিষয়া বিমল শৰ্মাই মৎস্যপালকক মৎস্য পালন সম্পৰ্কে বিস্তৃতভাৱে বুজাই কয়। বৈজ্ঞানিক পদ্ধতিৰে কৃষি কাৰ্য কৰি কেনেকৈ লাভৱান হ'ব পাৰি সেই বিষয়ে মহকুমা কৃষি বিষয়া ইৰচাদ আলী, কৃষি উন্নয়ন বিষয়াদ্বয় ক্ৰমে— ৰাণী আমচি কছাৰী আৰু হৰিপ্ৰসাদ লাগাচুৱে কৃষকসকলক বুজাই কয়। দুদিনীয়াকৈ হ'বলগীয়া কৃষক মেলাৰ অৰ্ধশতাধিক বিপণীত স্থানীয়ভাৱে উৎপাদিত কৃষক গোটৰ মিঠাতেল, বৰা চাউল, আচাৰ, বাঁহ-বেতৰ সামগ্ৰী, থলুৱা উৎপাদিত কাপোৰ, নাৰ্ছাৰীৰ বিভিন্ন গছপুলি, গুড় বিক্ৰী কৰিছে।



ৰাজীৱ লোচন শৰ্মাৰ গ্ৰন্থ 'সময়ৰ ওভতনি যাত্ৰা' উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই, গুৱাহাটী প্ৰেছ ক্লাবত



# গোগামুখত ফুটবল প্ৰতিযোগিতাত লুড'-কাৰ্চাং এফ চিৰ অগ্ৰগতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ৬ আগষ্ট ঃ** ধেমাজি জিলাৰ গোগামুখ মহৰিকেম্পস্থিত ৰাজীৱ গান্ধী গ্ৰাম্য ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হৈ থকা স্বাধীনতা দিৱ কাপ ফুটবল প্ৰতিযোগিতাত লোকেল ইউনাইটেড ডেভেলপমেণ্ট অৰ্গেনাইজেচন চমুকৈ লুড' এফ চিয়ে মধ্য মাজুলী ফুটবল এফ চিক পৰাস্ত কৰি পৰৱৰ্তী ৰাওণ্ডত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত হোৱা উত্তাপহীন একপক্ষীয় খেলখনত লুড'ৱে ৩-০ গ'লৰ ব্যৱধানত মধ্য মাজুলী এফ চিক পৰাস্ত কৰে। কাইলৈৰ পৰা স্বাধীনতা দিৱস কাপৰ দ্বিতীয় ৰাওণ্ডৰ খেলসমূহ অনুষ্ঠিত হ'ব। আনপিনে গোগামুখ নগাঁও যুৱ সংঘৰ সৌজন্যত গোগামুখ নগৰ হাইস্কুল খেলপথাৰত অনুষ্ঠিত হৈ থকা প্ৰাইজমানি আৰু ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজিৰ এখন দ্বিতীয় ৰাওণ্ডৰ খেলত মাজুলী কাৰ্চাং এফ চিয়ে গোগামুখ মৰ্ণিং এফচিক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলখন পৰিচালনা কৰে মহানন্দ মিলি, জিন্তু ফুকন, ভূবন পেগুৱে। মেছ কমিছনাৰ হিচাপে থাকে মনিৰাম পেগুৱে। তেওঁক সহযোগ কৰে কিৰণ কুলীয়ে।

# জে বি ক্লাবৰ জয়

**গুৱাহাটী, ৬ আগষ্ট ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নৱ কুমাৰ ভূঞা সোঁৱৰণী তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজিৰ খেলত জে বি ক্লাবে বড়মপুৰ স্প'ৰ্টছ ক্লাবক ১-০ গ'লত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। জে বি ক্লাবৰ হৈ বিজয়সূচক গলটো দীপ কুমাৰ বৰদলৈয়ে দিয়ে।এই খেলখন পৰিচালনা কৰাত ৰেফাৰী চাহজাহান আলী চৌধুৰীক সহায় কৰে শোণিত কুমাৰ বৰা, পাৰ্শজ্যোতি দাস আৰু শৈলেন ভূঞাই।

# মহিলা ক্ৰিকেটৰ ফাইনেলত ভাৰত

**বাৰ্মিংহাম, ৬ আগষ্ট ঃ** দেশৰ গৌৰৱময় ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত ব্ৰিটিছৰ ভূমিত ইংলণ্ড দলক পৰাস্ত কৰি চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেল্থ গেমছৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ মহিলা ক্ৰিকেট দলে। আজি অনুষ্ঠিত হোৱা ছেমিফাইনেলত ভাৰতে চাৰি ৰানত ৰোমাঞ্চকৰ জয় সাব্যস্ত কৰে। পোনতে বেটিং কৰি ভাৰতে ২০ অভাৰত পাঁচ উইকেট হেৰুৱাই ১৬৪ ৰাণ কৰে। স্মৃতি মান্ধানাই ৩২ বলত তিনিটা ছিক্সাৰ আৰু আঠটা বাউণ্ডেৰী মাৰি ৬১ ৰান কৰাৰ লগতে জেমিমাহে ৪৪, দীপ্তি শৰ্মাই ২২ আৰু হৰমনপ্ৰীত কৌৰে ২০ ৰান কৰে। প্ৰত্যুত্তৰত ইংলণ্ড মহিলা দলে ২০ অভাৰত ছয় উইকেট হেৰুৱাই ১৬০ ৰান কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ তিনি বেটাৰ ৰান আউট হোৱাৰ বিপৰীতে স্নেহ ৰানাই দুটা উইকেট লাভ কৰে। ফাইনেলত ভাৰত অষ্ট্ৰেলিয়া বা নিউজীলেণ্ডৰ বিৰুদ্ধে মুখামুখি হ'ব। উল্লেখ্য যে প্ৰথম মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাস্ত হৈ অভিযান আৰম্ভ কৰা ভাৰতৰ মহিলা ক্ৰিকেট দলে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি নিজৰ দ্বিতীয়খন মেচত



পাকিস্তানক পৰাস্ত কৰি আত্মবিশ্বাস বৃদ্ধি কৰিছিল। বৰ্ষাবিঘ্নিত মেচখনত ভাৰতৰ মহিলা ক্ৰিকেট দল আঠ উইকেটত চমকপ্ৰদ বিজয় অৰ্জন কৰে পাকিস্তানৰ বিৰুদ্ধে। বৰষুণৰ বাবে মেচৰ অভাৰ হ্ৰাস কৰি ২০ পৰিবৰ্তে ১৮ অভাৰৰ কৰা হয়। টছত জয়ী হৈ বেটিং কৰা পাকিস্তান মহিলা দলে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯৯ ৰান কৰে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ হৈ স্নেহা ৰাণা আৰু ৰাধা যাদৱে দুটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ১০০ ৰাণৰ বিজয়লক্ষ্য লৈ বেটিং কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলে বিস্ফোৰক আৰম্ভণি কৰি ১১.৪ অভাৰতে দুই উইকেটত ১০২ ৰান কৰি হেলাৰঙে জয় অৰ্জন কৰে। ভাৰতৰ স্মৃতি মান্ধানাই ৪২ বলত অপৰাজিত ৬৩ ৰান কৰে। মান্ধানাই আঠটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ মাৰে। তেওঁৰ লগত ইনিংছ মুকলি কৰা শ্বেফালীয়ে ১৬ ৰান কৰে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতৰ মহিলা ক্ৰিকেট দল (১৫৪-৮) তিনি উইকেটত পৰাস্ত হৈছিল অষ্ট্ৰেলিয়াৰ (১৫৭-৭) বিৰুদ্ধে। নিজৰ তৃতীয় মেচত ভাৰতে ১০০ ৰানৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্বাডোজক। এয়া ভাৰতৰ ক্ৰমাগত দ্বিতীয় বিজয়। পোনতে বেটিং কৰা ভাৰতে ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৬২ ৰান কৰে। ভাৰতৰ হৈ বেটিং মুকলি কৰা শ্বেফালি বাৰ্মাই ২৬ বলত ৪৩ ৰান কৰাৰ লগতে জেমিমা ৰড্ৰীগেজে অপৰাজিত ৫৬ আৰু দিপ্তী শৰ্মাই ৩৪ ৰান কৰে। প্ৰত্যুত্তৰত, বাৰ্বাডোজে আঠ উইকেটত ৬২ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ ৰেণুকা সিঙে ১০ ৰান দি চাৰিটা উইকেট পায়।

# ল'ন বলত ভাৰতৰ পুৰুষ দলৰ ৰূপৰ পদক

**বাৰ্মিংহাম, ৬ আগষ্ট ঃ** চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় লন বল দলৰ ঐতিহাসিক চমকপ্ৰদ সফলতা অব্যাহত আছে। আজি ভাৰতৰ চাৰিজনীয়া পুৰুষ দলে ফাইনেলত উত্তৰ আয়াৰলেণ্ডৰ বিৰুদ্ধে ৫-১৮ ৰ ব্যৱধানত পৰাস্ত হয় যদিও ৰূপৰ পদক লাভ কৰি আন এক ঐতিহাসিক সফলতা লাভ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ চাৰিজনীয়া পুৰুষ দলে ছেমিফাইনেলত ১৩-১২ ৰ ব্যৱধানত পৰাস্ত কৰিছিল ইংলণ্ডক। ভাৰতীয় দলৰ সদস্যসকল হ'ল সুনীল বাহাদুৰ, নৱনীত সিং, চন্দন কুমাৰ সিং আৰু দিনেশ কুমাৰ। উল্লেখ্য যে লন বলত ভাৰতৰ চাৰিজনীয়া মহিলা দলে ঐতিহাসিক সোণ লাভ কৰাৰ পাছত আজি ভাৰতৰ চাৰিজনীয়া পুৰুষ দলৰ ৰূপ জয় স্বাভাৱিকতে গুৰুত্বপূৰ্ণ সফলতা। ইয়াৰপূৰ্বে পৰুষৰ চাৰিজনীয়া দলীয় খেলত ভাৰতে কোৱাৰ্টাৰ ফাইনেলত কানাডাক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। অৱশ্যে মহিলাৰ ডাবলচ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয় ভাৰতীয় যুটী অসমৰ নয়নমণি শইকীয়া আৰু তেওঁৰ সংগী লাভলি। ইংলণ্ডে ১৮-১৪ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতীয় যুটী নয়নমণি আৰু লাভলিক। উল্লেখ্য যে ইয়াৰপূৰ্বে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰাত ব্যৰ্থ হৈছিল ভাৰতীয় দলৰ সদস্য অসম সন্তান মৃদুল বৰগোহাঁয়ে। মৃদুল ব'জ ডেভিছৰ বিৰুদ্ধে ১৩-২১ ৰ ব্যৱধানত পৰাস্ত হৈছিল।

# কামৰূপ আৰক্ষী ফুটবলত চাংসাৰি আৰক্ষী থানা বিজয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কমলপুৰ, ৬ আগষ্ট ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানমৰ্মে কামৰূপ জিলা আৰক্ষীয়ে আয়োজন কৰা আন্তঃ জিলা ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন খেলত আজি চাংসাৰি আৰক্ষী থানা বিজয়ী হয়। কমলপুৰ মিনি ষ্টেডিয়ামত আয়োজিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত চাংসাৰি আৰক্ষী থানাই ২-০ গ'লৰ ব্যৱধানত কমলপুৰ আৰক্ষী থানাক পৰাস্ত কৰে। কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে আনুষ্ঠানিকভাৱে মুকলি কৰা খেলখনত



প্ৰথমাৰ্ধত চাংসাৰি এক গ'লত অগ্ৰগতি লাভ কৰে আৰু দ্বিতীয়াৰ্ধত পুনৰ এক গ'ল দি সামগ্ৰিকভাৱে ২-০ গ'লত বিজয়ী হয়। খেলখনত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই দুয়োদলৰ খেলুৱৈসকলক স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে একোখনকৈ ৰাষ্ট্ৰীয় পতাকা উপহাৰ দিয়ে। কমলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বীৰেন বৰুৱাই অভ্যাগতসকলক আদৰণি জনোৱাৰ লগতে দুয়োদলৰ খেলুৱৈ তথা খেল পৰিচালকক সম্বৰ্ধনা জ্ঞাপন কৰে।

# কলিয়াবৰত আন্তঃ থানা ফুটবল প্ৰতিযোগিতা



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কলিয়াবৰ, ৬ আগষ্ট ঃ** নগাঁও আৰক্ষীৰ বঞ্চ্যৱস্থাপনাত উপ-পৰিদৰ্শক প্ৰয়াত সমূজ্জল কাকতিৰ সোঁৱৰণত নগাঁও জিলাৰ থানাসমূহৰ মাজত আজিৰে পৰা দুটা স্থানত অনুষ্ঠিত হৈছে ফুটবল প্ৰতিযোগিতা। অপৰাধী আৰু আইন শৃঙ্খলা নিয়ন্ত্ৰণত অহৰ্নিশে হৈ থকা বঞ্চ্যস্ততাৰ মাজতে ফুটবলৰ পথাৰতো নিজৰ শক্তি প্ৰদৰ্শনত বঞ্চ্যস্ত হৈ পৰিছে নগাঁও জিলাৰ আৰক্ষী। কৰ্মৰত অৱস্থাতে দুৰ্ভাগঞ্জ্যজনকভাৱে মৃত্যুক সাৱতি লোৱা কামপুৰ থানাৰ উপ-পৰিদৰ্শক প্ৰয়াত সমূজ্জল কাকতিৰ সোঁৱৰণত আজিৰে পৰা নগাঁও জিলাৰ থানাসমূহৰ মাজত আজিৰে পৰা নগাঁও আৰু কলিয়াবৰ মহকুমাৰ দুটা স্থানত অনুষ্ঠিত হৈছে। কলিয়াবৰৰ ভোমোৰাগুৰিৰ পশ্চিম কলিয়াবৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত কলিয়াবৰ মহকুমা অন্তৰ্গত থানাসমূহৰ মাজত অনুষ্ঠিত হৈছে। আজি অনুষ্ঠিত হোৱা দুখন খেলৰ প্ৰথমখন খেলত কলিয়াবৰ আৰক্ষী থানাই চামগুৰি থানাক ৩ — ০ গ'লত পৰাস্ত কৰে। জখলাবন্ধা থানা আৰু ৰূপহীহাট থানাৰ মাজত অনুষ্ঠিত হোৱা দ্বিতীয়খন খেলত ৰূপহীহাট আৰক্ষী থানা জখলাবন্ধা আৰক্ষী থানাৰ বিৰুদ্ধে ৪ — ১ গ'লত বিজয়ী হয়। আজি ফুটবল প্ৰতিযোগিতাখনি আনুষ্ঠানিকভাৱে মুকলি কৰে কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসে। ফুটবল প্ৰতিযোগিতাখনিত উপস্থিত থাকি নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলে উপস্থিত থাকি খেলুৱৈসকলক উৎসাহ যোগাই। উপ-পৰিদৰ্শক প্ৰয়াত সমূজ্জল কাকতিৰ পবিত্ৰ সোঁৱৰণত এই প্ৰতিযোগিতাখনি ভৱিষঞ্জ্যতলৈও নগাঁও আৰক্ষীয়ে এনেদৰে অনুষ্ঠিত কৰিব বুলি জনাই।

## নলবাৰী ছুপাৰ ডিভিজন লীগ

# মাছাক হৰুৱাই ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সংঘ চেম্পিয়ন




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পশ্চিম নলবাৰী, ৬ আগষ্ট ঃ** চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ষ্টেডিয়াম খেল পথাৰত কালি নিশা নৈশালোকত অনুষ্ঠিত নলবাৰী চুপাৰ ডিভিজন ফুটবল লীগৰ চূড়ান্ত খেলত ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সংঘ দলে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থ(মাছা)ক টাইব্ৰেকাৰ পদ্ধতিত ৪-৩ গ'লৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়ন হয়। নিৰ্ধাৰিত সময়ত খেল খন গ'ল শূন্য ভাৱে সমাপ্ত হৈছিল । নিশা আঠ বজাত চূড়ান্ত খেল খন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি তথা, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। এই অনুষ্ঠানত ধৰ্মপুৰ সমষ্টীৰ বিধায়ক তথা বন-পৰিৱেশ, ইষ্ট এক্ট পলিচি, সংখ্যালঘু উন্নয়ন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। চূড়ান্ত খেলখন পৰিচালনা কৰে বিশ্বজিৎ ভুঞা, মণিপ্ৰিন্স হাজৰিকা, গকুল দাস, আৰু ৰাজীৱ তালুকদাৰে।

# গুৱাহাটী চিটী এফ চি চেম্পিয়ন

**গুৱাহাটী, ৬ আগষ্ট ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনুৰ্ধ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ক্ৰমাগত দ্বিতীয়বাৰলৈ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে গুৱাহাটী চিটী এফচিয়ে ।আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত গুৱাহাটী চিটী এফচিয়ে কাজিৰঙা এফচিক টাইব্ৰেকাৰত ৩-১ গ'লত পৰাস্ত কৰে। এই প্ৰতিযোগিতাৰ বিজয়ীসূত্ৰে গুৱাহাটী চিটী এফচিয়ে অসম ফুটবল সন্থাৰ আগন্তুক ১৩ অনুৰ্ধ লীগৰ মাণ্ডলিক প্ৰতিযোগিতাৰ বাবে যোগ্যতা আহৰণ কৰিলে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে কাজিৰঙাৰ অভিষেক বড়োৱে । শ্ৰেষ্ঠ গ'লকীপাৰৰ বঁটা লাভ কৰে গুৱাহাটী চিটী এফচিৰ আয়ান আহমেদে । চেম্পিয়ন, ৰাণাৰ্ছআপৰ লগতে আন বঁটাসমূহ বিতৰণ কৰে জিলা ক্ৰীড়া বিষয়া ধ্ৰুৱজ্যোতি ডেকা আৰু অসম অলিম্পিক সন্থাৰ উপ সভাপতি ভৱজ্যোতি গোস্বামীয়ে । অনুষ্ঠানত সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি কলিতা, সহকাৰী সাধাৰণ সম্পাদক সিদ্ধাৰ্থ শংকৰ ডেকা, ফুটবল সম্পাদক এল প্ৰণৱ সিং, ক্ৰিকেট সম্পাদক প্ৰমোদ ৰাজবংশী, বেডমিণ্টন সম্পাদক দীপক পাটোৱাৰী, হকী সম্পাদক অৰূপ কলিতা, এথলেটিকছ সম্পাদক ৰাঘৱেন্দ্ৰ মজুমদাৰকে ধৰি বিষয়ববীয়াসকল উপস্থিত থাকে।

# পেৰা শক্তি উত্তোলনত সুধীৰৰ সোণ জয়ক লৈ উৎসাহ

## গৃহভূমিত উপস্থিত ভাৰতীয় ভাৰোত্তোলন দল

**নতুন দিল্লী, ৬ আগষ্ট ঃ** চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতৰ ভাৰোত্তোলকে চমকপ্ৰদ প্ৰদৰ্শন কৰি মুঠ ১০ টা পদক জয়ৰ পাছত আজি গৌৰৱে গৃহভূমিত ভৰি দিছে। অমৃতসৰ বিমান বন্দৰত ভাৰতীয় ভাৰোত্তোলন দলক ৰাজকীয় আদৰণি জনোৱাৰ লগতে পাটিয়ালাৰ ছাই কেন্দ্ৰত সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে এইবাৰ ১০টা পদক জয়ৰে গৌৰৱময় সফলতা লাভ কৰিছে ভাৰতৰ ভাৰোত্তোলকে। ভাৰোত্তোলনত ভাৰতৰ হৈ মীৰাবাঈ চানু, জেৰেমি আৰু অচিন্তই সোণ লাভ কৰাৰ লগতে বিন্দিৰাণী দেৱী, সংকেট সাগৰ আৰু বিকাশ ঠাকুৰে ৰূপৰ পদক জয় কৰিছে। ইফালে, হৰ্জিন্দৰ সিং, গুৰুৰাজা পুজাৰী, গুৰদ্বীপ সিং আৰু লাভপ্ৰীত সিঙেৱঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বিগত ২০১৮ ৰ গ'ল্ডকষ্ট কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলে মুঠ নটা পদক লাভ কৰিছিল। ইফালে, পেৰা শক্তি উত্তোলক সুধীৰে সোণ লাভ কৰি ভাৰতক চলিত বাৰ্মিংহাম কমনৱেলথ গেমছত আন এক সফলতা দিছে। এই সফলতাক লৈ উৎসাহিত ভাৰতীয় ভাৰোত্তোলন দল।

# ফাইনেলত প্ৰৱেশেৰে দুটা পদক নিশ্চিত কৰিলে শৰথ কমলে

**বাৰ্মিংহাম, ৬ আগষ্ট ঃ** ভাৰতৰ অভিজ্ঞ পেডলাৰ শৰথ কমলে চলিত ২২ সংখ্যক বাৰ্মিংহাম কমনৱেলথ গেমছৰ পুৰুষৰ ডাবলছ আৰু মিক্সড ডাবলছ শাখাৰ ফাইনেলত প্ৰৱেশ কৰি দুটা পদক নিশ্চিত কৰিছে। আজি হোৱা পুৰুষৰ ডাবলচ শাখাৰ ছেমিফাইনেলত শৰথে সংগী ছাথিয়ানৰ লগত যুটি বান্ধি খেলি পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। ব্যৱধান ৩-২। ইফালে, মিক্সড ডাবলছ শাখাৰ ছেমিফাইনেলত শৰথে সংগী শ্ৰীজা আকুলাৰ লগত যুটি বান্ধি খেলি পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। এই মেচৰ ব্যৱধানো ৩-২। শৰথ কমলে একক শাখাৰো ছেমিফাইনেলত প্ৰৱেশ কৰিছে। বিপৰীতে বিদায় লৈছে মনিকা বাট্ৰাই। কিন্তু ব্ৰঞ্জৰ বাবে খেলিব শ্ৰীজা আকুলাই। স্ক'ৱাছত ব্ৰঞ্জৰ বাবে খেলিব ছেমিফাইনেলত পৰাস্ত হোৱা দিপীকা পাল্লিকাল আৰু সৌৰভ ঘোষালেও। ইফালে, বেডমিণ্টনৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ দুটাকৈ অলিম্পিক পদক বিজয়ী শ্বাটলাৰ পি ভি সিন্ধু।

# ভেৰগাঁৱত বড়োলেণ্ড শ্বহীদ মহিলা ফুটবল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ৬ আগষ্ট ঃ** ভেৰগাঁও আঞ্চলিক এবছু আৰু ভেৰগাঁও আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ২ ছেপ্টেম্বৰৰ পৰা ১০ ছেপ্টেম্বৰলৈ ভেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব পঞ্চদশ বাৰ্ষিক বড়োলেণ্ড শ্বহীদ সোঁৱৰণী মহিলা ফুটবল প্ৰতিযোগিতা। ভেৰগাঁও চাৰিআলিত খেল পৰিচালনা সমিতিৰ অস্থায়ী কাৰ্যালয় এটা ৪ আগষ্টত শুভ উদ্বোধন কৰে বি টি চিৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য দাউবাইছা বড়োৱে। কাৰ্যালয়টো উদ্বোধন কৰি বড়োৱে কয় যে বি টি আৰ অঞ্চলৰ ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ অৰ্থে ভেৰগাঁৱকে ধৰি বিভিন্ন স্থানত ৫ কোটি ৪০ লাখ টকা ব্যয়ৰে ৪০ টা উন্নতমানৰ মিনি ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব। আনহাতে, বি টি চিৰ ক্ৰীড়া বিভাগৰ উদ্যোগত অহা ৯ অক্টোবৰৰ পৰা আন্তঃ ষষ্ঠ অনুসূচী পৰিষদ প্ৰিমিয়াৰ লীগ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলিও তেওঁ সদৰী কৰে। তেওঁ জনোৱা মতে উত্তৰ-পূৰ্বাঞ্চলৰ অসম, মিজোৰাম, মণিপুৰ আৰু



ত্ৰিপুৰাৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত দহখন পৰিষদৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতা খনৰ উদ্বোধনী মেচখন ওদালগুৰি জিলাৰ ডিমাকুছিত আৰু ফাইনেল মেচখন কোকৰাঝাৰত অনুষ্ঠিত হোৱাৰ বিপৰীতে বাকী মেচ কেইখন বিজনী আৰু মুচলপুৰত অনুষ্ঠিত হ'ব। কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত ভেৰগাঁও আঞ্চলিক এবছুৰ নেতৃবৃন্দ, খেল পৰিচালনা সমিতিৰ সভাপতি কুমুদ কছাৰী, কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ কছাৰী, সম্পাদক চমল দৈমাৰীসহ ভালেসংখ্যক লোক উপস্থিত থাকে।

# ফুটবল লীগত প্ৰাঞ্জল ভূমিজ

**গুৱাহাটী, ৬ আগষ্ট ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগৰ আজিৰ খেল খ্ৰীষ্টজ্যোতি ফুটবল ক্লাব আৰু আৰু নগাধুলি চাহ বাগিচা ফুটবল দলৰ মাজৰ খেলখন ২ -২ গ'লত ড্ৰ হৈ ৰয়। ফলত দুয়োটা দলে লীগৰ পইন্ট ভগাই লয়। খেলখন পৰিচালনা কৰে প্ৰাঞ্জল পাওগাম, দিব্যজ্যোতি শইকীয়া, দেবু গোৱালা আৰু মিকু পাওগামে। ৭ আগষ্টৰ খেল-হোনোৱাল ফুটবল ক্লাব বনাম হাতীজুৰি চাহ বাগিচা ফুটবল দল। ইফালে, আইএছএলত মুম্বাই এফচিক প্ৰতিনিধিত্ব কৰা অসমৰ ফুটবলাৰ প্ৰাঞ্জল ভূমিজ কাইলৈ মৰিয়নি বাপুজী ষ্টেডিয়ামত উপস্থিত থাকিব। ফুটবলাৰ প্ৰাঞ্জলে লীগৰ মেচ উপভোগ কৰাৰ লগতে এখন প্ৰীতি ফুটবল মেচত অংশগ্ৰহণ কৰিব।

# বকোত দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত বকো ক্ৰীড়া সন্থাৰ উদ্যোগত এ ডিভিজন ফুটবল লীগ খেলৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বকো, ৬ আগষ্ট ঃ** ক্ৰীড়া প্ৰতিভাৰ জৰিয়তে জগত জয়ৰ লক্ষ্যৰে উদিয়মান যুৱ চামে আৰম্ভ কৰিছে ক্ৰীড়া আন্দোলন। বিগত বছৰবোৰৰ দৰে এই বৰ্ষও দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ আন্তঃক্লাৱ এ ডিভিজন লীগ ফুটবল প্ৰতিযোগিতাখন এই বেলি বকোত আয়োজন কৰা হৈছে। উল্লেখ্য যে বকো ক্ৰীড়া সন্থাৰ উদ্যোগত বকো হাইস্কুল খেলপথাৰত আয়োজন কৰা প্ৰতিযোগিতাখন যোৱা ২০ জুলাইত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই। জিলা ক্ৰীড়া সন্থাৰ সম্পাদক সুকুমাৰ মেধি আৰু বকো ক্ৰীড়া



সন্থাৰ সম্পাদক কাম্বু ৰাম ৰাভাই আত ধৰা খেল উদ্বোধনী অনুষ্ঠানত বকোৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাসৰ উপৰিও বহুকেইজন বিশিষ্ট ক্ৰীড়া সংগঠক উপস্থিত আছিল। ইফালে, বকো ক্ৰীড়া সন্থাৰ সভাপতি জগত চন্দ্ৰ দাসে জনোৱা মতে, প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত বন্দাপাৰা জনতা সংঘ বনাম বনগাঁও এচ চি দলৰ খেলেৰে আৰম্ভণি হয়। ফুটবলৰ লীগ খেলখনত মুঠ আঠটা ফুটবল ক্লাবে যোগদান কৰে। ইফালে আজি লীগ খেলখনৰ সামৰণি পৰে। আজিৰ খেলত প্ৰতিদ্বন্দ্বিতা কৰে জনজাতীয় স্প'ৰ্টিং ফুটবল ক্লাব পান্টান বনাম ননবাগ ফুটবল ক্লাবে। চূড়ান্ত তথা সামৰণিৰ খেলত অতিথি হিচাপে উপস্থিত থাকে জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া, অমৰেন্দ্ৰ ঠাকুৰীয়া, বকো ক্ৰীড়া সন্থাৰ উপদেষ্টা পৰাণজ্যোতি দাস, ক্ৰীড়া সংগঠক জগত ৰাভা, দীপক কুমাৰ ৰাভাকে ধৰি বহুসংখ্যক ক্ৰীড়াপ্ৰেমী। খেলখনত জনজাতীয় ফুটবল ক্লাবে ননবাগ ফুটবল দলক ২-১ গ'লত পৰাস্ত কৰে। খেলৰ শেষত বঁটা বিতৰণী সভা অনুষ্ঠিত হয়।

No.SC/AUCTION/2022-23/4537

## AUCTION SALE NOTICE

In pursuance to the Minutes of the condemnation committee meeting held on 24/06/2022 and the Minutes of the purchase committee meeting held on 30/06/2022, separate sealed quotation affixing court fee stamp of Rs. 8.25 (Rupees eight and twenty five paise) only (non refundable) are hereby invited from the interested parties/bidders for disposal of the 4 (four) nos. of vehicles **in a single lot,** 13 (thirteen) nos. of condemned other miscellaneous items **in a single lot** and photo copy machine & printer **in a single lot** which are lying at Soil Conservation Directorate, Assam office complex at R. G. B. road, Guwahati-05.

The condemned vehicles and other materials for auction sale will be made available for inspection at Soil Conservation Directorate, Assam office complex at R. G. B. road, Guwahati-05 during office hours or in any working day in consultation with the Soil Conservation Directorate Authorities.

Quotation should reach this office latest by **2.00 P.M.** on **18/08/2022** and will be opened on the same day at **3.00 P.M.** which have to be attended by the parties/ bidders or their authorized representative if any.

Quotations must be accompanied by earnest money of Rs. 2000.00 (Rupees two thousand) only for vehicles and Rs. 500.00 (Rupees five hundred) only for other office materials in the form of Bank Draft only from any nationalized Bank duly pledged in favour of the Director of Soil Conservation, Assam failing which quotation will be rejected. No cheque or cash will be accepted as earnest money. The earnest money will be returned after disposal of the condemned vehicles and other materials whichever is applicable.

The rate should be quoted clearly both in figures and in words for all the 4 (four) nos. of vehicles and 15 (fifteen) nos. of other materials in separate quotations. The sealed cover containing the quotation should be superscripted with the words **"Quotation for 4 (four) nos. of vehicles"** and **"Quotation for 13 (thirteen) nos. of other miscellaneous items"** and **"Quotation for photo copy machine & printer"** whichever is applicable.

The assessment value fixed by the condemnation board is mentioned in the list A, B & C given below and lifting charge will be borne by the selected bidder.

*List- A (vehicles)*

| SL. No. | Name of Item | Specification | Quantity | Rate fix by the committee |
|---|---|---|---|---|
| 1 | Omni Maruti Van | AS-01-AJ-5130 | 1 | 7,000.00 |
| 2 | Omni Maruti Van | AS-01-D-3540 | 1 | 31,200.00 |
| 3 | Bolero | AS-01-AG-0124 | 1 | 1,05,000.00 |
| 4 | Ambassador | AS-01-G-0901 | 1 | 9,000.00 |

*List- B (photo copy machine & printer)*

| SL. No. | Name of Item | Specification | Quantity | Rate fix by the committee |
|---|---|---|---|---|
| 1 | Xerox Machine | Konica/Bizhub-195/Ricoh | 4 | Buyback rate to be quoted |
| 2 | Printer | Canon | 3 | Buyback rate to be quoted |

*List- C (other miscellaneous items)*

| SL. No. | Name of Item | Specification | Quantity | Rate fix by the committee |
|---|---|---|---|---|
| 1 | Steel Almirah (Small) | ASIDC Make | 3 | 1,000.00/ per unit |
| 2 | Steel Almirah (Big) | ASIDC Make | 6 | 1,500.00/ per unit |
| 3 | Chair | ASIDC Make | 25 | 100.00 /per unit |
| 4 | Table | ASIDC Make | 5 | 200.00/per unit |
| 5 | Wooden Table | ASIDC Make | 1 | 100.00/ per unit |
| 6 | Computer Table | ASIDC Make | 1 | 100.00/ per unit |
| 7 | Aqua guard | Ureka Forbs | 1 | 50.00/ per unit |
| 8 | Toner | Blank Tonner used up | 20 | 20.00/ per unit |
| 9 | Ceiling Fan | Bajaj | 2 | 50.00/per unit |
| 10 | Showcase (Small) | ASIDC Make | 1 | 200.00/ per unit |
| 11 | Monitor | Led Monitor | 1 | 300.00/ per unit |
| 12 | UPS | Zebronic | 3 | 20.00/ per unit |
| 13 | Showcase (Big) | ASIDC Make | 1 | 900.00/ per unit |

The highest bidder shall have to deposit the 50% of sale proceeds in advance within 2 (two) days and next 50% within 5 (five) days to the undersigned before lifting the condemned vehicles and other materials which is applicable to the party concerned. In the event of being unable to lift the entire condemned vehicles or other materials in time by the 1st Bidder, the undersigned will have the right to forfeit the earnest money in whole or in part and cancellation of the contract without any prior notice to the defaulting bidders and in this regard the 2nd and 3rd highest bidder will be given the option to lift the same respectively.

The undersigned reserves the right to accept or reject all the quotation without assigning any reason thereof.

Sd/-
Director of Soil Conservation, Assam

Janasanyog/C/7842/22

# নগাঁৱত আৰক্ষী, চিআৰ পি এফৰ হাতে হাতে ত্ৰিৰংগা লৈ পদযাত্ৰা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৬ আগষ্ট ঃ** দেশৰ ৭৫ বছৰীয়া স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে পালন কৰা পৰিলক্ষিত হৈছে ‘আজাদী কা অমৃত মহোৎসৱ’ কাৰ্যসূচী। সেই কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি পুৱা নগাঁও আৰক্ষী প্ৰশাসন, নগাঁৱস্থ ৩৪নং চিআৰপিএফ বাহিনীৰ জোৱানসকলে হাতে হাতে ত্ৰিৰংগা লৈ এক পদযাত্ৰা উলিয়ায়। নগাঁও জিলাৰ কঠীয়াতলী ৰেংবেঙৰ পৰা বৰঘাট বাইপাছ হৈ নগাঁও চহৰত প্ৰৱেশ কৰি জোৱানসকলে কাটিমাৰীস্থ ৩৪নং চিআৰপিএফৰ ছাউনীত পদযাত্ৰাৰ সামৰণি পেলায়। পদযাত্ৰা কৰা জোৱানসকলে ‘হৰ ঘৰ ত্ৰিৰংগা’, ‘ভাৰত মাতা কী জয়’ আদি ধ্বনি দি ৰাজপথ মুখৰ কৰি তোলে। দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস নৱপ্ৰজন্মৰ মাজলৈ বিয়পাই নিয়াৰ বাবেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁলোকে সাংবাদিকৰ আগত উল্লেখ কৰে। আনহাতে, এই ত্ৰিৰংগা যাত্ৰাৰ সময়ত পদযাত্ৰাকাৰী দলটোক পথৰ দাঁতিত ৰৈ ৰাইজে হাত জোকাৰি, চাপৰি বজাই আদৰণি জনোৱা পৰিলক্ষিত হয়। পদযাত্ৰাকাৰী দলটোৱে প্ৰায় ৩৫ কিলোমিটাৰ পথ অতিক্ৰম কৰে।

# সাংবাদিক প্ৰণৱজিৎ বড়াৰ বাসগৃহত দুৰ্বৃত্তৰ আক্ৰমণ, দল-সংগঠনৰ তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ৬ আগষ্ট ঃ** দুলীয়াজানৰ জ্যেষ্ঠ সাংবাদিক প্ৰণৱজিৎ বড়াৰ বাসগৃহত যোৱা নিশা প্ৰায় ১.৩০ বজাত কোনো অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰি সাংবাদিকজনৰ গাড়ীখন ক্ষতিগ্ৰস্ত কৰে। অইল ইণ্ডিয়াৰ আৱাসিক অঞ্চল বি টাইপ-৩ নম্বৰৰ আৱাসী প্ৰণৱজিৎ বড়াই ঘটনা সন্দৰ্ভত জানিবলৈ দিয়া মতে যোৱানিশা নাহৰকটীয়াত এটা সাংস্কৃতিক কাৰ্যসূচীৰ বাতৰি সংগ্ৰহ কৰি পলমকৈ ঘৰ সোমাই সপত্নীক নৈশ আহাৰ গ্ৰহণ কৰি থকা অৱস্থাতে সাংবাদিকজনে বাহিৰত কুকুৰৰ ভুকভুকনিৰ লগতে এটা শব্দ শুনা পায়। ততাতৈয়াকৈ দুয়ো পতি-পত্নী বাহিৰলৈ আহি ঘৰৰ সন্মুখেৰে দুই বিপৰীত দিশত এখন গাড়ী আৰু এখন বাইক তীব্ৰ গতিত পাৰ হৈ যোৱা প্ৰত্যক্ষ কৰে। ইয়াৰ পিছতে তেওঁলোকে গাড়ীৰ গেৰেজত থকা এ এছ ০৬ আৰ ৯২১২ মাৰুতি এছ-ক্ৰছ গাড়ীখনৰ পিছৰ গ্লাছখন ভঙা প্ৰত্যক্ষ কৰে। ঘটনাত সচকিত হৈ পৰা সাংবাদিকজনে লগে লগে দায়িত্বত থকা অইল নিৰাপত্তাৰক্ষী আৰু দুলীয়াজান আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত অইল নিৰাপত্তাৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ সময়তে এটা পুৰণা বিয়েৰৰ বটল গাড়ীৰ ভিতৰৰ পৰা উদ্ধাৰ কৰে। এই বটলটোৰেই গাড়ীখন আক্ৰমণ কৰা হৈছিল বুলি তদন্তৰ প্ৰাৰম্ভিক পৰ্যায়ত নিশ্চিত হৈছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত ভুক্তভোগী সাংবাদিকগৰাকীয়ে দুলীয়াজান থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ১৬১-২২ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। সাংবাদিকজনৰ ওপৰত হোৱা এই আক্ৰমণক সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অনিল গগৈ, দুলীয়াজান আঞ্চলিক সমিতিৰ সভাপতি বুবুল তালুকদাৰ; ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক প্ৰদীপ চেত্ৰী; চুতীয়া ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি জিতু শইকীয়া টাই আহোম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰূপম গগৈ, দুলীয়াজান আঞ্চলিকৰ সম্পাদক ৰাজীৱ গগৈ; সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ আপকুৰ সাধাৰণ সম্পাদক আব্দুল ৰাজ্জাক সন্মিলিত সাংবাদিক মঞ্চ দুলীয়াজানৰ সভাপতি জয়ন্ত ভূএঞা, সাধাৰণ সম্পাদক প্ৰাঞ্জল শইকীয়া; আটছা নেতা গোবিন ওৱাং, বৃহত্তৰ অসমীয়া মহিলা মঞ্চৰ সভানেত্ৰী মীনাক্ষী গগৈ আৰু সম্পাদিকা ৰাণু তামুলী, বৃহত্তৰ অসমীয়া নাৰী মঞ্চৰ ডিব্ৰুগড় জিলাৰ সভানেত্ৰী মৌচুমী হাতীবৰুৱা, অসম বাৰ্তাজীৱী সংঘৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি অমৰজ্যোতি আৰান্ধৰা আৰু ভাৰপ্ৰাপ্ত সম্পাদক দিব্যজ্যোতি লাহন; গোৰ্খা ছাত্ৰ সন্থা টাইপা দুৰ্নীতি বিৰোধী যুৱ শক্তি অসম দুলীয়াজান প্ৰেছ ক্লাবৰ সভাপতি ব্ৰজেন গগৈকে ধৰি কে'বাটাও জাতীয়-জনগোষ্ঠীয় দল-সংগঠন আৰু সচেতন সমাজে তীব্ৰ গৰিহণা দিছে। এই ঘটনা কেৱল এজন সাংবাদিকৰ ওপৰত হোৱা আক্ৰমণ নহয়, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত হোৱা আক্ৰমণ বুলি সকলোৱে মন্তব্য কৰিছে। এই ঘটনাৰ লগত জড়িত দুৰ্বৃত্তক ২৪ ঘণ্টাৰ ভিতৰত আটক কৰিবলৈ কেওটা সংগঠনে দাবী জনাইছে। ইতিমধ্যে অইল নিৰাপত্তাৰক্ষীয়ে বি টাইপ অঞ্চলৰ সকলো চিচি টিভিৰ ফুটেজ তন্ন তন্নকৈ পৰীক্ষা কৰি আছে যদিও এই পৰ্যন্ত দুৰ্বৃত্তৰ কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই।

# ইণ্ডিয়ান মেৰিটাইম বিশ্ববিদ্যালয়, চেন্নাইৰ অধীনত অধ্যয়নৰ সুযোগ লাভ জামুগুৰিহাটৰ অভিলেখ কৌশিকৰ





**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ৬ আগষ্ট ঃ** ইণ্ডিয়ান মেৰিটাইম বিশ্ববিদ্যালয়, চেন্নাইৰ অধীনত বিশাখাপট্টনমত ‘মেৰিন নিৰ্মাণ কলা আৰু সাগৰীয় অভিযান্ত্ৰিক’ বিভাগত অধ্যয়ন কৰিবৰ বাবে নিৰ্বাচিত হৈছে জামুগুৰিহাটৰ অভিলেখ কৌশিক। বিশ্বনাথ চাৰিআলিৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৯২ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অভিলেখ জামুগুৰিহাটৰ ৰাজখোৱাচুক গাঁও নিৱাসী পংকজ কুমাৰ শৰ্মা আৰু ৰণি শৰ্মাৰ জ্যেষ্ঠ পুত্ৰ। অধ্যয়নৰ লগতে বেডমিন্টন খেলত পাৰদৰ্শিতা থকা অভিলেখে জৱাহৰ নৱোদয় বিদ্যালয়ৰ পৰা ঝাৰখণ্ডত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। উল্লেখ্য যে এই পাঠ্যক্ৰমৰ বাবে অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হৈ অধ্যয়নৰ সুযোগ পোৱা অভিলেখ কৌশিক জামুগুৰিহাটৰ প্ৰথমগৰাকী ছাত্ৰ হোৱাৰ লগতে এইবেলি উক্ত পাঠ্যক্ৰমৰ বাবে নিৰ্বাচিত শোণিতপুৰ জিলাৰ একমাত্ৰ ছাত্ৰ।

# এছএছবি ২৭ বেটেলিয়নৰ ত্ৰিৰংগা চাইকেল ৰেলীৰ দ্বাৰা ৰাষ্ট্ৰীয় একত্ৰীকৰণ বাৰ্তা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ৬ আগষ্ট ঃ** ভাৰতীয় জাতীয় পতাকা ‘ত্ৰিৰংগা’ আৰু ইয়াত লুকাই থকা মূল উদ্দেশ্য জনসাধাৰণৰ গালিচাত নিমজ্জিত কৰাৰ প্ৰতিশ্ৰুতিৰে এছএছবি ২৭সংখ্যক বাহিনী, গুৱাগাছা, বৰপেটাৰোডে ৬ আগষ্টত গুৱাগাছাৰ পৰা বৰতলা, জাকলিপাৰ আৰু চিমলাগুৰি হৈ দুৰ্গাবাৰী মন্দিৰলৈ হৰ ঘৰ ত্ৰিৰংহা অভিযানৰ সৈতে এক চাইকেল ৰেলীৰ আয়োজন কৰে। চাইকেল ৰেলীৰ জৰিয়তে ত্ৰিৰংগা গৌৰৱ বঢ়াবলৈ ৭খন বিদ্যালয়ৰ ৪৫০গৰাকী শিক্ষাৰ্থীয়ে নৰশক্তি জাতি বিদ্যালয়, মাজগাঁও, মাজগাঁও মঞ্চ বিদ্যালয় গুৱাগাছা, মাজগাঁও, নৰশক্তি উচ্চ বিদ্যালয়, মাজগাঁও আৰু নৰশক্তি মাধ্যমিক বিদ্যালয়ৰ ৪৫০গৰাকী শিক্ষাৰ্থীয়ে অতি উৎসাহেৰে অংশগ্ৰহণ কৰে। হাজাৰ হাজাৰ লোকৰ এই শোভাযাত্ৰাটো প্ৰায় ১ কিলোমিটাৰ দীঘল ত্ৰিৰংগা যেন লাগিছিল। ভাৰতৰ স্বাধীনতাৰ ৭৫ সংখ্যক বাৰ্ষিকী উপলক্ষে সমবেত দেশত উদ্‌যাপন কৰা স্বাধীনতাৰ অমৃত মহোৎসৱ, দেশৰ স্বাধীনতাৰ প্ৰতি তেওঁৰ অৱদানক স্মৰণ কৰিবলৈ আমাৰ দেশৰ মহান স্বাধীনতা সংগ্ৰামীগৰাকীক স্মৰণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ। ২৭ ভি বেণীৰ ১৫০জন জোৱান, তেওঁলোকৰ পৰিয়াল আৰু শিশুসকলেও সমদলটোত অংশগ্ৰহণ কৰিছিল। ইমান ডাঙৰ ৰেলী চাবলৈ জনতাৰ উৎসাহ দেখাৰ যোগ্য আছিল। বৰটোলাত অসমৰ মহান স্বাধীনতা সংগ্ৰামী চিল্লা ৰায়ৰ প্ৰতিমূৰ্তিৰ সন্মুখত তেওঁক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়, তাৰ পিছত সমদলটো আগবাঢ়ি গৈ জাকালিপাৰ আৰু চিমলাগুৰি হৈ তেওঁৰ গন্তব্যস্থান দুৰ্গাবাৰী মন্দিৰত উপস্থিত হয়। মন্দিৰত সংবাদ মাধ্যমৰ লোকসকলক সম্বোধন কৰি উপ-কমাণ্ডেণ্ট বিবেক কুমাৰ সিঙে কয় যে আমাৰ ত্ৰিৰংগাত সন্নিবিষ্ট বাৰ্তা, সাহস, ত্যাগ, শান্তি আৰু সুখক জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যৰে হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী আয়োজন কৰা হৈছে, যাতে সকলোৱে আমাৰ অগ্ৰগামীসকলৰ পৰা অনুপ্ৰেৰণা লয় আৰু ৰাষ্ট্ৰৰ উন্নয়নত তেওঁলোকৰ অংশগ্ৰহণ নিশ্চিত কৰে। তেওঁ মহান স্বাধীনতা সংগ্ৰামী মহাত্মা গান্ধী, মৌলানা আব্দুল কালাম আজাদ, সুভাষ চন্দ্ৰ বসুৰ লগতে গোপীনাথ বৰদলৈ আৰু অসমৰ কনকলতা বৰুৱাৰ কথা উল্লেখ কৰে, যিয়ে ত্ৰিৰংগা পৰীক্ষাৰ বাবে নিজৰ জীৱন পৰীক্ষাত পেলাইছিল। ১৮ বছৰ বয়সত কনকলতা বৰুৱাই ত্ৰিৰংগা সুৰক্ষাৰ বাবে ব্ৰিটিছৰ গুলী বুকুত তুলি লৈ দেশৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰে। ডেপুটি কমাণ্ডেণ্টে সকলো হাজাৰত উপস্থিত দৰ্শক আৰু শিক্ষাৰ্থীসকলক আবেদন জনাই কয় যে আপুনি কেতিয়াও ত্ৰিৰংগাটোৰ সন্মান হ্ৰাস কৰিব নিদিব আৰু ১৩-১৫ আগষ্টৰ ভিতৰত, আপুনি আপোনাৰ নিজৰ ঘৰত পতাকা উত্তোলন কৰিব লাগিব আৰু ৬০০জন লোকক ত্ৰিৰংগা বিতৰণ কৰিব লাগিব। তেওঁ তেওঁলোকক এইটোও সংকল্প দিছিল যে এই সময়ছোৱাত বা তাৰ পিছত কোনো মূল্যত পতাকাখন অপমান কৰিব নালাগে। তাৰ পিছত, মন্দিৰত এছএছবিৰ দ্বাৰা ভোগৰ ব্যৱস্থা কৰা হৈছিল, যিটো সকলো লোকে উপভোগ কৰিছিল আৰু তেওঁলোকৰ ঘৰলৈ ৰাওনা হৈছিল। বৰপেটাৰোড আৰক্ষী প্ৰশাসনেও কোনো বাধা নোহোৱাকৈ এই কাৰ্যসূচীসফল কৰাত যথেষ্ট সহযোগিতা কৰিছিল।

# টুপামাৰী আজান শিশু নিকেতনৰ ছাত্ৰী বিলকিছ নাহাৰক বিশেষ সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৬ আগষ্ট ঃ** সদ্য ঘোষিত ২০২২ বৰ্ষৰ জৱাহৰ নৱোদয় প্ৰৱেশ পৰীক্ষাত টুপামাৰীৰ আজান শিশু নিকেতন নামৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰা বিলকিছ নাহাৰ নামৰ সপ্তম শ্ৰেণীৰ ছাত্ৰীগৰাকী বাছনি হোৱাত বৃহত্তৰ অঞ্চলটোৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উৎফুল্ল হৈ পৰিছে। আজি বিদ্যালয় প্ৰাংগণত অনুষ্টুপীয়াকৈ বিদ্যালয় কৰ্তৃপক্ষই



এখন সম্ভৰ্ধনা সভাৰ আয়োজন কৰি ছাত্ৰীগৰাকীক বিদ্যালয় পৰিচালনা সমিতিৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সম্বৰ্ধনা-পত্ৰ আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। ছাত্ৰীগৰাকীয়ে অৰ্জন কৰা বিৰল কৃতিত্বই অনুষ্ঠানটোৰ লগতে বৃহত্তৰ টুপামাৰী অঞ্চলবাসীয়ে আনন্দিত হোৱাৰ লগতে ছাত্ৰীগৰাকীৰ দীৰ্ঘায়ু কামনা কৰে। জৱাহৰ নৱোদয় প্ৰৱেশ পৰীক্ষাত বাছনি হোৱা বিলকিছ নাহাৰ ২ নং টুপামাৰী গাঁৱৰ মুমিৰ উদ্দিন আৰু হুঁচিয়াৰ আহমেদৰ কন্যা।

# মিকিৰভেটাৰ হাবিবৰঙাবাৰীত ড্ৰাগ্‌ছসহ আটক এজন

## উদ্ধাৰ বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেছামাৰী, ৬ আগষ্ট ঃ** আজি আবেলি মৰিগাঁও জিলাৰ মিকিৰভেটাৰ হাবিবৰঙাবাৰীৰ নতুন চাৰিআলিত ড্ৰাগ্‌ছসহ আটক কৰা হয় এজনক। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰীজন নগাঁও জিলাৰ ধিং থানাৰ অন্তৰ্গত মৈৰাধ্বজ গাঁৱৰ ৰাজিত আলীৰ পুত্ৰ ৰাজিকুল ইছলাম (২৮) বুলি জানিব পৰা গৈছে। আজি হাবিবৰঙাবাৰীৰ সচেতন ৰাইজে ১৯টা ড্ৰাগ্‌ছভৰ্তি কণ্টেইনাৰসহ ধৃত ড্ৰাগ্‌ছ সৰবৰাকাৰীজনক আটক কৰি স্থানীয় মিকিৰভেটা আৰক্ষীক গতাই দিয়ে। মিকিৰভেটা আৰক্ষীয়ে অধিক তথ্যৰ বাবে ড্ৰাগ্‌ছ সৰবৰাকাৰীজনক জেৰা অব্যাহত ৰাখিছে। ধৃত ড্ৰাগ্‌ছ সৰবৰাকাৰীজনে নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়াৰ মৈৰাধ্বজ, অকৰাবড়ি, বালিজান আৰু হাবিবৰঙাবাৰীত আৰক্ষীৰ চকুত ধূলি দি চলাই গৈছিল ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায়।

# কামপুৰত চেনিকলৰ চুৰি যন্ত্ৰাংশ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৬ আগষ্ট ঃ** নগাঁও জিলাৰ কামপুৰ আৰক্ষী থানাৰ অন্তৰ্গত তেঁতেলীসৰা তেলিয়াআটিত ৰাইজে এখন ই-ৰিক্সাৰ পৰা



চেনিকলৰ যন্ত্ৰাংশ জব্দ কৰে। প্ৰাপ্ত খবৰ মতে কালি নিশা কামপুৰস্থিত নগাঁও সমবায় চেনিকলৰ যন্ত্ৰাংশ ই-ৰিক্সাত লৈ যোৱাৰ সময়তে স্থানীয় ৰাইজে জব্দ কৰে। ই-ৰিক্সাৰ চালক সাগৰ বিশ্বাসে কামপুৰ মাজৰআটি গাঁৱৰ মনোজ নামৰ লোকজনৰ পৰা যন্ত্ৰাংশসমূহ অনা বুলি স্বীকাৰ কৰে। পিছত কামপুৰ আৰক্ষী ঘটনাস্থলী উপস্থিত হৈ সাগৰ বিশ্বাসক আটক কৰি আজি জে'ললৈ প্ৰেৰণ কৰে।

# আঞ্চলিক নাৰ্চিং মহাবিদ্যালয়ৰ বিশ্ব স্তনপান সপ্তাহ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ আগষ্ট ঃ** আঞ্চলিক নাৰ্চিং মহাবিদ্যালয়, গুৱাহাটীৰ সৌজন্যত সোণাপুৰ প্ৰাথমিক চিকিৎসালয়ৰ অন্তৰ্গত উৰল গাঁৱৰ কালী মন্দিৰ প্ৰাংগণত বিশ্ব স্তনপান সপ্তাহ উপলক্ষে আজি এখনি সজাগতা সভাৰ আয়োজন কৰা হয়। ২০২২ বৰ্ষৰ বিশ্ব স্তনপান সপ্তাহৰ মূল বাণী ‘স্তনপান কৰোৱাৰ ক্ষেত্ৰত পদক্ষেপ লওক, শিকাওক আৰু সমৰ্থন কৰক’ বাক্যশাৰীক সাৰোগত কৰি এখনি বাটৰ নাট বিএছচি নাৰ্চিঙৰ ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা হয়। লগতে মাতৃদুগ্ধৰ কলষ্টাম সম্পৰ্কত যি অন্ধবিশ্বাস সমাজত প্ৰচলিত হৈ আছে তাক দূৰীকৰণৰ বাবেও কিছু বাৰ্তা প্ৰেৰণ কৰা হয়। মাতৃ গোট, অংগনৱাড়ী কৰ্মীৰ লগতে উক্ত সভাত উপস্থিত থাকে আঞ্চলিক নাৰ্চিং মহাবিদ্যালয়ৰ কমিউনিটী হেল্‌থ বিভাগৰ মুৰব্বী প্ৰবক্তা ডাঃ হেমেশ্বৰী ভূএঞা, সহকাৰী প্ৰবক্তা পলীমণি বৰা, বৰখাট অঞ্চলৰ গাঁও প্ৰধান বিপুল বৰুৱা, বৰখাট গাঁও পঞ্চায়তৰ সভাপতি স্বপ্না পাটৰ, ডিমৰীয়া খণ্ডৰ কিষাণ মৰ্চাৰ সম্পাদক হেমন্ত দাস আৰু শতাধিক মাতৃ আৰু শিশু।



## উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ দ্বাৰা বিশ্ব স্তনপান সপ্তাহ উদ্‌যাপন

# গুৱাহাটী ৰে'ল ষ্টেচনত স্তনপান কিয়স্ক স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ৬ আগষ্ট ঃ** উত্তৰ-পূব সীমান্ত ৰে'লৱেত বিশ্ব স্তন্যপান সপ্তাহ পালন কৰা হৈ আছে। এই উপলক্ষে আজিগুৱাহাটী ৰে'ল ষ্টেচনৰ ১নং প্লেটফৰ্মত স্তন্যপান কিয়স্ক এটা মুকলি কৰা হয়। এই স্তন্যপান কিয়স্কটোৱে নৱজাতক থকা মহিলা ৰে'লযাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব। ই এগৰাকী মাতৃক সুৰক্ষিত পৰিৱেশত আৰু গোপনীয়তাৰে তেওঁৰ কেঁচুৱাটোক সঠিকভাৱে স্তন্যপান কৰাবলৈ সুবিধা প্ৰদান কৰিব। ইয়াৰ উপৰিও, সুন্দৰভাৱে ডিজাইন কৰা এই কিয়স্কত স্তন্যপানৰ গুৰুত্ব আৰু জনসজাগতাৰ পক্ষে ইয়াৰ লাভালাভৰ ওপৰত বিভিন্ন বাৰ্তা আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সক্ৰিয় সহযোগিতাত ৰ'টাৰী ক্লাব অৱ গুৱাহাটী আইকনচৰ দ্বাৰা এই কিয়স্কটো স্থাপন কৰা হয়।





উত্তৰ-পূব সীমান্ত ৰে'লৱে, গুৱাহাটীৰ অতিৰিক্ত মাণ্ডলিক ৰে'লৱে প্ৰবন্ধক জে পি সিঙে প্ৰখ্যাত অসমীয়া চলচ্চিত্ৰ অভিনেত্ৰী নিশিতা গোস্বামী আৰু ৰে'লৱেৰ অন্যান্য গুৰুত্বপূৰ্ণ বিষয়াবৰ্গ আৰু ৰ'টাৰী ক্লাব, গুৱাহাটী আইকনচৰ সদস্যসকলৰ উপস্থিতিত এই কিয়স্কটো উদ্বোধন কৰে। তেওঁৰ ভাষণ প্ৰসংগত জে পি সিঙে ৰ'টাৰী ক্লাব, গুৱাহাটী আইকনচৰ প্ৰশংসা কৰে যিটো গুৱাহাটীস্থিত ৰ'টাৰী ইণ্টাৰনেচনেলৰ ডিষ্ট্ৰিক্ট ৩২৪০ৰ এক নতুন প্ৰয়াস আৰু আগন্তুক দিনত কামাখ্যা ৰে'ল ষ্টেচনতো এনেধৰণৰ আন এটা কিয়স্ক স্থাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে। প্ৰখ্যাত অসমীয়া চলচ্চিত্ৰ অভিনেত্ৰী নিশিতা গোস্বামীয়ে তেওঁৰ ভাষণত অধিক মহিলাক লাভৱান্বিত কৰাৰ বাবে ৰাজহুৱা স্থানত এনে কিয়স্ক থকাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লাখ লাখ লোকৰ পদাৰ্পণ হোৱা ৰে'লৱে ষ্টেচনৰ দৰে ঠাইত এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ৰে'লৱে আৰু ৰ'টাৰী ক্লাবক ধন্যবাদ জনায়। উক্ত অনুষ্ঠানটোত অধ্যক্ষতা কৰা ডাঃ পাৰ্থপ্ৰতিম বৰাই স্তন্যপানৰ তাৎপৰ্য আৰু বিশ্ব স্তন্যপান সপ্তাহৰ ওপৰত গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰে। উদ্বোধনী ভাষণত ৰ'টাৰী ক্লাবৰ উপদেষ্টা আৰু উপ-সভাপতি ৰুদ্ৰজিৎ লস্কৰে ৰ'টাৰী আৰু ৰ'টাৰী ক্লাব অৱ গুৱাহাটী আইকনচৰ বিষয়ে বিভিন্ন তথ্য দাঙি ধৰে আৰু এই সেৱা প্ৰকল্পটোৰ অধ্যক্ষা সুধা লস্কৰে ৰে'ল ষ্টেচনত স্তন্যপানৰ কিয়স্ক স্থাপনৰ উদ্দেশ্যৰ বিষয়ে বিভিন্ন তথ্য দাঙি ধৰে। শেহত ৰ'টাৰী ক্লাবৰ সম্পাদক দীপাঞ্জন দাশগুপ্তাই শলাগৰ শৰাই আগবঢ়ায়। যিহেতু ৰে'ল ষ্টেচনত স্তন্যপান কৰোৱা কোঠাটো বিচাৰি উলিওৱাটো সুবিধাজনক আৰু সহজ হৈ পৰিব, সেইবাবে এইটো এটা ডাঙৰ সহায় হ'ব, ৰে'লত উঠিবলৈ ষ্টেচনত উপস্থিত হোৱা নৱজাতকৰ সৈতে এগৰাকী মাতৃয়ে নিজৰ মন্তব্য দাঙি ধৰে। উল্লেখ্য যে বিশ্ব স্তন্যপান সপ্তাহৰ সন্দৰ্ভত আন এক সজাগতা কাৰ্যসূচী (৫ আগষ্ট, ২০২২ তাৰিখে) মালিগাঁৱৰ উত্তৰ-পূব সীমান্ত ৰে'লৱে কেন্দ্ৰীয় চিকিৎসালয়ত অনুষ্ঠিত হৈ যায়। স্তন্যপানৰ গুৰুত্ব আৰু লাভালাভ সম্পৰ্কে ডাঃ বি পি ডেকা, ডাঃ অনুৰাধা গোস্বামী, ডাঃ অপূৰ্ব দাস, ডাঃ ইমানুৱেল টুলোৰ আৰু ডঃ সুনীতা আগৰৱালাৰ দ্বাৰা ভাষণ প্ৰদান কৰা হয়। কাৰ্যসূচীত বহুসংখ্যক ৰে'লৱে হিতাধিকাৰী উপস্থিত আছিল। পৰৱৰ্তী সময়ত, স্তন্যপানৰ বিষয়ে শিক্ষা আৰু ইয়াৰ প্ৰতি সমৰ্থনৰ তোলাৰ বাবে প্ৰসূতি আৰু স্ত্ৰীৰোগ বিজ্ঞানৰ অন্তৰ্বৰ্তী বিভাগতো এক সভাৰ আয়োজন কৰা হয়।





Janasanyog /D/9971/ 22

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালতত হে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি